Assam Legislative Assembly Debates



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

NO. 5

The 22nd March, 1995
Price - Rs. - 94.00

CONTENTS

BUDGET SESSION

NO. 5

Dated, the 22nd March, 1995

1.	Questions and Answers	.....	1 — 60
2.	Discussion During Zero Hour	.....	61 — 81
3.	Call Attention Notice	.....	82 — 00
4.	Matter Under Rule 301	.....	83 — 85
5.	Presentation of Annual Financial Statement	.....	86 — 118
6.	Introduction of Government Bills	.....	118 — 119
7.	Debate on Governor's Address	.....	120 — 144
8.	Adjournment	.....	144 — 000
9.	Annexures I to XIII	.....	145 — 311

*****

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday ; the 22nd March 1995

The House met at 9 A.M. of the clock in the assembly Chamber at Dispur with prof. Debesh Chakravorty speaker in the chair.

STARRED

QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : The position of questions both oral and written for 22.3.95 are as follows :

Oral : Sl. No. 61 to 80

Deferred : Sl. No. 65, 70 and 77

Transferred : Sl. 68

Written Sl. No. 145 to 194.

Deferred : Sl. No. 148, 149, 156 and 188.

Now Question No. 61. Questioner– Hon'ble Member Smt. Rupam Kurmi.

ডাঃ কমলা কলিতা ঃ Point of order, Sir, মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এম, এল, এ, হোষ্টেলত মানুহ সোমোৱাৰ কাৰণে চিকিউৰিটিৰ মিটিং হৈছিল আৰু সেই মিটিঙত সিদ্ধান্ত হৈছিল যে এম, এল, এ, সকলে ভিজিটৰক লিখি দিলে যাব দিব। এইটো চাৰকুলেট কৰা হৈছিল, কিন্তু সেইটো হোৱা নাই।

মাননীয় অধ্যক্ষ ঃ এইটো পিছত হ'ব।

ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, সিদ্ধান্ত হোৱাৰ পিচত এম, এল, এ, সকলে লিখি দিয়াৰ পিচতো যাব দিয়া হোৱা নাই।

মাননীয় অধ্যক্ষ ঃ সিদ্ধান্ত লোৱা হৈছে, পিচত মোৰ অফিচত বিষয়টো চাম।

এতিয়া প্রশ্ন নং ঃ ৬১।

বিষয় ঃ পশুবৰ উপ-চিকিৎসা কেন্দ্র।

শ্রীৰূপম কুৰ্মীয়ে সুধিছে ঃ

★ ৬১। মাননীয় পশুপালন আৰু পশু-চিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৰহাট জিলাৰ মৰিয়নী সমষ্টিত আৰু টিয়ক সমষ্টিৰ মধ্যম স্থলত অৱস্থিত পশুবৰ উপ-চিকিৎসা কেন্দ্রটিৰ ভৱন কেইবা বছৰ আগৰ পৰা সম্পূর্ণ হোৱা আৰু

বিভাগীয় কর্ত্তৃপক্ষৰ লগত বহুবাৰ আলোচনা-বিলোচনা কৰিও এই ভৱনটি বাইজৰ পশু-চিকিৎসাৰ বাবে মুকলি কৰিব পৰা হোৱা নাই কিয়?

(খ) মন্ত্রী মহোদয়ে এই ভৱনটি উন্মোচন কৰি বাইজক উপকৃত কৰিবনে আৰু যদি কৰে কেতিয়া কৰিব?

★ **শ্রীজগন্নাথ সিংহ** ঃ পশুপালন আৰু পশু-চিকিৎসা বিভাগৰ মন্ত্রীয়ে উত্তৰ দিছে ঃ (ক), (খ) অহা বিত্তীয় বছৰৰ ভিতৰত উপ-কেন্দ্রটো মুকলি কৰা হ'ব।

★ **শ্রীমতী ৰূপম কুৰ্ম্মী** ঃ মাননীয় অধ্যক্ষ মহোদয়, টিয়ক আৰু মৰিয়ণি সমষ্টিৰ মধ্যম স্থলত অৱস্থিত যি পশুবৰ উপ-পশু চিকিৎসালয়ত কেন্দ্র আছে, সেই কেন্দ্রটিৰ তিনি-চাৰি বছৰ আগতে গৃহ নির্ম্মাণৰ কাম সম্পূর্ণ হৈ গৈছে। যোৰহাটত থকা বিভাগীয় উপ-সঞ্চালকৰ লগত বহুত বাৰ কথা-বতৰা পতাৰ পিচতো উপ-স্বাস্থ্য কেন্দ্রটি খোলাৰ বাবে অমত হোৱাৰ কাৰণে মই বৰ দুখ পাইছো। মাননীয় মন্ত্রী মহোদয়ে চেচন শেষ হোৱাৰ লগে লগে এই উপ-পশু-চিকিৎসালয় কেন্দ্রটি খোলাৰ বাবে ব্যৱস্থা কৰিব নে? আনহাতে লাহিং মৌজাৰ উপ-পশু-চিকিৎসালয় কেন্দ্রটো ইতিমধ্যে সম্পূর্ণ কৰা হৈছিল, কিন্তু দুর্ভাগ্যজনক ভাবে ১৯৮৩ চনৰ বহাগ মাহত যি প্রচণ্ড ধুমুহা আহিছিল সেই ধুমুহাত চালৰ টিন উৰুৱাই নিছিল আৰু এই ঘৰ ভাঙি গৈছে। মই বিভাগীয় কর্ত্তৃপক্ষৰ লগত বহুত বাৰ যোগাযোগ কৰাৰ পিচতো এই উপ-পশু-চিকিৎসালয় খোলাৰ বাবে একো ব্যৱস্থা লোৱা নাই। মন্ত্রী মহোদয়ে অলপ টকা খৰচ কৰি এই উপ-পশু-চিকিৎালয় খোলাৰ ব্যৱস্থা কৰিব নে?

শ্রী জগন্নাথ সিংহ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, অহা বিত্তীয় বছৰত এই উপ-পশু-চিকিৎসালয় মুকলি কৰা হ'ব। ধনৰ অভাবৰ কাৰণে কৰিব পৰা হোৱা নাই। পুঁজি সাপেক্ষে কৰা হ'ব।

Shri Mission Ranjan Das : I want to know from Hon'ble Minister what step has been taken by the Veterinary Deptt. to repair all the Veterinary Sub-Centres damaged by storms ..... Interrupted.

মাননীয় অধ্যক্ষ ঃ মন্ত্রী মহোদয় শাৰীৰিক ভাবে অসুস্থ হৈ আছে, গতিকে তেখেতক প্রশ্ন নকৰাই ভাল হ'ব, পিচত আলোচনা কৰিব। এতিয়া প্রশ্ন নং ৬২।

বিষয় ঃ দলং নির্মাণ

শ্রীগহীন চন্দ্র দাসে সুধিছে ঃ

★ ৬২। মাননীয় গড়কাপ্তানী (ভেয়াম) বিভাগৰ মন্ত্রী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ অন্তর্গত ৰহা সমষ্টিত কপিলী নদীৰ ওপৰত চাপৰমুখৰ আশে-পাশে অর্থাৎ বামুনীজল আৰু মাগুৰ গাওঁ পাৰ ঘাটত কিবা "চইল টেষ্ট" বা অন্য জোখ-মাখ কৰিছিল নেকি বা "এষ্টিমেট" তৈয়াৰ কৰিছে নেকি?

(খ) যদি কৰিছে, ইয়াৰ বাবে কিমান টকাৰ প্রয়োজন হ'ব?

(গ) এই পকা দলংখন চৰকাৰে কেতিয়াৰ পৰা কাম আৰম্ভ কৰিব জনাবনে?

শ্রীশৰৎ ৰৰকটকী ঃ (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রীয়ে উত্তৰ দিছে)

(ক) মাগুৰ গাওঁ ঘাটত কপিলী নদীৰ ওপৰত পকা দলংৰ বাবে ছার্ভে আৰু মাটি পৰীক্ষা কৰা হৈছে।

পকা দলংৰ ডিজাইন অনুমোদন সাপেক্ষে এষ্টিমেট তৈয়াৰ কৰাৰ প্রস্তুতি লোৱা হৈছে।

(খ) জিডাইন সম্পূর্ণ হোৱাৰ আগত সঠিক অনুমান কৰিব পৰা নাযাব।

(গ) প্রাক্কলন হোৱাৰ পিছত কাম হাতত লোৱাৰ ব্যৱস্থা কৰা হ'ব।

★ **শ্রীগহীন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই দলংখনৰ কাৰণে ৰাইজে বহুত দিনৰ পৰাই আপত্তি কৰি আহিছে, কিন্তু পি, ডবলি, ডি, বিভাগে সঠিক অনুমান কৰিব পৰা নাই। মই ইয়ালৈ বিধায়ক হৈ অহাৰ পিচৰে পৰা এই দলংখনৰ বিষয়ে প্রশ্ন কৰি আহিছোঁ। কিন্তু সঠিক উত্তৰ পোৱা নাই। এতিয়া মই মন্ত্রীম মহোদয়ক অনুৰোধ কৰিছো তেখেতে ডিজাইন অনুমোদন নোহোৱাৰ যি কথা কৈছে সেইটো কেতিয়া হ'ব। ডিজাইন অনুমোদন সোনকালে কৰিব নে নাই?

★ **শ্রীশৰৎ ৰৰকটকী (মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, দলংখনৰ বাবে ডিজাইন অনুমোদনৰ কাৰণে গুৱাহাটীৰ ফার্ম এখনক দিয়া হৈছিল। ইতিমধ্যে ২৪৯.১০ লাখ টকাৰ প্রাক্কলন কৰা হৈছে। এইখন পোৱাৰ পিচত কাম আৰম্ভ কৰা হ'ব।

★ **শ্রীগহীন দাস** ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে এই সদনতে আশ্বাস দিব নেকি যিহেতু এই বছৰটো অন্তিম বছৰ। এইখনেই খুউব সম্ভৱ শেষ বাজেট হ'ব, অহা বছৰ হয় নে নহয় সন্দেহ আছে। গতিকে মন্ত্রী মহোদয়ে এই বিত্তীয় বছৰতে প্রাক্কলন তৈয়াৰ কৰি কাম আৰম্ভ কৰিব নে? কাম আৰম্ভ কৰিব নে নাই এই আশ্বাস মন্ত্রী মহোদয়ে দিব নেকি?

★ **শ্রীআব্দুল জলিল ৰাগিৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, কপিলী নদীৰ ওপৰত দুখন দলং দিয়াৰ প্রস্তাৱ লোৱা হৈছিল। মাননীয় মন্ত্রী মহোদয়ৰ পৰা মই জানিব বিচাৰিছোঁ যে এই সম্পর্কে যি বিবাদ চলি আছে যমুনামুখ নে চাপৰমুখত হ'ব এই সম্পর্কে ৰাইজে বহুত আপত্তি কৰি আছে মন্ত্রী মহোদয়ে এই কথা জানে নেকি? এইটো কাৰণে পাব্লিক ডিমাণ্ড দিয়া হৈছে আৰু মাননীয় ৰাজ্যপাল

মহোদয়ৰ ওচৰতো স্মাৰক পত্ৰ দি দিয়া হৈছে। মন্ত্ৰী মহোদয়ে আশ্বাস দিয়াৰ আগতে এইটো জনাব লাগে।

★ **শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, আমি ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিম। দলঙৰ কাম আৰম্ভ কৰাৰ আগতে ক'ত হ'ব সেইটো ঠিক কৰি লোৱা হ'ব।

★ **শ্ৰীগহীন দাস** ঃ অধ্যক্ষ মহোদয়, মই আশ্বাস বিচাৰিছিলো, এই বছৰ কাম আৰম্ভ হ'ব নে নাই? মন্ত্ৰী মহোদয়ে জনাব লাগে।

★ **শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, ১৯৯৪-৯৫ চনৰ প্ৰাক্‌কলন তৈয়াৰ হোৱাৰ পিচত দলঙৰ কাম আৰম্ভ কৰা হ'ব।

★ **শ্ৰীমতী প্ৰমিলা ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগহীন দাস ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে সেইটো প্ৰশ্ন ময়ো কৰিব লাগিছিল। কিন্তু মই ১৯৯১ চনৰ পৰা বিধায়িকা হৈ অহাৰে পৰা সেই একেটা প্ৰশ্নকে সুধি সুধি লাজ লগা কাৰণে দাস ডাঙৰীয়াক সুধিবলৈ দিছো। কথা হ'ল গৌৰাঙ্গ নদীৰ দলঙৰ কাম এতিয়ালৈকে হোৱা নাই। মন্ত্ৰী মহোদয়ে সদায়ে একেটা উত্তৰকে দি আহিছে। যোৱা বছৰে কৈছে মডেল তৈয়াৰ কৰি থকা হৈছে। এতিয়া মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো সোনকালে কামটো কৰাৰ আস্বাস দিব নেকি।

★ **শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ বাবে এটা বেলেগ প্ৰশ্ন লাগিব।

★ **শ্ৰীমতী প্ৰমিলা ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মন্ত্ৰী মহোদয়ে এই কথাটোৰ বিষয়ে ভালদৰে জানেই সেই কাৰণে তেখেতৰ পৰা এটা উত্তৰ বিচাৰিছো।

★ **শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গৌৰাঙ্গ নদীৰ দলঙৰ কথা আগতেই কৈছো। দলঙৰ কাম কৰাৰ কাৰণে ব্যৱস্থা কৰি থকা হৈছে। সময়ত হ'ব।

★ **শ্ৰীমতী ৰেণুপমা ৰাজখোৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মনত আছে যে মাননীয় মন্ত্ৰী মহোদয়ে যোৰহাটৰ চাৰ্কিট হাইচত তেখেত এখন সাংবাদিক মেলত কৈছিল যে এই বছৰৰ ভিতৰতে অসমৰ যিমান বিলাক ভঙা দলঙ আছে সেইবিলাক সম্পূৰ্ণ ভাল কৰা হ'ব। মাননীয় এই প্ৰতিশ্ৰুতি ৰাখিব পাৰিবনে। প্ৰমিলা বাইদেউৱে কোৱাৰ দৰে টিয়ক সমষ্টিৰ দলঙৰ কথাও '৯১ চনৰ পৰাই কৈ আহিছো আজিলৈকে কিন্তু সম্পূৰ্ণ হোৱা নাই। সেইকাৰণে ময়ো লাজতে প্ৰশ্নটো নকৰাই হৈছো।

★ **শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰমাৰ দলঙৰ কাম এ, জি, চি, চিক দিয়া হৈছে। তেওঁলোকে কৰিব।

★ **শ্রীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এ, জি, চি, চিক কামটো দিছে হয়, কিন্তু এতিয়ালৈকে তেওঁলোকে কাম সম্পূর্ণ কৰিব পৰা নাই। ১৯৮৮ চনতে আৰম্ভ কৰিছে আজি ১৯৯৫ চনটো শেষ কৰিব পৰা নাই কিয়।

★ **শ্রীশৰৎ ৰৰকটকী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গৰঙা দলঙৰ কথাত মই কৈছো যে এ, জি, চি, চিক দিয়া হৈছে। তেওঁলোকৰ পুঁজি নথকা কাৰণে হোৱা নাই। পুঁজি পালে কৰিব।

★ **শ্রীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে, এ, জি, চি, চিক শতকৰা ৯০ ভাগ ধন দিয়া হৈছে। তথাপিও কিয় কাম সম্পূর্ণ কৰিব পৰা নাই।

★ **শ্রী শৰৎ ৰৰকটকী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাম কৰিবলৈ লৈছে। সম্পূর্ণকৈ টকা পালে কাম সম্পূর্ণ কৰিব পাৰিম।

★ **শ্রীগহীন চন্দ্র দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে জনাব নেকি মাননীয় সদস্য ৰাগীৰি ডাঙৰীয়াই প্রশ্ন কৰিছিল যে কপিলিৰ দলংখন যমুনামুখত নে চাপৰমুখত বুলি। কিন্তু আমি জনাত বিভাগে চার্ভে কৰিছিল বামুণীজান আৰু মাগুৰগাঁওত দলঙখন ক'ত হ'ব মন্ত্রী মহোদয়ে জনাব নেকি?

★ **শ্রীশৰৎ ৰৰকটকী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সংক্রান্তত বর্তমান মোৰ হাতত তথ্য নাই।

বিষয় ঃ আশ্রয় শিবিৰৰ নলী-নাদ

★ ৬৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰিব জনাবনে ঃ

ক) ১৯৯৪ চনৰ জুলাই মাহৰ গোষ্ঠী সংঘর্ষ পীড়িতসকলৰ (ৰৰপেটা জিলাত) আশ্রয় শিবিৰ সমূহত কিমানটা নলী-নাদ বহুৱা হৈছিল? (শিবিৰৰ নাম আৰু নলী-নাদৰ সংখ্যা জনাব)

খ) আশ্রয় শিবিৰ সমূহত বহুৱা নলী-নাদৰ পাইপৰ সংখ্যা কিমান আছিল?

গ) নলী-নাদসমূহৰ কাৰণে নিয়োজিত শ্রমিকক কি নিৰিখত কিমান টকা মজুৰী দিয়া হৈছিল?

ঘ) আশ্রয় শিবিৰসমূহৰ কাৰণে ব্লিচিং পাউডাৰ বাবদ কিমান টকা খৰচ কৰা হৈছিল?

ঙ) এই সম্পর্কত তদন্তৰ ব্যৱস্থা কৰিবনে?

শ্রীদীনেশ প্রসাদ গোৱালা ঃ (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রীয়ে উত্তৰ দিছে)

ক) ১৯৯৪ চনৰ জুলাই মাহৰ গোষ্ঠী সংঘর্ষ পীড়িত (ৰৰপেটা জিলাৰ) আশ্রয় শিবিৰসমূহ মুঠতে ১২৩ টা নলী-নাদ বহুৱা হৈছিল।

শিবিৰ সহ নলী-নাদৰ সংখ্যাৰ সম্পূর্ণ তালিকা সংলগ্ন কৰি দিয়া হ'ল। (সংলগ্নী ক) (See Annexure-I)

খ) আশ্রয় শিবিৰসমূহত বহুৱা নলীনাদৰ পাইপৰ সংখ্যা মুঠতে ২৩২ ডাল (প্রতিটো নলী-নাদ অনুযায়ী পাইপৰ সংখ্যা ও গভীৰতাৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল) (সংলগ্ন-খ) (See Annexure-II)

গ) নলী-নাদসমূহ বিভাগীয় নিয়ম-কানুন সহকাৰে ঠিকাদাৰৰ দ্বাৰাই বহুৱা হৈছিল। গতিকে শ্রমিকক দিয়া নিৰিখৰ হিচাব বিভাগৰ পৰা পোনপটীয়াকৈ দিয়াৰ প্রশ্ন নুঠে।

ঘ) আশ্রয় শিবিৰসমূহৰ কাৰণে ব্যৱহৃত ব্লিচিং পাউডাৰৰ বাবদ মুঠ ৫১,২০০.০০ টকা খৰছ হৈছিল।

☆ **শ্রীনিজামুদ্দিন খান** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তেখেতে (গ) প্রশ্ন উত্তৰত কৈছে যে নলী-নাদসমূহ বিভাগীয় নিয়ম-কানুন সহকাৰে ঠিকাদাৰৰ দ্বাৰাই বহুওৱা হৈছিল। গতিকে শ্রমিকক দিয়া নিৰিখৰ হিচাব বিভাগৰ পৰা পোনপটীয়াকৈ দিয়াৰ প্রশ্ন নুঠে। মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কেৱল নলী-নাদৰ কাৰণে কিমান টকা খৰচ কৰা হৈছিল বা কিমান টকা ধার্য্য কৰা হৈছিল। এই বিষয়ে মন্ত্রী মহোদয়ে জনাব নেকি?

★ **শ্রীশৰৎ ৰৱকটকী (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নলী-নাদ বহুওৱাৰ ঠিকা এষ্টিমেট ওপৰত দিয়া হৈছিল। ঠিকাদাৰৰ নাম মোৰ হাতত নাই। এষ্টিমেট এমাউণ্ট এতিয়া মোৰ হাতত নাই পিচত দিম।

★ **শ্রীনিজামুদ্দিন খান** ঃ মাননীয় অধ্যক্ষ মহোদয়, এষ্টিমেট এমাউণ্ট নাই, কিমান খৰচ হ'ল কোন কোন ঠিকাদাৰক দিয়া হৈছে সেইবিলাকো এটা টিউবৱেল বহুৱাওতে কিমান টকা খৰচ হ'ল সেইটো কিয় নাই। সেইবিলাক জনাৰ আমাৰ অধিকাৰ নাই নেকি? গোটেই ৰাজ্যখনতে এই নলী-নাদ বহুওৱা নাই গতিকে কিয় ক'ব নোৱাৰে।

★ **শ্রীদীনেশ প্রসাদ গোৱালা (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কিমান টকা খৰচ হৈ(ঘ) প্রশ্ন উত্তৰতে দিয়া হৈছে। আশ্রয় শিবিৰ ব্লিচিং পাউদাৰৰ বাবদ কিমান খৰছ কৰা হৈ দিয়া আছে।

★ **শ্রীনিজামুদ্দিন খান** ঃ মাননীয় অধ্যক্ষ মহোদয়, আশ্রয় শিবিৰত থকা লোকসকলৰ কাৰণে যিবিলাক কাম কৰা হৈছিল সেইবিলাক বিভাগৰ ফালৰ পৰা কৰা হৈছিল। যদি বিভাগৰ ফালৰ পৰা কৰা হৈছিল কিমান টকা খৰচ কৰা হৈছিল। ইয়াত কোৱা হৈছে ঠিকাদাৰে কৰিছে।

★ **Mr. Speaker** : As soon as materials will be available Minister will inform

the Member

☆ ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মন্ত্রীৰ হাতত তথ্য নাই মন্ত্রীয়ে দিব নোৱাৰে সেইটো অস্বাভাৱিক নহয়। আমি জানিব বিচাৰিছো এটা টিউবৱেল বহুওৱাৰ বাবদ কিমান টকা খৰচ কৰিছে তাৰ এটা বিবৃতি দিব নেকি?

★ শ্রীজয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰপেটাৰ শিবিৰসমূহত লগে কোকৰাঝাৰ শিবিৰসমূহত কিমান নলী-নাদ বহুওৱা হ'ল তাৰ এটা হিচাপ মন্ত্রী মহোদয়ে সদনত দাখিল কৰিব নেকি?

★ শ্রীলিয়াকট আলী ঃ মাননীয় অধ্যক্ষ মহোদয়, চেঙা সমষ্টিৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ঠিকাদাৰৰ লগলাগি কার্য্যবাহী অভিযন্তাই ১০ টা টিউবৱেল বিক্রী কৰিছে।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্যসকলে যিবিলাক প্রশ্ন কৰে সেইবিলাক ৰিলেটিভ প্রশ্ন হ'ব লাগে। আচল প্রশ্নৰ পৰা ফালৰি কাটি আহিলে উত্তৰ দিয়াত অসুবিধা হ'ব। সকলো বিলাক প্রশ্ন আগৰ প্রশ্নৰ লগত সংগতি থকা হ'ব লাগে। উত্তৰ পোৱাৰ পিচত আৰু ক'বলগীয়া একো নাথাকে। তাৰ পিচত আকৌ প্রশ্ন কৰিব নালাগে। মই আগতে কৈছো যে উত্তৰ ৰেডিলী এভেইলেবেল নহ'লে পিচত উত্তৰ দিব।

☆ শ্রীলিয়াকট আলি খান ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে বৰপেটা আৰু চেঙা সমষ্টিত নতুনকৈ টিউবওৱেল ঠিকাদাৰৰ যোগেদি বহুৱাবলৈ নির্দ্দেশ দিয়া হৈছে। কিন্তু এটা কথা মন্ত্রী মহোদয়ে জানেনে যে ঠিকাদাৰসকলে কাৰিকৰী অভিযন্তাৰ লগলাগি টিউবৱেল বিক্রী কৰি টকা-পইচা খাই শেষ কৰিছে, এইটো বৰ ডেঞ্জাৰাছ কথা হৈছে। অনুগ্রহ কৰি মন্ত্রী মহোদয়ে ক'ত কিমান নলী-নাদৰ ক্ষেত্রত খৰছ কৰিছে ইয়াৰ হিচাব ৰাখিছে নে?

মাননীয় অধ্যক্ষ ঃ এই বিষয়ে এটা বেলেগ প্রশ্ন আনিব লাগিব। ইয়াৰ লগত এই উত্তৰ দিব পৰা নহয়।

★ শ্রীমিলন বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিভাগীয় মন্ত্রী মহোদয়ে কৈছে যে ঠিকাদাৰৰ যোগেদি এই নলী-নাদ বহুৱাবলৈ অনুমোদন কৰি দিয়া হৈছে। কিন্তু এই কথাটো একেবাৰে অসত্য। ঠিকাদাৰে কোনো কামত লোৱাই নাই। গতিকে এই কথাটো অনুসন্ধান কৰি পিছত এটা বিবৃতি দিব নেকি?

★ শ্রীদীনেশ প্রসাদ গোৱালা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জনা মতে কাৰিকৰী অভিযন্তাই টেণ্ডাৰ দি ঠিকাদাৰৰ হাতুৰাই এই নলী-নাদ বহুওৱাৰ কাম আৰম্ভ কৰিছে। কিন্তু মাননীয় সদস্যসকলে এইটো মিছা বুলি যেতিয়া অভিযোগ

* Speech not corrected

আনিছে, ইয়াৰ তদন্ত কৰি ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ দলং নির্মাণ।

শ্রীসুবেণ স্বর্গীয়াৰীয়ে সুধিছে ঃ

★ ৬৪। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সৰুপেটা গড়কাপ্তানী সংমণ্ডলৰ (পথ) কার্য্যবাহী অভিযন্তাৰ অধীনত অঞ্চলী বাটাবাৰী ৰাস্তাৰ কালদিয়া নদীৰ (গধূলীগাওঁ ঘাট) ওপৰৰ দলংখন সম্পূর্ণ ভাবে নষ্ট হোৱাৰ চৰকাৰৰ অৱগতনে?

(খ) যদি অৱগত, দলংখন সম্পূর্ণ ভাবে নির্ম্মাণ কৰি উলিয়াবলৈ কিমান টকাৰ প্রয়োজন?

(গ) টকাৰ প্রয়োজনীয়তাৰ ভিত্তিত দলংখন নির্ম্মাণ কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা গ্রহণ কৰিছে নেকি?

(ঘ) যদি কৰিছে, ১৯৯৫-৯৬ বিত্তীয় বছৰত দলংখনৰ কাম সম্পূর্ণ কৰা হ'বনে?

(ঙ) যদি কৰা নাই, তাৰ কাৰণ কি জনাবনে?

শ্রীশৰৎ বৰকটকী ঃ (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রীয়ে উত্তৰ দিছে)

(ক) হয়, চৰকাৰ অৱগত।

(খ) সম্পূর্ণ ভাবে নির্ম্মাণ কৰি উলিয়াবলৈ মুঠ ১৩,৭০,৭০০.০০ টকাৰ প্রয়োজন হ'ব।

(গ) হয়, কৰিছে।

(ঘ) ১৯৯৫-৯৬ বিত্তীয় বছৰৰ ভিতৰত কামটো সম্পূর্ণ হোৱাৰ আশা আছে।

(ঙ) প্রশ্ন নুঠে।

★ **শ্রীসুবেন স্বর্গীয়াৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কালদিয়া নদীৰ ওপৰৰ দলংখন মেৰামতি কৰাব কাৰণে ১৯৯৩ চনৰ পৰাই এটা আশ্বাস দি আছে। কিন্তু কোনো কার্য্যকৰী কাম কৰা হোৱা নাই। গতিকে মোৰ এতিয়া প্রশ্ন হৈছে। এই দলংখনৰ কাম চলিত বিত্তীয় বছৰতে এই উৱলি যোৱা দলংখনৰ মেৰামতিৰ কাম কৰি সম্পূর্ণ কৰিব নে? ইয়াৰ এটা ফাইনেল উত্তৰ লাগে।

★ **শ্রীশৰৎ বৰকটকী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ বাজেটতে এই দলংখনৰ হিচাপ অন্তর্ভূক্ত কৰা হৈছে আৰু ১৯৯৫ চনৰ ভিতৰতে কাম সম্পূর্ণ কৰা হ'ব।

★ **শ্রীমিলন বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে বৰপেটা ডিভিজনৰ দলংৰ পুনৰ নির্ম্মাণৰ সম্পর্কত যিবিলাক এষ্টিমেট চৰকাৰে হাতত লৈছে, সেই ক্ষেত্রত পি, ডব্লিউ, ডি, বিভাগৰ ডিভিজনেল কাৰিকৰী অভিযন্তাসকলে ঠিকাদাৰসকলক যি টেণ্ডাৰ জাননী দিছিল, আমি জনামতে

ঠিকাদাৰসকলে আগৰ বিল পে'মেণ্ট আদায় নোপোৱাৰ কাৰণে নতুনকৈ টেণ্ডাৰ এক্সেপ্ত কৰি অফাৰ দিয়া নাই। গতিকে মই জনাত কোনো দলং আদিৰ মেৰামতিৰ কাম আৰম্ভ হোৱাই নাই। এতিয়া মই জানিব বিচাৰো, ঠিকাদাৰসকলে টেণ্ডাৰ গ্ৰহণ কৰি ইতিমধ্যে কাম আৰম্ভ কৰিছে নেকি? সেই কথাটো বিতংভাবে জনাব লাগে।

★ **শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিসকল ঠিকাদাৰে কাম লৈছে, তেওঁলোকৰ ডিভিজন ওৱাইজ লিষ্ট আমাৰ হাতত আছে। বিচাৰিলে দিব পাৰোঁ। ঠিকাদাৰসকলক ইতিমধ্যে ৯ কৌটি টকা ঠিকাদাৰসকলক দিয়া হৈছে।

★ **শ্ৰীমিলন বড়ো** ঃ মাননীয় অধ্যক্ষ মহোদয়, পাঠশালা ডিভিজনত কিমান টকা দিয়া হ'ল আৰু কিমান কিমান ঠিকাদাৰে টেণ্ডাৰ এক্সেপ্ত কৰিলে আৰু কিমান টকা ঠিকাদাৰ, ঞ্জিনিয়াৰে দলঙৰ নামত অপব্যয় কৰিলে, তাৰ অনুসন্ধান কৰি ব্যৱস্থা ল'লেনে?

★ **শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কোনে কিমান আবেদন কৰিছে আৰু গ্ৰহণ কৰিছে আৰু কিমান টকা খৰচ কৰিছে, তাৰ অনুসন্ধান কৰি ব্যৱস্থা লোৱা হ'ব।

★ **শ্ৰীপানীৰাম ৰাভা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰায়বিলাক কাঠৰ দলং মেৰামতি কৰিবলৈ লোৱা হৈছে, কিন্তু শাল কাঠ দেখোন পাবলৈকে নাই। গতিকে কাঠৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কাঠৰ ব্যৱস্থা কৰিছে নেকি?

★ **শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ১।২।৯৫ তাৰিখৰ পৰা ৩ হেজাৰ এশ ৯১ খন দলঙৰ কাম আৰম্ভ কৰা হৈছে আৰু ২ হেজাৰ ২৮ খন দলঙৰ কাম বাকী আছে। তাৰে কেইখনমানৰ ক্ষেত্ৰত কালভাৰ্টলৈ কন্‌ভাট কৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে।

★ **শ্ৰীদিলীপ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, অন্যান্য ডিভিজনত ইঞ্জিনিয়াৰ সকলো ঠিকাদাৰৰ যোগেদি শাল কাঠৰ অভাবত কাম পৰি থকাৰ আশংকা কৰিছে যে যদি জুন মাহৰ আগতে কাম সম্পূৰ্ণ হৈ নুঠে তেনেহ'লে, এই বছৰত দলঙৰ কাম শেষ হৈ নুঠিব। গতিকে লোকেল কাঠেৰেই কাম আৰম্ভ কৰিবলৈ নিৰ্দ্দেশ দিব নেকি?

★ **শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, শাল কাঠৰ ব্যৱস্থা কৰা হৈছে আৰু জুন মাহৰ ভিতৰতে কাম সম্পূৰ্ণ কৰিবলৈ চৰকাৰে নিৰ্দ্দেশ দিছে।

(Starred Question No. 65. was deferred)

বিষয়ঃ দলং মেৰামতি।

শ্রীধ্রুৱ কুমাৰ সেনে সুধিছে ঃ

★ ৬৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ধুবুৰী Executive Engineer, PWD (R) বিভাগৰ অধীনত ধুবুৰী বিল্যা ছৰা P.W.D. ৰাস্তাৰ চান্দা খোলাৰ নামত যে দলং আছে সেই দলংখন মেৰামতিৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে নেকি?

(খ) যদি লোৱা হৈছে তেনহে'লে কাম নোহোৱাৰ কাৰণ কি জনাবনে?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ (ভৈয়াম ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, চৰকাৰে দলংখন মেৰামতিৰ বাবে ব্যৱস্থা লৈছে।

(খ) ইতিমধ্যে কাম আৰম্ভ কৰা হৈছে।

★ **শ্রীধ্রুৱ কুমাৰ সেন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে যে কেতিয়াৰ পৰা এই কাম আৰম্ভ হৈছে আৰু কিমান কাম সমাধা হৈছে?

★ **শ্রীশৰৎ বৰকটকী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দলংখনৰ কাম যোৱা ১৪।৫।৯২ তাৰিখৰ পৰা আৰম্ভ কৰা হৈছে আৰু ১৮ হেজাৰ টকা এই দলঙৰ কাৰণে খৰছ কৰা হৈছে— ৪।৮।৯২ তাৰিখলৈকে। কিন্তু ইয়াৰ পিছতো দলংখনৰ অৱস্থা প্রায় দুবছৰ মানত একেবাৰে শোচনীয় হোৱা কাৰণে দ্বিতীয় পর্য্যায়ত ১৯৯৪ চনৰ শেষ ভাগত পুনৰ ২৮ হেজাৰ টকা খৰচ কৰি দলংখন মেৰামতি কৰা হয়। ইতিমধ্যে অতিৰিক্ত মুখ্য অভিযন্তাৰ ১৯৯৩-৯৪ চনত ৪ লাখ ৪৪ হেজাৰ ২৭০ টকা ব্যয় সাপেক্ষে মেৰামতি কৰিবলৈ ঠিকাদাৰ এজনক আদেশ দিছিল যদিও সেই টকাৰে কাম সম্পূর্ণ নহ'ব বুলি জানি যোৱা ২৪।২।৯৪ তাৰিখে অতিৰিক্ত মুখ্য অভিযন্তা, মুখ্য অভিযন্তা (গড়কাপ্তানী বিভাগ) আৰু অধীক্ষক অভিযন্তা (পশ্চিম মণ্ডল) লগ হৈ বিশেষ ভাবে দলংখন পৰিদর্শন কৰে আৰু সেই মর্ম্মে চৰকাৰৰ [illegible] আগৰ ১২ মেট্রিক টনৰ পৰিবর্ত্তে ১৮ মেট্রিক [illegible] ১১ হেজাৰ টকাৰ এটা প্রাক্কলন দাখিল কৰা হয়। আৰু এই কামটো বিশেষ মেৰামতিৰ আঁচনিৰ শিতানত অন্তর্ভুক্ত কৰা হৈছে। ইতিমধ্যে এই নির্দ্দেশ পাই ঠিকাদাৰজনে ৮।৩।৯৫ তাৰিখৰ পৰা মেৰামতিৰ কাম আৰম্ভ কৰিছে।

★ **শ্রীধ্রুৱ কুমাৰ সেন ঃ** ১৯৯৩ চনতে আৰম্ভ কৰিছে অথচ আজি ১৯৯৫ চনতো সম্পূর্ণ হোৱা নাই। মই জনাত মই ইয়াতে বিধান সভাত প্রশ্ন কৰাৰ পিচতহে সেইটো আৰম্ভ কৰিছে। আজিলৈকে সেই দলংখনৰ ডেকিং খুলিছে মাত্র তাৰ

বাহিৰে একো কৰা নাই।

★ শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী মন্ত্রী) ঃ ইতিমধ্যে ডেৰ লাখ এঘাৰ হাজাৰ টকাৰ প্রাক্কলন তৈয়াৰ কৰি ঠিকাদাৰৰ হতুৱাই ৮.৩.৯৫ তাৰিখৰ পৰা দলঙৰ কাম কৰি থকা হৈছে।

★ শ্রীধ্রুব কুমাৰ সেন ঃ মিছা কথা চাৰ। মিছা নহয় অসত্য বুলি কৈছো। মই আজি দহ বাৰ দিনৰ আগতে গৈছো ডেকিং খোলাই আছে। মই নিজে চাই আহিছো।

★ দেৱান জয়নাল আবেদিন ঃ চাৰ, এই দলংখন কিছুদিনৰ আগতে দেখাৰ মোৰো সৌভাগ্য হৈছিল। আমাৰ মাননীয় জলসিঞ্চন মন্ত্রী জেহিৰুল ইছলাম চাহাবৰ লগত গৈছিলো। মাননীয় গড়কাপ্তানী মন্ত্রী মহোদয়ে জানেনে যে ভাৰত বাংলাদেশৰ সীমান্তৰ একমাত্র গুৰুত্বপূর্ণ ৰাস্তাটোৰ ওপৰত থকা এখন দলং। এই ৰাস্তাটো বন্ধ কৰিলে পশ্চিম সীমান্তলৈ ধুবুৰীৰ পৰা কোৱা যোগসূত্রই নাথাকিব। আন কতা হৈছে মন্ত্রী মহোদয়ে সীমান্ত অঞ্চলৰ ৰাস্তা-ঘাটৰ কাৰণে বিশেষ পুঁজিৰ ব্যৱস্থা কৰিছে বুলি সদনত কৈছিল যদিও একোটাহত অঞ্চলৰ উন্নয়নৰ কাৰণে এক কোটি টকা ধৰা হ'ব বুলিও আশ্বাস দিছিল। কিন্তু আমি জনা মতে এই পৰিমাণৰ টকা আমাৰ তালৈ যোৱা নাই আৰু এই অতি গুৰুত্বপূর্ণ ৰাস্তাটোৰ দলংখন অলপ মাত্র ইফাল-সিফাল কৰি বিপদজনক ভাবে অহা-যোৱাৰ ব্যৱস্থা চলি আছে। এতিয়া গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই কাম গুৰুত্বপূর্ণ সীমান্ত অঞ্চলৰ একমাত্র ৰাস্তাৰ ওপৰত থকা দলং হিচাপে গুৰুত্ব দি প্রয়োজন মতে সীমান্ত উন্নয়ন বিভাগৰ পৰা টকা দি হ'লেও এই কাম অতি সোনকালে কৰাৰ ব্যৱস্থা কৰিব বুলি সদনত আশ্বাস দিব লাগে।

★ শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী মন্ত্রী) ঃ ইতিমধ্যে দহ লাখ এঘাৰ হাজাৰ টকাৰ প্রাক্কলন দাখিল কৰি সেইমতে কাম আৰম্ভ কৰা হৈছে আৰু যোৱা ৮-৩-৯৫ তাৰিখৰ পৰা ঠিকাদাৰে দলঙৰ কাম আৰম্ভ কৰিছে।

★ শ্রীমহিবুল হক ঃ ধুবুৰী জিলাত সর্বমুঠ কিমান দলং এই অৱস্থাত আছে আৰু কিমানৰ নির্ম্মাণৰ কাম আৰম্ভ কৰা হৈছে?

★ শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী মন্ত্রী) ঃ এইটোৰ কাৰণে সুকীয়া প্রশ্ন লাগিব চাৰ।

★ শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ চাৰ, মন্ত্রী মহোদয়ে প্রাক্কলনৰ কথা কৈছে। প্রাক্কলন নোহোৱা কৈ কাম আৰম্ভ কৰিব নোৱাৰে যদিও ৰূপহী সমষ্টিত কাঠৰ দলং নির্ম্মাণ কৰিবলৈ প্রাক্কলন নোহোৱাকৈ মাননীয় মন্ত্রী ৰচিদুল হক ডাঙৰীয়াৰ পুত্র ঠিকাদাৰ এজনে তেনে ভাবে কাম কৰি কার্য্যবাহী অভিযন্তাৰ পৰা টকা আদায়ৰ হেঁচা দি থকা জানেনে? যদি জানে এই অভিযোগ তদন্ত কৰি ব্যৱস্থা

গ্রহণ কৰিবনে?

★ **শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী মন্ত্রী)** ঃ এইটো কথা জ্ঞাত নহয়। যদি হয় এইটো কি ধৰণৰ হৈছে তদন্ত কৰিম।

Mr. Speaker : Question No. 67, Questioner Shri Rameswar Dhanowar.

বিষয় ঃ মাটি অবৈধভাবে বিক্রী

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

★ ৬৭। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) বন বিভাগৰ অধীনত থকা বন গাওঁৰ মাটি অবৈধ ভাবে বিক্রী হস্তান্তৰ হোৱা কথা চৰকাৰে অবগতনে?

(খ) যদি হয়, এই চক্রান্ত বন্ধ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে?

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অবগত।

(গ) তেনে অবৈধ হস্তান্তৰ কৰা মাটিৰ বন্দবস্তি বাতিল কৰা হৈছে।

★ **শ্রীৰামেশ্বৰ ধানোৱাৰ** ঃ চাৰ, এই বনগাওঁ যিবিলাক চৰকাৰে সৃষ্টি কৰিছিল তাৰ মূল উদ্দেশ্য কি আছিল আৰু ইয়াৰ কিবা বিধি আছে নেকি সেই বিধিবোৰ মাননীয় মুখ্যমন্ত্রীয়ে কবনে?

★ **শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী)** ঃ অধ্যক্ষ ডাঙৰীয়া, এই বনগাওঁ বিলাক বৃটিছৰ দিনতে কৰা হৈছেল। বনাঞ্চলত কাম কৰিবৰ কাৰণে কিছুমান বনুৱাৰ প্রয়োজন আৰু সেই বনুৱাসকল বন অঞ্চলৰ ওচৰতে থকাৰ কাৰমে কিছুমান গাওঁ পাতি দিছিল।

★ **দেৱান জয়নাল আবেদিন** ঃ চাৰ, তৰাচিন্মিত প্রশ্ন নং ৬৮ মোৰ আছিল কিন্তু যোৱা কালি আপোনাৰ সচিবালয়ৰ পৰা চিঠি এখন দি জনাইছে যে সেই প্রশ্নটো জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নহয় এম-এ-ভি বিভাগৰহে। মই এতিয়া সেইটো এম-এ-ভি বিভাগৰ ফালৰ পৰা ওৰেল প্রশ্ন হিচাপে পাম জানো?

মাননীয় অধ্যক্ষ ঃ মই সেইটো চাম।

(Started Qestion No. 68 was transferred)

বিষয় ঃ পৰিকল্পনাৰ ধন অপৰিকল্পনা শিতানলৈ স্থানান্তৰ।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

★ ৬৯। মাননীয় মুখ্যমন্ত্রী শ্রীযুত হিতেশ্বৰ শইকীয়া মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনৰ বার্ষিক পৰিকল্পনাৰ ধন "পৰিকল্পনা" শিতানৰ পৰা "অপৰিকল্পনা" সিথানলৈ স্থানান্তৰ কৰা কথাটো সঁচানে?

(খ) যদি সঁচা, কিমান পুঁজি "পৰিকল্পনা" শিতানৰ "অপৰিকল্পনা" শিতানলৈ স্থানান্তৰ কৰা হ'ল?

(গ) পৰিকল্পনাৰ ধন অপৰিকল্পনা শিতানলৈ স্থানান্তৰ কৰাৰ বাবে উন্নয়নমূলক কামত ব্যাঘাত হোৱা নাই নেকি?

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা নহয়।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

★ **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ** অধ্যক্ষ মহোদয়, যোৱা বিধান সভাত মাননীয় বিত্ত মন্ত্রী ডাঙৰীয়া এটা কথা কৈছিল যে ১৯৯৩-৯৪ চনৰ পৰিকল্পনাৰ ধন অপৰিকল্পনা শিতানলৈ স্থানান্তৰ কৰা হৈছিল কিন্তু প্রশ্নৰ উত্তৰ হিচাপে এতিয়া মাননীয় মুখ্যমন্ত্রী মহাদয়ে তেনে ভাবে পৰিকল্পনাৰ ধন অপৰিকল্পনাৰ শিতানলৈ স্থানান্তৰ কৰা নাই বুলি কৈছে। এতিয়া মই খাতাংকৈ জানিব বিচাৰিছো তেনে ভাবে পৰিকল্পনাৰ শিতানৰ ধন অপৰিকল্পনা শিতানলৈ স্থানান্তৰ কৰা হৈছি নে নাই?

★ **শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, ১৯৯২-৯৩ চনৰ বার্ষিক পৰিকল্পনাৰ ৰাজ্যখনলৈ আবণ্টন দিয়া ধনৰ পৰিমাণ আছিল ৯৬১.৬২ কোটি টকা। ইয়াৰে ৭৫৮.৫৬ কোটি টকা কেন্দ্রীয় চৰকাৰে উভয়তে কর্ত্তন কৰিছিল। ফলস্বৰূপে সেই বছৰত ৰাজ্যখনৰ পৰিকল্পনাৰ ব্যয়ৰ বাবে ২০৩.১৬ কোটি টকাহে বাকী থাকেগৈ। অথচ সেই বছৰ আমাৰ চৰকাৰে পৰিকল্পনাৰ কাম-কাজৰ বাবে ব্যয় কৰা ধনৰ পৰিমাণ আছিল ৬৪৯.১৫ কোটি টকা। এনেদৰে ১৯৯৩-৯৪ চনৰ বার্ষিক পৰিকল্পনাতো ৰাজ্যখনে আবণ্টন পোৱা ১০২৭ কোটি টকাৰ ভিতৰৰে ৭০৬.৬৮ কোটি টকা উভয়তে কর্ত্তন কৰি ৰখাৰ ৰাজ্যখনৰ পৰিকল্পনাৰ পুঁজি ৩২৩.১৪ কোটি টকাৰে বাকী থাকেগৈ। কিন্তু সেই বছৰো ৰাজ্য চৰকাৰে পৰিকল্পনা শিতানত ৮৫৬.৪৪ কোটি টকা খৰচ কৰিবলৈ সমর্থ হয়। ১৯৯৪-৯৫ বর্ষতো ৰাজ্যখনে আবণ্টন লাভ কৰা মুঠ ১০৫১ কোটি টকা পৰিকল্পিত ধনৰ ভিতৰত কেন্দ্রীয় চৰকাৰে ৭৩৪.২০ কোটি টকা উভয়তে কর্ত্তন কৰে। ফলত পৰিকল্পনা ব্যয়ৰ বাবে ৰাজ্যখনলৈ বাকী থাকিব মাত্র ৩১৪.৮০ কোটি টকাহে।

★ **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে যিখিনি কথা কৈছে তাৰ পৰিপ্রেক্ষিতত ১৯৯৩-৯৪ চনত যেতিয়া বিগত বিধান সভা বাজেট অধিবেশনত মাননীয় বিত্ত বিভাগৰ মন্ত্রী ডাঙৰীয়াই পৰিকল্পনাৰ টকা অপৰিকল্পনা শিতানলৈ নিয়া বুলি স্বীকাৰ কৰিছে। কিন্তু কি ভিত্তিত পিচত

অস্বীকাৰ কৰিলে, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো। ১৯৯৪-৯৫ চনত গড়কাপ্তানি বিভাগ দৰ্মহা দিবৰ কাৰণে ২৩ কোটি টকা পেঞ্চনৰ পৰা ননপেঞ্চনলৈ নিছে।

★ **শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই খৰচৰ হিচাপৰ পৰা কৈছো যে কেন্দ্রীয় চৰকাৰে বিত্ত বিভাগে আমাৰ পেঞ্চনৰ টকা কটাৰ পিচতো নিশ্চয় অধিক টকা খৰচ কৰিছে। পৰিকল্পনাৰ টকাটো শেষ হোৱা নাই। ৩১ মার্চলৈ সময় আছে। আমি কেন্দ্রীয় চৰকাৰৰ পৰা ৯০৫১ কোটি টকা পাইছো।

★ **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, খৰচৰ কথাটো সুকীয়া। মোৰ প্রশ্নটো হৈছে পৰিকল্পনাৰ ধন অপৰিকল্পনা শিতানত হস্তান্তৰ কৰা হৈছে। পি, ডব্লিউ, ডি,-ৰ পৰা ২৩ কোটি টকা অপৰিকল্পনা শিতানলৈ নি ১৯৯৪-৯৫ চনত এই টকাটো দৰ্মহা দিয়া হৈছিল নে নাই?

★ **শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইটো হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে ১৯৯২-৯৩ বর্ষৰ বার্ষিক পৰিকল্পনাত ৰাজ্যখনলৈ আবণ্টন দিয়া ধনৰ পৰিমাণ আছিল ৯৬১.৭২ কোটি টকা। ইয়াৰে ৭৫৮.৫৬ কোটি টকা কেন্দ্রীয় চৰকাৰে উভয়কে কর্ত্তন কৰিছিল। ফলস্বৰূপে সেই বছৰত ৰাজ্যখনত পৰিকল্পনাৰ ব্যয়ৰ বাবে ২০৩.১৬ কোটি টকাহে বাকী থাকেগৈ। অথচ সেই বছৰ আমাৰ চৰকাৰে পৰিকল্পনাৰ কাম-কাজৰ বাবে ব্যয় কৰা ধনৰ পৰিমাণ আছিল ৬৪৯.১৫ কোটি টকা। একেদৰে ১৯৯৩-৯৪ বর্ষৰ বার্ষিক পৰিকল্পনাতো ৰাজ্যখনে আবণ্টন পোৱা ১০২৭ কোটি টকাৰ উত্তৰ যে ৭০৬.৬৮ কোটি টকা উভয়তে কর্ত্তন কৰি ৰখাত ৰাজ্যখনৰ পৰিকল্পনাৰ পুঁজি ৩২৩.১৪ কোটি টকাহে বাকী থাকেগৈ। গতিকে প্রশ্নটো উঠিব নোৱাৰে। টেম্পৰেৰিকে বিভাগত কেনেকে ভাগ কৰিলে এইটো চাব লাগিব।

★ **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, পেঞ্চনৰ টকা ননপেঞ্চনলৈ নিয়া হৈছে নেকি? এই বিষয়ে মাননীয় মুখ্য মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ এই বিষয়ে সদনত দিয়া হৈছে।

★ **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন বিভাগত কাম নোহোৱাৰ খটিয়ান দাঙি ধৰা হৈছে। পেঞ্চনৰ টকা ননপেঞ্চনলৈ গৈছে। টকা নোহোৱাৰ কাৰণে কাম কৰিব পৰা নাই। এতিয়া মাননীয় মন্ত্রী মহোদয়ে জনাব লাগে যে পৰিকল্পনা শিতানৰ পৰা অপৰিকল্পনা শিতানলৈ হস্তান্তৰ কৰা হৈছে নে নাই?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই আগতে উত্তৰত কৈছো— (ক) সঁচা নহয়। (খ) প্রশ্ন নুঠে।

★ ডঃ জয়নাথ শর্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৩-৯৪ চনৰ পৰিকল্পনাৰ কিমান ৰেভিনিউ ডিপোজিটত ৰখা হৈছে? পৰিকল্পনাৰ টকা কিয় খৰচ কৰা নাছিল? ১৯৯৪-৯৫ চনত কিমান টকা ৰেভিনিউ ডিপোজিটত ৰাখিছে?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা বছৰ ৩১ মার্চৰ সময়ত কিছু টকা ৰেভিনিউ ডিপোজিটত ৰখা হৈছিল সঁচা। কিন্তু সেই টকা পিচত সম্পূর্ণকৈ উলিয়াই দিয়া হৈছে। যোৱা বছৰ কেন্দ্রীয় চৰকাৰে যিটো টকা পেঞ্চনিং কমিশ্যনত ধার্য্য কৰিছিল, ১৯৯৪-৯৫ বর্ষতো ৰাজ্যখনে আবণ্টন লাভ কৰা মুঠ ১০৫১ কোটি টকা পৰিকল্পনা ধনৰ ভিতৰত কেন্দ্রীয় চৰকাৰে ৭৩৪.২০ কোটি টকা উভয়তে কর্ত্তন কৰে। ফলত পৰিকল্পনা ব্যয়ৰ বাবে ৰাজ্যখনলৈ বাকী থাকিল মাত্র ৩১৪.৮০ কোটি টকাহে। এতিয়া আমি ১০৫১ কোটি টকাহে খৰচ কৰিম।

★ শ্রীযতীন মালি ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰৰ ৩১ মার্চৰ ৰেভিনিউ ডিপোজিটৰ সম্পূর্ণ টকা উলিয়াই দিয়া হোৱা নাই।

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, লাহে লাহে উলিয়াই আছো।

(Started Question No. 70, was deferred)

Speaker : Now Question No. 71. Shri Karendra Basumatary, Minister P.W.D. to reply.

Ref : Improvement of Roads.

Shri Karendra Basumatary asked :

★ 71. Will the Minister of PWD., (Plains) be pleased to state :

(a) Whether the Government is aware of several numbers of the damaged P.W.D. Roads in the panery Legislative Assembly constituency in Darrang District which require improvement by may of earthfilling, raising, gravelling surfacing, metalling and blacktopping and whether the same will be taken-up with in this financial year for 1995-96?

(b) If so, whether Government will take-up the following P.W.D. Roads in the Panery constituency, Darrang District to improve of all these

roads under MNP. OMNP, FDR etc. schemes? i.e.-

(i) Rangla– Dimakuchi Road,

(ii) Khagrabari– Attarikhat Road,

(iii) Khoirabari– Barebgajuli Road,

(iv) Orangajuli– Dimakuchi-Barengajul Road,

(v) Bhergaon– Ramgaon Road,

(vii) Khoirabari– Rowmari Road,

(viii) Mongaldoi– Bhutiachang Road,

(ix) Udalguri– tamulpur (U.T. Road) state Highway Road,

Shri Sarat Borkataky (Minister of State, U.W.D. (Plains) replied :

(a) Yes, Improvement of those roads will be taken-up during 1995-96 depending upon the availability of fund.

(b) Does not arise in view of the reply at (a) above.

★ শ্রীকৱেন্দ্র বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিভাগীয় মন্ত্রী মহোদয়ে কেইটামান ৰাস্তা পার্ট বাই পার্ট বনাবৰ কাৰণে আঢ়ৈ লাখ টকা খৰচ কৰিবৰ কাৰণে নিবিদা আহ্বান কৰি গ্ৰহণ কৰিছিল। টংলা, ডিমাকুছিৰ ৰাস্তা, ৰামগৰ্ভ পি. ডব্লিউ, ডি, বৰনদীৰ যিখন দলং আছে সেইখন মেৰামতি কৰা হোৱা নাই। দৰং জিলাৰ ৰঙিয়া আৰু তামুলপুৰত যিখন দলং আছে, সেইখনৰ কাৰণেও নিবিদা গ্ৰহণ কৰা বুলি জানিব পাৰিছো। তাৰ ঠিকাদাৰ শ্রীশ্যাম চন্দ্র আগৰৱাল। কেতিয়া কাম কৰিবৰ কাৰণে নির্দ্দেশ দিব মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ এইটো প্রশ্নৰ উত্তৰ দিব নোৱাৰে। আপোনাক কি লাগে কওক।

★ শ্রীকৱেন্দ্র বসুমতাৰী ঃ দৰং জিলাত যিবিলাক ৰাস্তা বেয়া হৈ আছে সেইবিলাক মেৰামতি কৰিবৰ কাৰণে মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ ঃ আপোনাক কোৱা হৈছে ১৯৯৫-৯৬ত কাম আৰম্ভ হ'ব। এতিয়া আপুনি কি বিচাৰিছে?

★ শ্রীকৱেন্দ্র বসুমতাৰী ঃ দৰং জিলাত যিবিলাক ৰাস্তা য়ো হৈ আছে সেইবিলাক মেৰামতি কৰিবৰ কাৰণে মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ ঃ আপোনাক কোৱা হৈছে ১৯৯৫-৯৬-ত কাম আৰম্ভ হ'ব। এতিয়া আপুনি কি বিচাৰিছে?

★ শ্রীকৱেন্দ্র বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ লাগে।

★ শ্রীশৰৎ ৰৱকটকী (গড়কাপ্তানী মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীকে ৭ টা ৰাস্তাৰ কথা কৈছে। মাননীয় অধ্যক্ষ মহোদয়ে অনুমতি দিলে গাই দিব পাৰো।

i) Tangla-Dimakuchi Road : Improvement of 2 (two) nos. of bridges on this road has been taken up under Special Repairs Grant during 1994-95, for an amount of Rs. 2.15 lakhs. On the otherhand, the improvement of this roads is included in the world Bank Project and it is expected that the works will be sanctioned during 1995-96.

ii) Khagrabari–Attarikhat Road : As per PWD's record, the actual name of the road is Bhergaon Atherighat Road. the works of improvement of this road will be taken-up during 1995-96 depending upon the availability of fund.

iii) Borongajuli-Khoirabari Road : Improvement of Bridge No. 14/2 and 15/1 of this road are taken up under Special Repairs Grant and it is expected that the works will be completed soon. Another Bridge along with schemes for improvement of 1 km. of this road have been taken included under OMNP during 1994-95 and it is expected that the same will be sanctioned during 1995-96.

iv) Orongajuli Dimakuchi Borongajuli Road : Scheme for improvement of this roads has been included under World Bank Project and it is expected that the scheme will be sanctioned during 1995-96.

v) Bhergaon Ramgaon Road : Improvement of 11 nos of bridge under Special Repairs Grant have been included during 1994--95 and it is expected that the works will be completed soon.

vi) Badalpara Boraongajuli Road : there is no such road in the books of PWD, in Mangaldoi Road Division.

vii) Mongaldoi Bhutiachang Road : Improvement of 7 nos. of Bridges under Special Repairs Grant alongwith improvement of one bridge under OMNP have been imcluded during 1994-95.

viii) Khoirabari Rowmari Road : One bridge for improvement of this road has been included under OMNP during 1994-95.

*** Speech not corrected**

ix) Udalguri Tamulpur Road : Improvement of this road will be taken up during 1995-96 depending upon the availability of fund. ইতিমধ্যে নবেম্বৰৰ পৰা কাম আৰম্ভ কৰিব পাৰিম।

ডঃ জয়নাথ শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, একচুৱেল ৰোড্‌টোৰ নাম কি?

শ্রীশৰৎ বৰকটকী (মন্ত্রী) ঃ ডেৰগাওঁ। ৫০ লাখ টকা দিয়া হৈছে। ইতিমধ্যে কাম আৰম্ভ কৰা হ'ব।

★ **শ্রীকৰেন্দ্র বসুমতাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বাকোজুলি ৰোড, গুৱেঙ্গা জুলি ৰোজ, ডিমাকুছি ঔৰঙ্গজুলি ৰোড আদি ৰাস্তাবিলাক আছে বুলি মন্ত্রী মহোদয়ে জানেনে? বর্ত্তমান কি ব্যৱস্থা লোৱা হৈছে মন্ত্রী মহোদয়ে জানেনে? বর্ত্তমান কি ব্যৱস্থা লোৱা হৈছে মন্ত্রী মহোদয়ে জনাব নে?

★ **শ্রীশৰৎ চন্দ্র বৰকটকী (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বর্ত্তমান পি, ডব্লিউ, ডি, ৰেকর্ডত নাই। অনুসন্ধান কৰি উত্তৰ দিম।

★ **ডাঃ জয়নাথ শর্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মঙ্গলদৈ মহকুমাৰ পশ্চিম অঞ্চলৰ মেজৰ ৰাস্তা মঙ্গলদৈ খৈৰাবাৰী ৰাস্তাৰ বাহিৰে এটাও ৰাস্তা ভাল নহয় বাকী সকলোবিলাক ৰাস্তাই বেয়া। এই ৰাস্তাবিলাক মটৰেবল কৰাৰ ব্যৱস্থা মন্ত্রী মহোদয়ে ল'বনে?

★ **শ্রীশৰৎ চন্দ্র বৰকটকী (মন্ত্রী)** ঃ ইতিমধ্যে আমি ৰাস্তা আৰু দলংৰ মেৰামতিৰ বাবে ডিচট্রিকটত টকা দিছো। এই ৰাস্তাকেইটা সুমুৱাই লৈছে। যদি লোৱা নাই লোৱাৰ ব্যৱস্থা কৰিম।

★ **শ্রীনকুল দাস** ঃ যিটো ৰাস্তা শ্রীজিউৰাম বড়ো আৰু মোৰ সমষ্টিতো পৰে সেইটো ভাল কৰাৰ কিবা ব্যৱস্থা লৈছেনে? (সদনত গণ্ডগোল)

★ **শ্রীশৰৎ চন্দ্র বৰকটকী (মন্ত্রী)** ঃ ইতিমধ্যে আমি দলঙৰ কাৰণে ২ কোটি ৬০ লাখ টকাৰ ভিতৰত ৮৬৬৭ টকা ডি, চি,ৰ আণ্ডাৰত দিছো। দাস ডাঙৰীয়াই যিটো কথা কৈছে ব্যৱস্থা গ্রহণ কৰিম।

★ **শ্রীচন্দ্র মোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ লগতে ৰিলেটিভ কথা এটি ক'ব বিচাৰিছো। আৰু মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো। বর্ত্তমান ৰাস্তা-ঘাট, দলং আদিৰ কাম কৰিম বুলি কৈ আছে। মন্ত্রী মহোদয়ে সদনত নিশ্চয় মিছা কোৱা নাই। নলবাৰী, ধুবুৰী, ডিব্রুগড়, সমগ্র অসমৰে ঠিকাদাৰসকলে বাহিৰত ধর্ণা দি আছে। তেওঁলোকক চৰকাৰৰ পৰা টকা দিয়া নাই কাৰণে কাম কৰিব পৰা নাই। আজি তিনি বছৰে চৰকাৰে নিবিদা দিছে কিন্তু আগৰ বাকী থকা

টকা নিদিয়া কাৰণে কাম কৰা নাই। এই টকাবিলাক আদায় দিব নে নিদিয়ে আগতেও তেওঁলোকে যিহেতু কাম কৰা নাই এইবাৰো কাম কৰিব বুলি আশা কৰিব পৰা নাই। দুই নং প্ৰশ্নটো হ'ল গুৱাহাটী, হাজো, বৰপো ৰাস্তাটোত তিনিখন বাছ দুৰ্ঘটনা হৈ বহুত মানুহ মৰিছে। গোলক ৰাজবংশী মন্ত্ৰী হৈ থাকোতে হায়েষ্ট টকা ধৰা বুলি কৈছিল এইবাৰ মন্ত্ৰীয়ে এই ৰাস্তাকেইটাৰ কাৰণে কিমান টকা ধৰিছে জনাবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো কথা সত্য যে ঠিকাদাৰসকলে কিছু টকা পাইছে। তেওঁলোকক টকা দি আছো। দ্বিতীয় কথাটো হ'ল যে এতিয়া ঠিক কৰিছো কেইটামান ডিপার্টমেণ্ট গড়কাপ্তানী, জলসিঞ্চন, বাণ নিয়ন্ত্ৰণ আদি বিভাগত টকা সম্পূৰ্ণকৈ ঢকা ধৰিছো। কিন্তু বিষয়াসকলে ধাৰ মাৰি থাকে। এইবাৰ অসমৰ যিমানবিলাক ৰাস্তা আছে শদিয়াৰ পৰা ধুবুৰীলৈকে আৰু দলং আছে সকলো বিলাকৰে আমি হিচাপ বিচাৰিছো। কিমানখিনি টকা লাগিব সেইটো বিচৰা হৈছে। গোটেইখিনি ৰাস্তা দলং মেৰামতিৰ কাৰণে গড়কাপ্তানী বিভাগে ৬১ কোটি টকা বিচাৰিছিল। সম্পূৰ্ণ দিয়া হৈছে। এই টকাৰ পৰা ২১ লাখ টকা দিয়া হৈছে ডি, চি,ক মনিটৰ কৰিবলৈ দিয়া হৈছে। যিখিনি গড়কাপ্তানী বিভাগে বিচাৰিছে সম্পূৰ্ণ দিয়া হৈছে। ৯ কোটি নহয় ৭ কোটি টকাহে ৰেভিনিউ ডিপোজিটত দিয়া হৈছে।

☆ **শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰী মহোদয়ে, ৯ কোটি নহয় বুলি কৈছে। ৭ কোটিয়েই হওখ বা ৫ কোটিয়ে হওক পৰ্যায়ক্ৰমে দিয়াৰ ব্যৱস্থা কৰিব নেকি? দ্বিতীয়তে, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে ৰাস্তা মেৰামতিৰ কাৰণে যিমান টকা বিচাৰিছে সেই টকা মুকলি কৰি দিয়া হৈছে মই অলপতে শিৱসাগৰলৈ গৈছিলো। মই সোধাত তেওঁলোকে জনালে তিনি টকাৰ টাইত ৩৫ নে ৪০ লাখ টকা দিছে। সেই কাৰণে মেৰামতিৰ কাৰণে যিমান খিনি টকাৰ দৰকাৰ সিমানখিনি টকা তৎকালীন কোনে বিলম্ব নকৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। বৰ্ষা আহিলে তাত কাম কৰিব নোৱাৰি। গতিকে এপ্ৰিল মাহৰ আগতে কৰি পৰাকৈ ব্যৱস্থা কৰিব লাগে। সকলোখিনি টকা নিদি সেই বিভাগৰ টকা ৰেভিনিউ ডিপোজিটত থ'ব বিচাৰিছে নেকি?

☆ **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ** শিৱসাগৰত সম্পূৰ্ণ টকা দিয়া হৈছে। এক কোটি টকা ডি, চি,ক মনিটৰ কৰিবলৈ দিয়া হৈছে। শিৱসাগৰত তিনি কোটি টকা দিয়া হৈছে এক কোটি টকা ৰেভিনিউ ডিপোজিটত। মই নিজে গৈ দেখিছো যে দলং সমূহৰ কাম হোৱা নাই। গতিকে দলংৰ কাম প্ৰাইৰটি দিছো।

* Speech not

শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ হাজো নলবাৰী ৰাস্তাটো কি হ'ব?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ চাই আছো।

শ্রীদিলীপ শইকীয়া সোনোৱাল ঃ ধেমাজী মহকুমাৰ কি ব্যৱস্থা কৰিছে?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ আপোনাৰ সমষ্টিত ৮ কোটি টকা দিছো।

শ্রীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, ৩৭ নং হাইওৱে পথটোৰ বিজয় নগৰৰ অধিক অংশ ভাল নকৰাৰ কথা কিবা আছে নেকি? যদি কৰে কেতিয়া কৰিব?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ ইয়াৰ ডিটেইলটো কালিলৈ গৰ্ডনৰ এড্রেচৰ ৰিপ্লাইড কম।

(Starred Question Nos. 72 to 76 and 78 to 80 could nt be taken up for disposal as the Question Hour was over. However the replies of the said Questions were deemed to have been laid on the table of the House)

বিষয় ঃ পানীয় জল প্রকল্প নির্মাণ।

★ ৭২। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি?

ক) পাথার কান্দি সমষ্টিতে ৯৪-৯৫ ইং বৎসরে নূতন কতটি পানীয় জল প্রকল্প নির্ম্মাণের লক্ষ্য নির্দ্ধারিত করা হইয়াছে এবং তাহাদের নাম কি?

খ) আংশিক নির্মিত ও বিকল প্রকল্প গুলি তৈরী বা মেরামতি করার ব্যৱস্থা করা হইবে কি এবং কখন?

গ) ডিজেলৰ অভাবে মধ্যে মধ্যে জল সরবরাহ বন্ধ থাকে, নতুবা একদিন মধ্যে বাদ দিয়ে জল সরবরাহ করা হয়, ইহা চরকার অবগত আছেন কি?

ঘ) যদি অবগত, তবে নিয়মিত ভাবে পানীয় জল সরবরাহ করার ব্যৱস্থা গ্রহণ করিবেন কি?

শ্রীদিনেশ প্রসাদ গোৱালা ঃ (জনস্বাস্থ্য কারিকরী বিভাগের) মন্ত্রীয়ে উত্তৰ দিছে ঃ

ক) পাথার কান্দি সমষ্টিতে ৯৪-৯৫ ইং বৎসরে নতুন অনুমোদিত পানীয় জল প্রকল্প নির্মাণের কাজ হাতে নেওয়া হইয়াছে। যথা ঃ (১) ৩৫ টি জলকূপ (২) ১৪ টি মার্ক টু হেণ্ড পাম্প। নামের তালিকা সঙ্গে দেওয়া হয়ছে। (See Annexure–III)

খ) আংশিক নির্মিত পাইপ সংযোগ প্রকল্প গুলি সম্পূর্ণ করার জন্য পর্য্যায় ক্রমে ব্যবস্থা দেওয়া হইয়াছে। ১৯৯৪-৯৫ ইং বৎসরে বিকল বিকল ৪ টি জল প্রকল্পের কাজ সমাধান করার লক্ষ্য মাত্রা ধার্য্য করা হইয়াছে। বিকল ২ টি প্রকল্প চালু

করার বন্দোবস্ত করা হইয়াছে।

গ) চরকার অবগত।

ঘ) সীমিত পুজিৰ মাধ্যমে পর্য্যায় ক্রমে নিয়মিত ভাবে পানীয় জল সরবরাহের ব্যৱস্থা গ্রহণ করা হইবে।

বিষয় ঃ ধন মঞ্জুৰী

শ্রীজীউৰাম বড়োহি সুধিছে ঃ

★ ৭৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে।

ক) জনস্বাস্থ্য কাৰিকৰী বিভাগ ইং ১৯৯১-৯২ ইং ১৯৯২-৯৩, ১৯৯৩-৯৪ আৰু ইং ১৯৯৪-৯৫ চনত দৰং জিলাত কিকি শিতানৰ পৰা কি কি আঁচনিৰ বাবে কিমান পৰিমাণকৈ ধন মঞ্জুৰী কৰা হৈছিল?

খ) এই মঞ্জুৰী ধনৰ দ্বাৰা আঁচনিবোৰৰ কাম সম্পাদন হ'লনে?

গ) যদি হ'ল কি কি আঁচনি সম্পাদন কৰা হ'ল আৰু কোনবোৰ আঁচনিত কিমান ধন ব্যয় কৰা হ'ল? যদি হোৱা নাই, তাৰ কাৰণসমূহ জনাবনে?

শ্রীদিনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) দৰং জিলাত ইং ১৯৯১-৯২, ইং ১৯৯২-৯৩, ইং ১৯৯৩-৯৪ আৰু ইং ১৯৯৪-৯৫ বছৰত বিভিন্ন শিতানত পানী যোগান আঁচনিত তলত উল্লেখ কৰা ধৰণে ধন মঞ্জুৰী কৰা হৈছিল—

(টকা লাখৰ হিচাপত)

শিতান	১৯৯১-৯২	১৯৯২-৯৩	১৯৯৩-৯৪	১৯৯৪-৯৫
এম, এন, পি	৫৯.৩১	৬৩.২৬	৫০.১৫	৭০.৭৬
টি, এচ, পি	১৪২.৩৭	৬২.৮১	৭০.৯৯	৮৩.৭৫
এচ, চি, চি, পি	১০.০০	১৪.৫১	১৪.০০	১৯.৮৪
এ, আৰ, পি	১৩৯.৭৮	৩৯.৩০	১৪০.৭১	৮৫.৯৯

খ) এই মঞ্জুৰী হোৱা ধনৰ দ্বাৰা আঁচনিবোৰৰ কাম পর্য্যায় ক্রমে সম্পাদন কৰি থকা হৈছে।

গ) উক্ত সময়ছোৱাত বর্ত্তমানলৈ বিভিন্ন শিতানত ব্যয়ৰ অনুপাতে কৰা কামৰ খতিয়নে তলত দিয়া ধৰণৰ ঃ

(টকা লাখৰ হিচাপত)

শিতান	খৰচৰ পৰিমাণ	কামৰ খতিয়ান
এম, এন, পি	২০৯.৯৮	২৯ টা পাইপ যোগে পানী যোগান ধৰা আঁচনিৰ কাম কৰি থকা হৈছে আৰু ৩২২ টা

		হস্ত চালিত নলী-নাদ, ২ টা পকী কুৱা আৰু ৬ টা মার্ক টু নির্মাণ কৰা হৈছে।
টি, এচ, পি	২৪০.১৫	৩৫ টা পাইপ যোগে পানী যোগান ধৰা আঁচনিৰ কাম কৰি থকা হৈছে আৰু ৯৫ টা হস্ত চালিত নলী-নাদ, ৫ টা পকী কুৱা, ১১ টা মার্ক টু নির্মাণ কৰা হৈছে।
এচ, চি, চি, পি	৪৪.১৭	৯১ টা হস্তচালিত নলী-নাদ, ১৩ টা পকী কুৱা আৰু ২১ টা মার্ক টু নির্মাণ কৰা হৈছে।
এ, আৰ, পি	৩১৮.৩২	৫৭ টা পাইপ যোগে পানী যোগান ধৰা আঁচনিৰ কাম কৰি থকা হৈছে। ২৫ টা মার্ক টু আৰু ৬৭ টা লৌহ নিষ্কাষক প্রকল্প নির্মাণ কৰা হৈছে।

বিষয় ঃ পৰিকল্পনা শিতানৰ ধন।

শ্রীশশকমল সন্দিকৈয়ে সুধিছে ঃ

★ ৭৪। মাননীয় পৰিকল্পনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

ক) ১৯৯১-৯২, ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ পৰিকল্পনা শিতানৰ মুঠ কিমান ধন কেন্দ্রীয় চৰকাৰে অসম চৰকাৰক নগদ আদায় দিছিল?

খ) উক্ত বছৰকেইটাত Central Sector scheme আৰু Centrally Sponsored Scheme-ৰ পৰিমাণ কিমান ধার্য্য কৰা আছিল আৰু তাৰ কিমান টকা খৰচ কৰা হল (আঁচনি ক্রমে হিচাপ দিব)?

গ) এই বছৰকেইটাত NEC Scheme-ৰ কিমান টকা অসমৰ অঞ্চলত খৰচ কৰা হ'ল?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ১৯৯১-৯২ চনত ৫৯৪-৪৮ কোটি টকা, ১৯৯২-৯৩ চনত ২২৭.৬২ কোটি টকা আৰু ১৯৯৩-৯৪ চনত ৩১৫.৬৫ কোটি টকা কেন্দ্রীয় চৰকাৰে পৰিকল্পনা শিতানত অসম চৰকাৰক আদায় দিছিল।

খ) উক্ত বছৰকেইটাৰ হিচাপ সংশ্লিষ্ট বিভাগৰ পৰা বিচৰা হৈছে আৰু অতি সোনকালে সদনত উপস্থাপিত কৰা হ'ব।

গ) এই বছৰকেইটাৰ হিচাপ সংশ্লিষ্ট বিভাগৰ পৰা বিচৰা হৈছে আৰু অতি সোনকালে সদনত উপস্থাপিত কৰা হ'ব।

বিষয় ঃ গড়কাপ্তানী বিভাগৰ পথ আৰু দলং মেৰামতি সম্পৰ্কে।

মৌলানা আব্দুল জলিল ৰাগিৰীয়ে সুধিছে ঃ

☆ ৭৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মোৰাকৰ পৰা চিতলমাৰীলৈ যোৱা গড়কাপ্তানী ৰাস্তাৰ চৰম দুৰৱস্থাৰ কথাটো চকাৰে জানেনে? যদি জানে তেন্তে ৰাস্তাটোৰ মেৰামতি আৰু উন্নতিৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে আৰু ইয়াৰ বাবে কিমান টকা বাবদ কৰিছে? উক্ত ৰাস্তা মেৰামতিৰ কাম কেতিয়া আৰম্ভ কৰা হ'ব?

খ) দৰকা যমুনা মুখ ৰাস্তাৰ চৰম দুৰৱস্থাত যান-বাহন চলাচল প্ৰায় বন্ধ হৈ থকাৰ কথাটো চৰকাৰে জানে? যদি জানে তেন্তে কি ব্যৱস্থা চৰকাৰে হাতত লৈছে? ৰাস্তা আৰু দলং মেৰামতিত কিমান টকা চৰকাৰে বাবদ কৰিছে?

গ) বৌৰাব পাৰ হলদী আটি P.W.D. ৰাস্তাত যমুনা গাওঁৰ ওচৰত থকা দলংখনৰ জৰাজীৰ্ণ অৱস্থাৰ কথা চৰকাৰে জানেনে? যদি জানে তেন্তে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

শ্ৰীশৰত বৰকটকী ঃ (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) মৌৰাকৰ চিতলমাৰী গড়কাপ্তানী ৰাস্তাৰ বৰ্ত্তমান শোচনীয় অৱস্থাৰ কথাটো চৰকাৰে জানে। ৰাস্তাটোৰ মেৰামতিৰ বাবদ ৫.২৮ লাখ টকা অনুমোদন দিয়া হৈছে। মেৰামতিৰ কাম সোনকালে আৰম্ভ হোৱাৰ আশা আছে।

খ) হয়, জানে। ৰাস্তাৰ মেৰামতিৰ কাম আৰু দলং মেৰামতিৰ কাম চলি আছে। মেৰামতিৰ বাবদ ১৫.৯০ লাখ টকাৰ অনুমোদন দিয়া হৈছে।

গ) হয়, জানে। দলংখনৰ মেৰামতিৰ কাম সোনকালে আৰম্ভ কৰাৰ প্ৰস্তুটি চলোৱা হৈছে।

বিষয় ঃ ৰাস্তা আৰু দলং মেৰামতি।

শ্ৰীপানীৰাম ৰাভাই সুধিছে ঃ

★ ৭৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে আনুগ্ৰহ কৰি জনাবনে?

ক) বৰমা, খেৰকুছি (মেৰকুছি) বড়শিমলুৱা (বৰশিমলুগুৰি) বাগানপাৰা "পি, ডব্লিউ, ডি" পথটো যাতায়তৰ অনুপযোগী হৈছে নেকি আৰু উক্ত পথটোত কেইখন কাঠৰ দলং মেৰামতিৰ প্ৰয়োজন হৈছে?

খ) ধমধমা খাগ্ৰাবাৰী, বাগানপাৰা, নয়াবস্তি শুৱনখাটা "পি, ডব্লিউ, ডি," পথটো যাতায়তৰ বাবে অনুপযোগী হৈছে নেকি? ধমধমা থানাৰ ওচৰত কাঠৰ দলং আহতগুৰিৰ ওচৰত কাঠৰ দলং মেৰামতিৰ প্ৰয়োজন নেকি?

গ) উক্ত দুয়োটা "পি, ডব্লিউ, ডি," পথ অহা এপ্ৰিল মাহৰ ভিতৰতে মেৰামতিৰ ব্যৱস্থা

ল'বনে?

শ্রীশৰৎ ৰৱকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হয়। বৰমা, খেৰকুছি (মেৰকুছি) বড়শিমলুৱা (ৰৰশিমলুগুৰি) বাগানপাৰা গড়কাপ্তানী পথটো বর্ত্তমান যাতায়তৰ অনুপযোগী হৈ আছে। উক্ত পথটোত মুঠ ৪ (চাৰি) খন দলং মেৰামতিৰ প্রয়োজন।

খ) হয়। ধমধমা, খাগ্রাবাৰী, বাগানপাৰা, নয়াবস্তি শুৱনখাটা পথটো বর্ত্তমান যাতায়তৰ বাবে অনুপযোগী হৈ আছে। ধমধমা থানাৰ ওচৰৰ কাঠৰ দলংখন (১৪।৩) আৰু আহতগুৰিৰ দলং (৭।২) মেৰামতিৰ প্রয়োজন হৈছে।

গ) হয়। মেৰামতিৰ ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে।

(Starred Question No. 77, was deferred)

বিষয় ঃ পকী দলং নির্মাণ আঁচনি গ্রহণ।

শ্রীনগেন শর্মাই সুধিছে ঃ

★ ৭৮। মাননীয় ৰাজ্যিক গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ৰঙিয়া, ধমধমা গড়কাপ্তানী পথৰ কেম্পবাটৰ পাগলদিয়া নৈৰ ওপৰত পকী দলং নির্মাণৰ আঁচনি গ্রহণ কৰা হৈছেনে?

খ) যদি হোৱা নাই, ১৯৫-৯৬ চনত দলং নির্মাণৰ বাবে আঁচনি গ্রহণ কৰা হ'বনে?

গ) "অল্ড, এন, টি, ৰোড"ৰ নলবাৰী চহৰৰ একমাত্র সংযোগ পথৰ পাগলদিয়া নৈৰ দলংখনৰ কিছু অংশ বহি যোৱাটো বিভাগীয় মন্ত্রী মহোদয়ে জানেনে?

শ্রীশৰৎ ৰৱকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) বর্ত্তমানলৈ উক্ত গড়কাপ্তানী পথৰ কেম্পবাটৰ পাগলদিয়া নৈৰ ওপৰত পকী দলং নির্মাণৰ কোনো বিভাগীয় আঁচনি লোৱা নাই।

খ) উক্ত দলংখনৰ নির্মাণৰ বাবে ১৯৯৫-৯৬ চনৰ বাবে এতিয়ালৈ কোনো ধৰণৰ আঁচনি গ্রহণ কৰা হোৱা নাই।

গ) হয়, জনা আছে।

Re : Illegal felling of trees in the Khoraghat Range under Dhubri Division.

Shri Giasuddin Ahmed asked :

★ 79. Will the Minister Forest be pleased to state :

A. Whether Govt. has received a public representation to the effect that the Forest under Khoraghat Range in Dhubri Division is at the verge of total destruction due to illegal felling and smuggling of trees by

anti-social elements who are alleged to have been functioning since long in colaboration with present Range Officer concerned.

B. If so, what action is taken in this regards?

Shri Hiteswar Saikia (Chief Minister) replied :

A. Yes.

B. The Principal Chief Conservator of Forests, Assam has been asked to enquire into the matter and submit a report.

In the meantime, the forest patrolling has been intensified with the limited staff and infrastructure by deputing Forest Protection squad attached to Divisional Head Quarter to check the illicit removal of forest produce. Also the N.G.O.s and Voluntary Organisations has been motivated to bring awarness among the people for protection of forests.

বিষয় ঃ পানী যোগান আঁচনি।

শ্রীপ্রমিলা ৰাণী ব্রহ্ম আৰু শ্রীমিলন বড়োই সুধিছে ঃ

★ ৮০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ৰাজ্যখনত ১৯৯৪-৯৫ বিত্তীয় বর্ষলৈ যথাক্রমে 'জেনেৰেল এৰিয়া, টি, এচ, পি, এৰিয়া আৰু এচ, পি, এৰিয়া' সমূহত কিমান কিমান 'পাইপ ওৱাটাৰ চাপ্লাই' আঁচনি নির্মাণ কৰা হ'ল আৰু উক্ত আঁচনিসমূহৰ কিমানটা নিয়মীয়া ভাবে যথাক্রমে 'জেনেৰেল এৰিয়া, টি, এচ, পি, এৰিয়া আৰু এচ, পি, এৰিয়া'ত নিয়মীয়া ভাবে পানী যোগান ধৰি আছে আৰু যিবিলাক আঁচনিৰ জৰিয়তে পানী যোগান দিব পৰা নাই তাৰ কাৰণ জনাবনে?

খ) বড়ো আন্দোলনৰ সময় ধ্বংস হোৱা 'পাইপ ওৱাটাৰ চাপ্লাই' আঁচনিসমূহৰ জিলা ভিত্তিত বিতং তালিকা আৰু বর্ত্তমান কোন বিলাক আঁচনিৰ মেৰামতিৰ কাম সম্পূর্ণ কৰা হ'ল তাৰো জিলা ভিত্তিত বিতং তালিকা সদনত দাখিল কৰিবনে?

গ) ১৯৯১-৯২ বিত্তীয় বর্ষত উক্ত ধ্বংস প্রাপ্ত আঁচনিসমূহ মেৰামতিৰ বাবে জনজাতি উপ পৰিকল্পনা শিতানৰ পৰা কিমান কিমান পৰিমাণৰ ধন কোন কোন ডিভিজন'ত আবণ্টন দিয়া হৈছে বিতং তালিকা সহ জনাবনে আৰু ক্বত আবণ্টিত ধন কি কাৰণত বর্ত্তমানলৈ ব্যৱহাৰ কৰিব নিদি ডিপজিট'ত ৰখা হৈছে জনাবনে?

শ্রীদীনেশ প্রসাদ গোৱালা (মন্ত্রী জনস্বাস্থ্য কাৰিকৰী)য়ে উত্তৰ দিছে ঃ

ক) ১৯৯৪-৯৫ বিত্তীয় বর্ষলৈ ৰাজ্যখনত নির্মাণ কৰা আৰু নিয়মিত ভাবে পানী

যোগান ধৰা 'পাইপ ওৱাটাৰ চাপ্লাই' আঁচনিৰ সংখ্যাত তলত উল্লেখ কৰা হ'ল—

শিতান	আঁচনি নির্মাণৰ সংখ্যা	বর্ত্তমান চলি থকা আঁচনিৰ সংখ্যা
১) জেনেৰেল এৰিয়া	১৭৬০	১৫৫৯
২) টি, এচ, পি	৪৩৭	৩৩৫
৩) এচ, চি, চি, পি	৬১	৫৭
৪) পার্বত্য জিলাত	৫৯৮	৪৪১

নির্মাণ কৰা আঁচনি সমূহৰ কিছুমান আঁচনি সময়ে সময়ে বিজুলী যোগান ব্যাহত ডিজেলৰ নাটনি আৰু যন্ত্রপাতি মেৰামতিৰ বাবে বন্ধ থাকে।

খ) বড়ো আন্দোলনৰ সময়ত ধ্বংস হোৱা 'পাইপ ওৱাটাৰ চাপ্লাই' আঁচনিসমূহ আৰু মেৰামতি কৰা আঁচনিসমূহৰ জিলা ভিত্তিক তালিকা গাঠি দিয়া হ'ল।
(See Annesure -IV & V)

গ) ১৯৯১-৯২ বিত্তীয় বছৰত ধ্বংস প্রাপ্ত আঁচনি সমূহৰ মেৰামতিৰ বাবে জনজাতি উপ-পৰিকল্পনা ডিভিজন ভিত্তিক আবণ্টিত ধনৰ তালিকা গাঠি দিয়া হৈছে।
(See Annexure-VI)
সময়ৰ নাটনিৰ বাবে আবণ্টিত ধনৰ কিছু অংশ সেই বিত্তীয় বছৰতে খৰচ কৰিব নোৱাৰা বাবে 'ডিপোজিট'ত ৰখা হৈছিল যদিও পিচৰ বিত্তীয় বছৰবোৰত প্রয়োজন অনুযায়ী বিত্ত বিভাগৰ লগত যোগাযোগ কৰি মোকোলাই আনি মেৰামতি কামত ব্যৱহাৰ কৰি থকা হৈছে।

UNSTARRED QUESTIONS AND ANSWERS

বিষয়ঃ পৰিকল্পনা শিতানৰ ধন অপৰিকল্পনা শিতানলৈ হস্তান্তৰ

শ্রীহিতেশ ডেকাই সুধিছেঃ

১৪৫। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ৰাজ্য চৰকাৰে চলিত বিত্তীয় বর্ষত "পৰিকল্পনা শিতানৰ" ধন "অপৰিকল্পনা শিতান"লৈ হস্তান্তৰ কৰিছে নেকি?

খ) যদি কৰিছে চলিত বিত্তীয় বর্ষত বর্ত্তমানলৈ হস্তান্তৰ কৰা এনে ধনৰ পৰিমাণ কিমান?

গ) ১৯৯১ চনৰ ১ জুলাইৰ পৰা বর্ত্তমানলৈ মুঠতে কিমান টকা "পৰিকল্পনা শিতানৰ" পৰা "অপৰিকল্পনা শিতান"লৈ হস্তান্তৰ কৰা হৈছে? (বিচৰা তথ্য প্রতিটো বিত্তীয় বর্ষৰ বিপৰীতে পৃথককৈ দিব)

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) নাই কৰা।

খ) প্ৰশ্ন নুঠে।

গ) ১৯৯১-৯২ বিত্তীয় বৰ্ষ— ৭৫ কোটি টকা

১৯৯২-৯৩ বিত্তীয় বৰ্ষ— ২২৬ কোটি টকা

১৯৯৩-৯৪ বিত্তীয় বৰ্ষ— কৰা নাই।

১৯৯৪-৯৫ বিত্তীয় বৰ্ষ— কৰা নাই।

Re : Destruction of Forest.

Shri Parameswar Brahma asked :

146. Will the Minister of Forest be pleased to State

a) What steps has been taken up to stop wanton destruction of Forest property of the State of Assam?

Shri Hiteswar Saikia (Chief Minister) replied :

a) The following steps have been taken to stop wanton destruction of Forest property.

1. Patrolling by forest protection squad under all Divisions in R.F. Areas have been intensified.
2. Assam Forest Protection Force have been deployed in vulnerable forest areas to help the forest staff in protection of Forests.
3. Some relevant sections of the Assam Forest Manual Vol. 1891 have been amended by promulgating an ordinance to empower Forest Officers to confiscate vehicles, tools, elephants– etc. involved in Forest offences and by enhancing forest compensation under offence from existing Rs. 50/- to Rs. 5000/-
4. The draft resolution and procedures to take up joint Management by peopls participation in Forest protection and afforestation of degraded forest land is under process of finalisation.
5. By imposing restriction on movement of forest produces in transit along the interstate boundary..

বিষয় ঃ ঠিকাদাৰৰ বকেয়া বিল।

শ্ৰীবদন বৰুৱাই সুধিছে ঃ

১৪৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসম চৰকাৰ গড়কাপ্তানী (পথ) গুৱাহাটী সংমণ্ডলত ১৯৯৪ চনৰ ৩১ ডিচেম্বৰলৈ বিভাগটোৱে ঠিকাদাৰসকলক তেওঁলোকে ইতিমধ্যে সম্পূৰ্ণকৈ সম্পাদন কৰি দিয়া কামৰ বাবদ দিবলগীয়া বকেয়া বাকীৰ টকা কিমান?

খ) ঠিকাদাৰসকলৰ নাম ঠিকনা আৰু প্ৰত্যেকে পাবলগীয়া বকেয়া বাকীৰ টকাৰ তালিকাখন সন্নিবিষ্ট কৰিব?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ১০,৯৯,২৬,৫৬৮.০০ টকা (দহ কোটি নিৰানব্বৈ লাখ চাব্বিশ হাজাৰ পাঁচশ আঠষষ্ঠি টকা)।

খ) আৱশ্যকীয় তালিকাখন বৃহৎ আকাৰৰ হোৱা হেতুকে ইয়াৰ লগত সন্নিবিষ্ট কৰিব পৰা নগ'ল।

(অৱশ্যে, মাননীয় সদস্যৰ জ্ঞাতাৰ্থে, সংশ্লিষ্ট তালিকাখনৰ এটি প্ৰতিলিপি সদনৰ মজিয়াত উপস্থাপন কৰিবলৈ ইয়াৰ লগত গাঁথি দিয়া হ'ল।)

(Unstared Question Nos. 148, 149 were deferred)

Re : Rent of building not paid by P.W.D. (BRC)

Shri Mission Ranjan Das asked :

150. Will the Minister of P.W.D. be pleased to state :

a) Whether the Government had received letter dated 4-8-94 addressed to the Executive Engineer, P.W.D., Border Roads Construction Division, Karimanj with copies to the Security, P.W.D. Assam from Shri Sasanka Sekhar Das, of Azad Sagar Road, Karimganj for payment of rent of building taken by the department?

b) If yes, whether the Government has paid the rent to the owner of the building?

c) If yes, when?

d) If not, state reasons thereof and when it will be paid?

Shri Sarat Barkataky (Minister of State P.W.D. (Plains) replied :

a) Yes.

b) Yes, partly paid.

c) On different dates, last of which was on 31-8-94.

d) The balance amount is being paid from the allocation of the current financial year 1994-95, on release of funds by Finance Department.

বিষয় ঃ চন্দ্রপুৰৰ কলং নদীৰ ওপৰত দলং

শ্রীমুনিন মহন্তই সুধিছে ঃ

১৫১। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

ক) ১৯৯৪ চনৰ ১৬ মার্চত লিখিত প্রশ্ন নং ১৫৯-ৰ লিখিত উত্তৰত ক আৰু খ উপ প্রশ্নৰ উত্তৰৰ ভিত্তিত বর্ত্তমানলৈকে কি কি ব্যৱস্থা লোৱা হৈছে, কিমান দূৰ অগ্রগতি হৈছে জনাবনে?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) আদালতৰ আদেশ অনুযায়ী স্থগিত হৈ আছে।

Re : Repairing of Roads.

Shri Samarendra Nath Sen asked :

152. Will the Minister of P.W.D. (Plains) be pleased to state :

a. Is it a fact that in reply to an un-starred question No. 109 dated 14.9.94 the Government replied that roads mentioned therein would be repaired in phases subject to availability of fund?

b. If so, when the fund would be available?

Shri Sarat Borkataky (Minister, P.W.D. (Plains)) replied :

a. Yes.
Repairing works started.

b. Fund will be placed in due course.

Re : P.W.D. (Bldg) Sub-Division at Ramkrishnanagar

Shri Rampyaree Rabidas asked :

153. Will the Minister of P.W.D. (Plains) be pleased to State :

a) Whether Government is taking step to setup a PWD (Bldg) Sub-Divisional office at Ramkrishan If yes, What are the steps taken. If not, why?
(State in details)

b) In connections with my Unstarred question No. 822, dated 06.4.94, it was stated that action has been taken by the PWD for collection of the feasibility Report from the concerned officer.

c) Whether the report has received by the PWD?

d) If yes, when? Mention the date of receipt. If not why?

e) What action has been taken against the authority for making delay in sending Report?

f) Whether the scheme is approved by the departmental Planning Committee?

If not, when that will be placed for making provision of fund?

Shri Sarat Barkataky, (Minister (State) PWD) replied :

a) Yes. Action has been initiated for collection of a feasibility report.

b) Yes.

c) No.

d) Does not arise. Due to issue of fresh guidelines by the Finance Deptt. the concerned officer has to re-examine the issue.

e) Does not arise as no officer is at fault

f) No.

বিষয় ঃ খোৱা পানীৰ যোগান।

শ্রীনদ্রীনাৰায়ণ সিংহয়ে সুধিছে ঃ

১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

ক) টংলা সংমণ্ডলত, চলিত বছৰত খোৱা পানী যোগানৰ বাবে চৰকাৰৰ কিবা মঞ্জুৰী আছিল নেকি?

খ) যদি আছিল, কিমান আছিল আৰু ইয়াক কেনে ধৰণে খৰচ কৰা হৈছে?

গ) টংলা সংমণ্ডলত মাষ্টাৰ ৰোল শাখাত কিবা নিযুক্তি দিয়া হৈছে নেকি?

ঘ) যদি হৈছে, কিমান লোকক দিয়া হৈছে?

ঙ) তেওঁলোকে দৰমহা ঠিকমতে পাই আছেনে?

শ্রীদিনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হয়, আছিল।

খ) চলিত বছৰত (১৯৯৪-৯৫) টংলা জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ অধীনত MNP, TSP, SCCP আৰু ARP শিতানত যথাক্রমে ২৪ ঃ ৪৬ লাখ, ৬৬ ঃ ৫২ লাখ ৮ ঃ ২৪ লাখ আৰু ৪৬ ঃ ৫০ লাখ টকাৰ মঞ্জুৰী আছিল। ইয়াৰে MNP, TSP, SCCP আৰু ARP-ত যথাক্রমে ১৩ ; ৩৪, ৩৮ ঃ ৫৭, ৮ ঃ ৬৮ আৰু ২১ ঃ ৬২ লাখ টকা ৬৬ টা পাইপ স্কীম আৰু ১৯ টা দমকলত খৰচ কৰা হৈছে।

গ) ১৯৯৪-৯৫ চনত টংলা সংমণ্ডলত মাষ্টাৰ ৰোল শাখাত কোনো নিযুক্তি দিয়া হোৱা নাই।

ঘ) প্রশ্ন নুঠে।

ঙ) যিহেতু নিয়ুক্তি হোৱাই নাই, সেয়ে দৰমহা পোৱা প্রশ্ন নুঠে।

বিষয় ঃ চৰৰ সংখ্যা।

শ্রীচন্দন কুমাৰ সৰকাৰে সুধিছে ঃ

১৫৫। মাননীয় চৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

ক) অনুগ্রহ কৰি জনাবনে অসম ৰাজ্যত সর্বমুঠ কিমানটা চৰ অ্চল আছে আৰু উক্ত চৰ অঞ্চলবোৰত চৰকাৰে কি কি উন্নয়নমূলক কাম হাতত লৈছে?

খ) ১৯৯১ চনৰ পৰা আজিলৈকে চৰ অঞ্চল উন্নয়নৰ বাবে সর্বমুঠ কিমান টকা খৰচ হৈছে আৰু কি কি কাম চৰ অঞ্চলৰ উন্নতিৰ বাবে কৰা হৈছে তাৰ এটি তালিকা সদনত দাখিল কৰিবনে?

শ্রীদিলদাৰ বেজা (চৰ অঞ্চল উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) অসমত সর্বমুঠ ২,১৬৫ টা চৰ অঞ্চল আছে। উন্নয়নৰ কাৰণে হাতত লোৱা আঁচনিসমূহ হ'ল ঃ

১) হস্ত চালিত নলী-নাদ

২) কৃষি

৩) পশুপালন ও দুগ্ধ উন্নয়ন

৪) কুটীৰ শিল্প

৫) শিক্ষা

খ) ১৯৯১-৯২ চনৰ পৰা ১৯৯৫ চনৰ ফেব্রুৱাৰী মাহলৈ সর্বমুঠ ২২০.২১ লাখ টকা খৰচ হৈছে। কামৰ খতিয়ান আৰু খৰচৰ তালিকা ইয়াৰ লগত সংলগ্ন কৰি দিয়া আছে। (SeeAnnexure-VII)

Unstarred Question No. 150 was deferred)

বিষয় ঃ ঠিকাদাৰৰ Bill-ৰ ধন।

শ্রীমিলন বড়োই সুধিছে -

১৫৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) যোৱা বৰপেটা জিলাৰ গোষ্ঠী সংঘর্ষৰ সময়ত বেয়াকৈ ক্ষতিগ্রস্ত হোৱা চেংলিমাৰি, পকালাগি, পতিয়ামাৰী, শালবাৰী অঞ্চলৰ মাজেৰে যোৱা একমাত্র শালবাৰী জালাহ গড়কাপ্তানী বিভাগৰ পথটো আইন শৃংখলা আৰু ক্ষতিগ্রস্ত ৰাইজৰ পুনৰ সংস্থাপনৰ ক্ষেত্রত অতি প্রয়োজন অনুভৱ কৰি বিভাগে স্থানীয় Contractor কেইজন মানৰ জৰিয়তে মেৰামতি কৰাই এতিয়ালৈ কি কাৰণত তেওঁলোকে পাব লগা Bill-ৰ ধন দিয়া নাই জনাবনে?

খ) অসম চৰকাৰে সেই সময়ত পথ যোগাযোগ ব্যৱস্থাটো সুচল কৰি ৰখাৰ বাবে ক্ষতিগ্রস্ত অঞ্চলসমূহৰ আৱশ্যকীয় পথসমূহ মেৰামতিৰ বাবে বিশেষ জৰুৰী ধন গড়কাপ্তানী বিভাগক মোকলাই দিয়া স্বত্বেও উক্ত শালবাৰী জালাহ পথটো উক্ত ধনৰ পৰা কি কাৰণত বঞ্চিত হ'ব লগা হ'ল জনাবনে?

শ্রীশৰৎ ৰৰকটকী (গড়কাপ্তানী (ভেয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) পথটোৰ কিছু অংশ মেৰামতি কৰা হৈছিল আৰু প্রয়োজনীয় ধনৰ অভাৱত এতিয়ালৈকে ধন দিব পৰা নাই।

খ) বিশেষ জৰুৰী ধন প্রয়োজনতকৈ কম হোৱা কাৰণে সম্পূর্ণকৈ দিব পৰা নগ'ল।

বিষয় ঃ উন্নয়ন খণ্ডৰ কার্য্যালয়ৰ নির্মাণ।

শ্রীনজমুল হকে সুধিছে ঃ

১৫৮। মাননীয় গ্রাম্য উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) গোৱালপাৰা জিলাৰ খৰমুজা উন্নয়ন খণ্ডৰ স্থায়ী কার্য্যালয় আঞ্চলিক পঞ্চায়ত এলেকাৰ মধ্যবর্ত্তী স্থানত নির্মাণ কৰাৰ বাবে ৰাইজৰ দাবী চৰকাৰে পাইছেনে?

খ) স্থায়ী কার্য্যালয়ৰ স্থান নির্ণয় কৰাৰ বাবে বিভাগীয় তদন্তৰ ব্যৱস্থা কৰা হৈছিলনে? যদি তদন্ত কৰা হৈছিল, তেন্তে তাৰ প্রতিবেদন সদনত দাখিল কৰা হ'বনে?

গ) ৰাইজৰ দাবীৰ প্রতি সন্মান দেখুৱাবলৈ আৰু খৰমুজা উন্নয়ন খণ্ডৰ স্থায়ী কার্য্যালয়ৰ স্থান নির্ণয় কৰাৰ বাবে উচ্চ ক্ষমতা সম্পন্ন বিষয়াৰ দ্বাৰা তদন্ত কৰা হ'বনে?

শ্রীগৌতম ৰায় (পঞ্চায়ত গ্রাম্য উন্নয়ন বিভাগৰ ৰাজ্যিক) মন্ত্রীয়ে উত্তৰ দিছে ঃ

ক) হয়।

খ) হয়। তদন্তৰ প্রতিবেদন সদনৰ মজিয়াত দাখিল কৰা হৈছে।
(See Annexure–VIII)

গ) চৰকাৰে তেনে কোনো সিদ্ধান্ত এতিয়ালৈ লোৱা নাই। বর্ত্তমান বিষয়টো মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন।

বিষয় ঃ পকী নলী-নাদ hand tube well আৰু Mark II Tube Well ধার্য্য।

শ্রীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

১৫৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

ক) প্রতিটো সমষ্টিত ধার্য্য কৰা পকী নলী-নাদ (Ring well) hand Tube Well আৰু Mark II tube well-ৰ বাবে স্থানীয় বিধায়কৰ পৰা Pin point সংগ্রহ কৰিবৰ বাবে কার্য্যবাহী অভিযন্তা সকলক বিভাগীয় মন্ত্রীয়ে নির্দ্দেশ দিয়া কথাটো সঁচানে?

খ) যদি সঁচা হয়, বঙাইগাওঁ সমষ্টিৰ বিধায়কৰ পৰা কোকৰাঝাৰ সংমণ্ডলৰ কার্য্যবাহী অভিযন্তাই Pin point সংগ্রহ নকৰা কথাটো সঁচানে?

শ্রীদিনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) পৰিস্কাৰ খোৱাপানীৰ উৎস নথকা চুবাসমূহত অগ্রাধিকাৰ ভিত্তিত দমকল, কুৱা আদি বহুৱাবলৈ স্থানীয় বিধায়কসকলক নিজ নিজ এলেকাৰ চুবাসমূহ বাচি দিবলৈ কোৱাটো সঁচা।

খ) কোকৰাঝাৰ ২ নং সমণ্ডল অন্তর্গত বঙাইগাওঁ সমষ্টিৰ চুবাখিনিত দমকল, পকী কুৱা আদি বহুৱাবৰ বাবে স্থানীয় বিধায়কৰ পৰা কার্য্যবাহী অভিযন্তাই যোৱা আগষ্ট মাহত অনুমোদন লৈছে।

বিষয় ঃ কাঠৰ দলং মেৰামতি।

শ্রীমুজিবুৰ ৰহমানে সুধিছে ঃ

১৬০। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) নগাওঁ জিলাৰ ধিং সমষ্টিৰ আলটাঙৰী আৰু নিজ ধিং মৌজাত আৰু মৰিগাওঁ জিলাৰ মৈৰাবাৰী জিলাৰ মৈৰাবাৰী মৌজাত কিমানখন কাঠৰ দলং আছে? এইবিলাকৰ ভিতৰত কিমানখনৰ মেৰামতিৰ প্রয়োজন আছে? মেৰামতিৰ বাবে প্রয়োজনীয় অর্থৰ যোগান ধৰা হৈছে নে?

খ) মৰিগাওঁ জিলাৰ অন্তর্গত মৈৰাবাৰীৰ পৰা লাহৰিঘাটলৈ বানপানীয়ে খহাই নিয়া ৰাস্তাটো মেৰামতি কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে নে?

গ) ধিং সমষ্টিত নতুনকৈ গড়কাপ্তানী ৰাস্তা লোৱা হৈছে নে? যদি নাই লোৱা কি লোৱা নাই?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) নগাওঁ জিলাৰ অন্তর্গত ধিং সমষ্টিৰ আলটাঙনীত ২২ খন কাঠৰ দলং আৰু নিজ ধিং মৌজাত ১৭ খন কাঠৰ আছে। ইয়াৰ ভিতৰত আলটাঙনীত ১৮ খন আৰু ধিংৰ ৯ খন আৰু মৈৰাবাৰী মৌজাত ১৭ খন কাঠৰ দলংৰ মেৰামতিৰ বাবে প্রয়োজন হৈ আছে। মেৰামতিৰ বাবে ৫০.২৮ লাখ টকা ধার্য্য কৰা হৈছে।

খ) মৰিগাওঁ জিলাৰ অন্তর্গত মৈৰাবাৰীৰ পৰা লাহৰিঘাটলৈ বানপানীয়ে খহাই নিয়া ৰাস্তাটো মেৰামতি কৰা হৈছে।

গ) অর্থৰ অভাৱৰ কাৰণে ধিং সমষ্টিত ১৯৯৪-৯৫ চনত নতুনকৈ গড়কাপ্তানী ৰাস্তা হাতত লোৱা হোৱা নাই।

বিষয় ঃ ধুবুৰী আৰু গৌৰীপুৰ সমষ্টিৰ উন্নয়ন।

মোঃ মহিবুল হকে সুধিছে ঃ

১৬১। মাননীয় গ্রাম্য উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

ক) এই চৰকাৰৰ দিনত ধুবুৰী আৰু গৌৰীপুৰ সমষ্টি উন্নয়নৰ বাবে গ্রাম্য উন্নয়ন বিভাগৰ পৰা কোন কোন ফাণ্ডত কি কি আঁচনি লোৱা হৈছিল, আঁতনিসমূহৰ তালিকা এখন দিবনে?

খ) কোন কোন আঁচনি ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে আৰু কোন কোন আঁচনি সম্পূৰ্ণ হৈ উঠা নাই জনাবনে?

গ) অসম্পূৰ্ণ আঁচনি কি কি কাৰণত সম্পূৰ্ণ নহ'ল ইয়াৰ কাৰণ বা আসোঁৱাহ সমূহ দৰ্শাবনে?

ঘ) কেতিয়াৰ ভিতৰত ই সম্পূৰ্ণ হৈ উঠিব জনাবনে?

শ্রীগৌতম ৰয় (গ্রামোন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) এই চৰকাৰৰ আৰম্ভণি তথা ১৯৯১-৯২ চনৰ পৰা ধুবুৰী আৰু গৌৰীপুৰ সমষ্টিৰ উন্নয়নৰ বাবে গ্রামোন্নয়ন বিভাগৰ পৰা তলত উল্লেখ কৰা আঁচনিসমূহ লোৱা হৈছে।

১) জৰাহৰ ৰোজগাৰ যোজনাৰ অধীনত আলিবাট, গাওঁ পঞ্চায়তৰ কার্য্যালয়ৰ ঘৰ, অনুসূচিত জাতি আৰু জনজাতিৰ বাবে থকা ঘৰ IAY, বান্ধ, জলাশয়, পকী নলী-নাদ, সমূহীয়া ভৱন ইত্যাদি।

২) সমন্বিত গ্রাম্য উন্নয়ন আঁচনিৰ অধীনত দৰিদ্র সীমাৰেখাৰ তলত বাস কৰা মানুহক দোকান ঘৰ, ৰিক্সা, ঠেলা, হালৰ গৰু, মহ, গাইগৰু, হস্ততাঁত, মাটিৰ বাচন-বর্তন সজা ইত্যাদিৰ বাবে ৰাজ সাহার্য্যৰ জৰিয়তে বেঙ্কৰ ঋণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও পাৰাৰ টিলাৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে। দৰিদ্র সীমাৰেখাৰ তলত থকা গ্রামীন যুৱক-যুৱতৰ আত্ম-সংস্থানৰ বাবে বিভিন্ন শিতানত প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

গ্রামীণ নাৰী ও শিশু কল্যাণ আঁচনিৰ অধীনত নাৰী ও শিশু উন্নয়নৰ উন্নতিকল্পে গোট তৈয়াৰ কৰাৰ ব্যৱস্থা কৰা হৈছে।

৩) জৈৱিক গেছ প্রকল্পৰ অধীনত সমষ্টিৰ দেবীতোলা উন্নয়ন খণ্ডত নিশ্চিত নিয়োগ আঁচনিৰ (E.A.S) অধীনত আলিবাট, ডোং, গাওঁ পঞ্চায়তৰ কার্য্যালয় ঘৰ, সমূহীয়া ভৱন ইত্যাদিৰ আঁচনিসমূহ লোৱা হৈছে। আঁচনিসমূহৰ তালিকা পৰিশিষ্ট "ক"ত গাঠি দিয়া হ'ল।

খ) (I) জৰাহৰ ৰোজগাৰ যোজনাৰ অধীনত সম্পূৰ্ণ হোৱা আঁচনিসমূহ ঃ

১) আলিবাট — ১৭৫ টা

২) অনুসূচিত জাতি আৰু জনজাতিৰ থকা ঘৰ — ১৬১ টা

৩) সমূহীয়া ভৱন — ৭ টা
৪) বান্ধ — ৫৬ টা
৫) জলাশয় — ১৪ টা
৬) পকী নলী-নাদ — ১৯ টা
৭) ডোং — ৩০ টা
৮) নলা — ১৫ টা
৯) গাওঁ পঞ্চায়তৰ কার্য্যালয়ৰ ঘৰ — ৩ টা
১০) বজাৰ উন্নয়ন — ১ টা
১১) মাটি পুৰোৱা কাম — ৬ টা

(II) সমন্বিত গ্রাম্য উন্নয়ন আঁচনিৰ অধীনত মুঠ ৩১৪৫ জন গ্রাম্য লোকৰ বাবে বিভিন্ন আঁচনিৰ যোগেদি ৰাজ সাহার্য্য আৰু ঋণৰ ব্যৱস্থা কৰা হৈছে।

(III) দৰিদ্র সীমাৰেখাৰ তলত থকা মুঠ ৪৫০ জন গ্রামীণ যুৱক-যুৱতীক আত্ম-সংস্থাপনৰ বাবে প্রশিক্ষণ সম্পূর্ণ কৰা হৈছে।

(IV) গ্রামীণ নাৰী ও শিশু কল্যাণ আঁচনিৰ অধীনত মুঠ ৬৭ টা গোট তৈয়াৰ কৰা সম্পূর্ণ কৰা হৈছে।

প্রতিটো আঁতনিৰ অধীনত বাকী থকা কাম ৩১-৩-৯৫-ৰ ভিতৰত সম্পূর্ণ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

গ) (I) স্থান নির্ণয় তথা মাটিৰ ক্ষেত্রত থকা কিছুমান আসোঁৱাহ থকাৰ কাৰণে আঁচনিসমূহৰ কাম আৰম্ভ কৰোঁতে পলম হয়।

(II) Power Tiller দিয়াৰ কাম February, 1995-ৰ পৰা আৰম্ভ কৰা হয়।

ঘ) প্রতিটো আঁচনি ৩১-৩-৯৫ ইং তাৰিখৰ ভিতৰত সম্পূর্ণ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

Re : Supply of drinking water.

Shri Kali Ranjan Deb asked :

162. Will the Minister of Public Health Engineering be pleased to state :

a) Whether Government is aware about very irrigular supply/casual supply of drinking water by the pipe water supply installations, situated at Kalain, Jalalpur, Katirail and other places of Katigora Constituency?

b) If so, whether the Government will take immediate step to ensure regular supply of pure drinking water to those areas through pipe

connection?

Shri Dinesh Prasad Goala (Minister, P.H.E.) replied :

a) Yes.

b) Yes, steps are being taken within limitted fund provision.

Memo. No. Phed. 2/95/16A, Dtd. Hengrabari, the 21st March, 1995. Copy with 150 spare copies of reply of the queston is forwarded to the Secretary, Assam Legislative Assembly, Dispur for necessary action.

বিষয় ঃ পানী যোগান আঁচনি।

শ্রীকোষেশ্বৰ বৰুৱাই সুধিছে ঃ

১৬৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

ক) গহপুৰ সমষ্টিত কেইটা পানী যোগানৰ আঁচনি আছে?

খ) তাৰে কেইটা বর্ত্তমান কার্য্যক্ষম অৱস্থাত আছে?

গ) ইয়াৰে বিকল পানী যোগান আঁচনিকেইটা সুচল কৰাৰ কিবা ব্যৱস্থা কৰিচেনে কি?

শ্রীদিনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) গহপুৰ সমষ্টিত মুঠতে ৪২ (বিয়াল্লিশ) টা পাইপেৰে পানী যোগান আঁচনি (Pipe Scheme) ১২৩৯ (এহেজাৰ দুইশ উনচল্লিশ) টা নলী-নাদ, ১৭১ (এশ একসত্তৰ) টা পকী কুৱা, ১০২ (এশ দুই) টা মার্ক টু আৰু ২ (দুই) টা তাৰা পাম্প (Tara pump) আছে।

খ) মুটতে ৩৮ (আঠত্রিশ) টা পানী যোগান আঁচনি (Pipe Scheme) ১০৮৬ টা নলী-নাদ, ১৫০ টা পকী কুৱা। ৩৯ টা মার্ক টু কার্য্যক্ষম হৈ আছে।

গ) বিকল আঁচনি সমূহো পর্য্যায়ক্রমে সুচল কৰাৰ ব্যৱস্থা কৰা হৈছে।

Re : Rehabiliation of Exservicemen

Shri Parimal Suklabaidya asked :

164. Will the Minister of Forest be pleased to State :

a) Is it a fact that some ex-servicemen were rehabilited in keoiat under Hawai Forest Range?

b) How much land was alloted for them and how many family?

c) Is it a fact that alloted land now under the encroachment of some Balgladeshi Muslim family?

d) If so D.F.O. Cachar has taken any step for eviction or not?

e) If not, why?

Shri Hiteswar Saikia (Chief Minister) replied :

a) No

b) Does not arise

c) Does not ari

d) Does not arise

e) Does not arise.

বিষয় ঃ বন্ধ হৈ থকা পানীযোগান আঁচনি।

শ্রীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ

১৬৫। মাননীয় জনস্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) টীয়ক সমষ্টিৰ অন্তর্গত বৰমেলীয়া পানী যোগান আঁচনি (২) দুলীয়া ভৰালী (৩) ৰবি বৰুৱা (৪) চেনিজান (৫) ৰজাবাৰী পানী যোগান আঁচনি সমূহ বন্ধ হৈ থকা কথাটো চৰকাৰৰ জ্ঞাতনে?

খ) যদি জ্ঞাত, তেন্তে এই আঁচনি সমূহ সম্পূর্ণ কৰাত চৰকাৰে কিবা ব্যৱস্থা কৰিছে নে?

গ) যদি কৰা নাই, কেতিয়াকৈ কৰিব আৰু এই আঁচনি সমূহ সম্পূর্ণ কৰিবৰ বাবে চৰকাৰক আৰু কিমান বছৰৰ প্রয়োজন হ'ব আৰু টকাৰ কিমান প্রয়োজন হ'ব চৰকাৰে জনাবনে?

শ্রীদিনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হয়।

খ) সীমিত পুঁজিৰে আঁচনিসমূহ সম্পূর্ণ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

গ) সোনকালে সম্পূর্ণ কৰাৰ ব্যৱস্থা লোৱা হৈছে আৰু আঁচনিসমূহ সম্পূর্ণ কৰিবলৈ প্রায় ১৯ লাখ টকাৰ প্রয়োজন হ'ব।

Re : Development of Schemes

Shri Borgoram Deuri asked :

166. Will the Minister of Veterinary be pleased to State :

a) Whether the amount allocated for development of various schemes under Vety. Deptt., under T.S.P. and S.C.C.P. since 1991-92, 92-93, 93-94 and had sanctioned and L.O.C. have been sent to various District?

b) Whether sanctioned amount have been utilised?

Shri Jaganath Sinha (A.H. & Vety. Minister) replied :

a) Yes, partly sanctioned and L.O.C. issued.

b) Partly utilised.

বিষয় ঃ পথ পকীকৰণ।

শ্রীভৃগু কুমাৰ ফুকনে সুধিছে ঃ

১৬৭। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ চাংচাৰি কেন্দুকোনা পথটো পকীকৰণ কৰাৰ বাবে চলিত বছৰত কিবা ব্যৱস্থা ল'বনে?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

চাংচাৰি কেন্দুকোনা পথটো পকীকৰণ কৰাৰ কাৰণে চলিত বছৰত কোনো আঁচনি লোৱা হোৱা নাই।

বিষয় ঃ পঞ্চায়তের মঞ্জুরী।

শ্রীপ্রণব কুমার নাথ জিজ্ঞাসা করছেন ঃ

১৬৮। মাননীয় গ্রাম উন্নয়ণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

ক) বিগত ২৯ সেপ্টেম্বর ৯৪ ইং দুই মন্ত্রীর করিমগঞ্জ জেলা সফর ও জনসভা উপলক্ষে পঞ্চায়েত ও গ্রামোন্নয়ন রাজ্যিক মন্ত্রী কর্তৃক বিভিন্ন জনসভায় রামকৃষ্ণ নগর বাজারকে তিন লক্ষ টাকা, রামকৃষ্ণ নগর ক্রীড়া ভবনকে সত্তর হাজার টাকা, আনিপুর মাদ্রাসাকে এক লক্ষ টাকা, নিলাম বাজার কলেজকে চার লক্ষ টাকা, নিলাম বাজারে তিন লক্ষ টাকা এবং আনিপুর বাজারকে অর্থ মঞ্জুরীর প্রতিশ্রুতির কথা সত্য কি?

খ) যদি সত্য হয়— তাহলে এই তারে লক্ষ লক্ষ টাকা কোন অর্থ বর্ষে কোন বিভাগে কোন তহবিল থেকে কি পদ্ধতিতে উক্ত অর্থ মঞ্জুরীর ব্যবস্থা করেছে— তাহা বিশত তথ্য সদনের সেঝে দাখিল করিবেন?

শ্রীগৌতম রায় (রাজ্যিক গ্রাম্য উন্নয়ন বিভাগের মন্ত্রী)য়ে উত্তর দিয়েছেন ঃ

ক) ২৯-১১-৯৪ ইং তারিখে মাননীয় রাজ্যিক গ্রামোন্নয়ন ও পঞ্চায়তের বিভাগের মন্ত্রী মহোদয়ের দ্বারা কোন পাব্লিক মিটিং অনুষ্ঠিত হয় নি।

খ) প্রশ্ন উঠে না।

বিষয় ঃ ৫২ নং ৰাষ্ট্রীয় ঘাইপথ।

শ্রীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

১৬৯। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ৫২ নং ৰাষ্ট্রীয় ঘাই পথটো বাইহাটা চাৰিআলিৰ পৰা জোনাইলৈকে মেৰামতি আৰু উন্নয়নৰ বাবে কিমান টকা ধার্য্য কৰিছে। পথ ও দলংসমূহৰ মেৰামতিৰ

বাবে চৰকাৰে দ্রুত আঁচনি কিবা গ্রহণ কৰিছে নে?

খ) ৫২ নং ৰাষ্ট্রীয় পথৰ চমৰজানৰ দলংখন যোৱা ১৯৯৪ চনৰ জুলাই মাহৰ বাণত উটি যোৱাৰ পাছত নির্মাণৰ বাবে তৎপৰ কি ব্যৱস্থা গ্রহণ কৰিছে? এই চোৱা পথৰ কাম কেতিয়া সম্পূর্ণ হব?

শ্রীশৰত বৰকটকী (গড়কাপ্তানী (ভেয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ৫২ নং ৰাষ্ট্রীয় ঘাইপথটোৰ বাইহাটা চাৰিআলিৰ পৰা জোনাইলৈকে ১৯৯৪-৯৫ চনৰ বাবে মেৰামতি আৰু উন্নতি কৰণৰ শিতানত ৬০১.৬৫ লাখ টকা ধার্য্য কৰা হৈছে। হয়, চৰকাৰে ৰাস্তাও দলং মেৰামতিৰ বাবে আঁচনি গ্রহণ কৰিছে।

খ) ৫২ নং ৰাষ্ট্রীয় পথৰ চমাজান নদীৰ ওপৰত ২৬৯।১ নং দলংখন ১৯৯৪ চনৰ জুলাই মাহত পানীয়ে উটুৰাই নিয়াৰ পিছত উপপথৰ কাঠৰ দলংং ও সংলগ্ন পথৰ কাম হাতত লোৱা হৈছে আৰু এই কাম বাৰিষাৰ আগতে সম্পূর্ণ হ'ব।

বিষয় ঃ ধন মঞ্জুৰী দিয়া আঁচনি।

শ্রীভূপেন ৰায়ে সুধিছে ঃ

১৭০। মাননীয় গ্রাম্য উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) বঙাইগাওঁ জিলা গ্রাম্য উন্নয়ন বিভাগে ধন মঞ্জুৰী দিয়া আঁচনিসমূহ ক্রমে ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ চনৰ আঁচনিসমূহৰ নির্মাণ কার্য্য সম্পূর্ণ হৈ উঠিল নে?

খ) যদি সম্পূর্ণ হৈ উঠা নাই, নির্মাণ কার্য্য কেতিয়া সম্পূর্ণ হ'ব জনাবনে?

গ) অসম্পূর্ণ হৈ থকা আঁচনিসমূহ কি কি? ইয়াৰে মানিকপুৰ উন্নয়ন খণ্ড আৰু সৃজন গ্রাম্য উন্নয়ন খণ্ডত কিমানটা অসম্পূর্ণ আঁচনি আছে জনাবনে?

শ্রীগৌতম ৰয় (ৰাজ্যিক গ্রাম্য উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) (১) ১৯৯১-৯২ চনত বঙাইগাওঁ জিলা গ্রাম্য উন্নয়ন বিভাগ স্থাপন হোৱা নাছিল।
(২) ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪-ত মঞ্জুৰী দিয়া ২০ (বিশ)টা আঁচনিৰ কাম সম্পূর্ণ হোৱা নাই।

খ) অসম্পূর্ণ হৈ থকা আঁচনি সমূহৰ কাম চলিত বছৰৰ ৩১ মার্চৰ ভিতৰত সম্পূর্ণ হোৱাৰ সম্ভাৱনা আছে।

গ) অসম্পূর্ণ হৈ থকা আঁচনিসমূহৰ নাম তলত দিয়া হ'ল।
বঙাইগাওঁ গ্রাম্য উন্নয়ন বিভাগে মঞ্জুৰী দিয়া ১৯৯২-৯৩/৯৩-৯৪ চনৰ ২০ (বিশ)টা আঁচনিৰ কাম সম্পূর্ণ হোৱা নাই।

<u>মানিকপুৰ উন্নয়ন খণ্ড ঃ</u>

(১) ১৯৯২-৯৩ চনৰ হাপাচাৰা গাওঁ পঞ্চায়তৰ কার্য্যালয় ঘৰৰ নির্মাণ।

(২) ১৯৯৩-৯৪ বছৰটোৰ গৰাইমাৰি জাখাতিৰ বাট আৰু বান্ধৰ নির্মাণ।

(৩) ১৯৯৩-৯৪ বছৰটোৰ ৰাস্তা আৰু বান্ধ চিংগাৰঘাট শামুকমাৰীৰ পৰা মানাহ চাকহালী পি, ডব্লিউ, ডি, লৈ নির্মাণ।

(৪) ১৯৯৩-৯৪ বছৰটোৰ লোহিত চাংমাৰ যৌথ গৃহ নির্মাণ।

সৃজনগ্রাম উন্নয়ন খণ্ড ঃ

(৫) ১৯৯২-৯৩ বছৰটোৰ ককিলাগাওঁ পঞ্চায়তৰ কার্য্যালয় ভৱনৰ নির্মাণ।

(৬) নাম্বাৰপাৰা চাকলাৰ গাওঁ পঞ্চায়তৰ কার্য্যালয় ভৱনৰ নির্মাণ।

বৌতামাৰি ব্লক ঃ

(৭) ১৯৯৩-৯৪ চনৰ কেয়াপট্টী গাওঁৱীয়া ৰাস্তা নির্মাণ।

(৮) ১৯৯২-৯৩ চনৰ যোগীঘোপা গাওঁ পৃচায়তৰ কার্য্যালয় নির্মাণ।

ডাংটল ব্লক ঃ

(৯) ১৯৯৩-৯৪ চনৰ চিকিবিকি গাওঁ পঞ্চায়তৰ ভৱন নির্মাণ।

(১০) ১৯৯৩-৯৪ চিমলাগুড়ি প্রথম খণ্ডৰ ৰাস্তা নির্মাণ।

(১১) কচুগাওঁ ালগুৰি ৰাস্তা নির্মাণ।

(১২) নানকাৰ গাওঁ ৰাস্তা নির্মাণ।

(১৩) নয়পাৰা ৰাস্তা নির্মাণ।

(১৪) চিটকা গাওঁ বগৰীবাৰী ৰাস্তা নির্মাণ।

(১৫) খাৰিকাটলাই গাওঁ ৰাস্তা নির্মাণ।

(১৬) বেতবাৰী এল, পি, স্কুলৰ ৰাস্তা নির্মাণ।

(১৭) মোনাকচা ঢকুৰাপাৰা ৰাস্তা নির্মাণ।

(১৮) বিজয় গাওঁ সমূহীয়া কেন্দ্র নির্মাণ।

(১৯) ৪৭৪ নং মৈ গাওঁ খুৰিবাৰী এল, পি, স্কুলৰ ঘৰ নির্মাণ।

(২০) কাকৰা গাওঁ এম, ই, স্কুলৰ সমূহীয়া কেন্দ্র (Community Hall) নির্মাণ।

মানিকপুৰ উন্নয়নৰ খণ্ডৰ ৪ টা আৰু সৃজনগ্রাম উন্নয়ন খণ্ডৰ ২ টা আঁচনিৰ কাম অসম্পূর্ণ হৈ আছে। আঁচনিসমূহৰ নাম ওপৰত উল্লেখ কৰা হৈছে।

বিষয় ঃ গৰু, শ্বেলোপাম্প, চিলাই মেচিন আদি যোগান।

শ্রীনিজামুদ্দিন খানে সুধিছে ঃ

১৭১। মাননীয় চৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) চৰ উন্নয়নৰ কাৰণে গৰু, শ্বেলোপাম্প, চিলাই মেচিন, নলী-নাদ আদি (১৯১ চনৰ জুলাইৰ পৰা) যোগান ধৰা কথাটো সঁচানে?

খ) যদি সঁচা, কিমান টকাৰ কোন বিধ বিতৰণ বা যোগান ধৰা হৈছে? (বছৰ ভিত্তিত

জনাব)।

গ) যি সকলৰ মাজত বিতৰণ কৰা হৈছে সেই ব্যক্তি সকলৰ নাম, ঠিকনাসহ জনাবনে?

শ্রীদিলদাৰ বেজা (চৰ অঞ্চল উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) উক্ত বছৰত শ্বেলোপাম্পৰ বাহিৰে বাকী সামগ্রীসমূহ যোগান ধৰাটো সঁচা।

খ) <u>১৯৯১-৯২ চনত</u>

২.৫২ লাখ টকাৰ গাইগৰু

১.৮২ লাখ টকাৰ চিলাই মেচিন

১২.৫০ লাখ টকাৰ নলী-নাদ

<u>১৯৯২-৯৩ চনত</u>

১.৬৮ লাখ টকাৰ গাইগৰু

১.৫০ লাখ টকাৰ শ্বেলোপাম্প

১.৮২ লাখ টকাৰ চিলাই মেচিন

১২.৫০ লাখ টকাৰ নলী-নাদ

<u>১৯৯৩-৯৪ চনত</u>

২.৫২ লাখ টকাৰ গাইগৰু

১.২০ লাখ টকাৰ শ্বেলোপাম্প

১.৬৩ লাখ টকাৰ চিলাই মেচিন

৬.৮০ লাখ টকাৰ নলী-নাদ

<u>১৯৯৪-৯৫ চনত</u>

১.৮০ লাখ টকাৰ গাইগৰু

১.৪৮ লাখ টকাৰ চিলাই মেচিন

১৯.২৯ লাখ টকাৰ নলী-নাদ

গ) লগত গাঠি দিয়া হ'ল। (See Annesure-IX)

বিষয় ঃ অসম চুক্তিৰ ৬ নং দফা

শ্রীহিতেশ ডেকাই সুধিছে ঃ

১৭২। মাননীয় অসম চুক্তি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) অসম চুক্তিৰ ৬ নং দফা অনুযায়ী অসমীয়া মানুহৰ সাংস্কৃতিক সামাজিক আৰু ভাষিক পৰিচয় আৰু ঐতিহ্য ৰক্ষা ; সংৰক্ষণ আৰু বিকাশৰ বাবে যথোচিত সাংবিধানিক, আইনগত আৰু প্রসাসনীয় ৰক্ষা কবচ বাবে ৰাজ্য চৰকাৰে কেন্দ্রীয় চৰকাৰলৈ কোনো পৰামর্শ দিছে নেকি?

খ) যদি দিছে এই পৰামৰ্শবলী কেতিয়া দিয়া হৈছে? (ৰাজ্য চৰকাৰে আগবঢ়োৱা পৰামৰ্শবলী সংলগ্ন কৰিব)

গ) ৰাজ্য চৰকাৰে আগবঢ়োৱা পৰামৰ্শবলীৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে বৰ্ত্তমানলৈকে কি কি পদক্ষেপ হাতত লৈছে?

ঘ) অসম চুক্তিৰ ৬ নং দফা ৰূপায়িত কৰিবলৈ ১৯৯১ চনৰ ৯ জুলাইৰ পৰা বৰ্ত্তমানলৈ ৰাজ্য চৰকাৰে কি কি কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিছে?

ডাঃ ভূমিধৰ বৰ্মণ (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী) :- উত্তৰ দিছে

ক) হয়।

খ) ১৪ টা প্ৰস্তাৱ ইং ২০-১০-৮৬ তাৰিখে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হয়। এই প্ৰস্তাৱসমূহ নিচান ক'ত সংলগ্ন কৰা হৈছে। (See Annexure-XI) শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰৰ আঁচনিৰ পৰামৰ্শ ১৬-৬-৯০ তাৰিখে আৰু জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ'ৰ পৰামৰ্শ ১৮-৩-৯১ তাৰিখে দিয়া হৈছে।

গ) উল্লেখিত পৰামৰ্শবলীৰ সন্দৰ্ভত মাত্ৰ

(১) শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰলৈ ১০ (দহ) কোটি টকাৰ আঁচনি কেন্দ্ৰীয় চৰকাৰে নীতিগত ভাৱে গ্ৰহণ কৰিছে ৩.১৫ কোটি টকা মুকলি কৰি দিছে।

(২) জ্যোতি চিত্ৰবন ষ্টুডিঅ'ৰ ১০.৭৯ কোটি (দহ কোটি উনাশী লাখ) টকাৰ আঁচনি কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

ঘ) প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা প্ৰস্তাৱসমূহৰ উপৰিও সাংস্কৃতিক ক্ষেত্ৰত লোৱা কাৰ্য্য ব্যৱস্থা অনুসৰি শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰৰ প্ৰকল্পৰ নিৰ্মাণ কাৰ্য্য গুৱাহাটী পাঞ্জাবাৰীত আৰম্ভ হৈছে। চৌহদৰ দেৱালৰ কাম সম্পূৰ্ণ হৈছে। প্ৰশাসনীয় মুক্তাংগণ প্ৰেক্ষাগৃহ আৰু চৌঘৰ আদিৰ নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হৈ আহিছে। আন আন ভৱন নিৰ্মাণৰ কাম প্ৰায় ২৫ শতাংশ সম্পূৰ্ণ হৈছে।

বিষয় ঃ অসম চুক্তি ৰূপায়ণ

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

১৭৩। মাননীয় অসম চুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসম চুক্তিৰ কোন কোন দফাৰ কি কি চুক্তি কাৰ্য্যকৰী হ'ল ?

খ) বৰ্তমান চৰকাৰ গঠন হোৱাৰ পৰা এতিয়ালৈকে কিমান বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণ কৰা হ'ল।

গ) বিদেশী চিনাক্তকৰণৰ ক্ষেত্ৰত আই, এম, ডি, টি, আইনে বাধাৰ সৃষ্টি কৰা নাইনে? যদি কৰিছে তেনেহ'লে আই, এম, ডি, টি আইনখন সংশোধন বা বাতিলৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

ঘ) অসম চুক্তিৰ ৬নং দফাৰ আধাৰত খিলঞ্জীয়া জনসাধাৰণৰ সাংবিধানিক ৰক্ষা কৱচৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰলৈ এই সন্দৰ্ভত ৰাজ্য চৰকাৰে কিবা পৰামৰ্শ আগবঢ়াইছে নেকি?

ঙ) অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে অসম চুক্তিৰ আধাৰত বৰ্তমান চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

ডাঃ ভূমিধৰ বৰ্মণ (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) অসম চুক্তিৰ কাৰ্য্যকৰী কৰিবলগীয়া দফা সমূহৰ) দফা ৫-ৰ পৰা ১৪ লৈ) কাৰ্য্যকৰীকৰণ যথাবিহিত ভাবে চলি আছে। ইয়াৰ ভিতৰত প্ৰধানকৈ তলত দিয়া দফাকেইটা কাৰ্য্যকৰী সম্পৰ্কে তথ্য দিয়া হ'ল।

দফা-৫ ঃ অসম চুক্তিৰ সীমান্ত আৰক্ষীৰ লগত জড়িত দফা ৫ নংৰ কাৰ্য্যকৰী অগ্ৰগতি সম্পৰ্কে তলত উল্লেখ কৰা হ'ল।

দফা ৫-৩ ঃ ১৯৯৬-৭১ চনৰ বিদেশী চিনাক্তকৰণ ঃ

বিদেশী আইনৰ অধীনস্থ গৌচৰসমূহ বিচাৰৰ বাবে বৰ্তমান ১ খন বিদেশী ন্যায়াধীকৰণ আদালত আছে।

দফা ৫-৪ ঃ বিদেশীৰ নাম পঞ্জীয়ণকৰণ ঃ

বৰ্ত্তমান ১৯৬৬-৭১ চনত বিদেশী বুলি ঘোষিত ব্যক্তিৰ নাম পঞ্জীয়ন কৰিবলৈ ৮ জন পঞ্জীয়ক বিষয়াৰ ভিতৰত বৰ্তমান কেৱল ৫ জন পঞ্জীয়ক বিষয়াই কাম কৰি আছে।

দফা ৫-৫ ঃ চিনাক্তকৰণ প্ৰক্ৰিয়া শক্তিশালীকৰণ ঃ

বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণ প্ৰক্ৰিয়া শক্তিশালী কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন পৰ্য্যায়ত ১২৮০ টা পদবী আৰু ৰাজ্য চৰকাৰে ৮০৬ টা পদবী অনুমোদন কৰিছে।

দফা ৫-৭ ঃ পুনঃ নতুন বাংলাদেশী অনুপ্ৰৱেশকাৰী চিনাক্তকৰণ আৰু বহিষ্কৰণ ঃ

সৰ্বমুঠ ১৯৬২ জন পুনঃ নতুন বাংলাদেশী অনুপ্ৰৱেশকাৰীক ১৯৮০ চনৰ পৰা ৩১-১-৯৫ তাৰিখলৈ চিনাক্ত কৰি বহিষ্কৰণ কৰা হেছে। তাৰোপৰি উক্ত সময়ছোৱাত ৭০৬৪১ জন নেপালী অনুপ্ৰৱেশকাৰীকো চিনাক্ত কৰি ঘূৰাই পঠোৱা হয়।

দফা ৫-৬ ঃ অবৈধ প্ৰব্ৰজনকাৰী চিনাক্তকৰণ আৰু বহিষ্কৰণ ঃ

আই, এম, ডি টি (IMDT) আইনৰ অধীনত বৰ্তমান ১৬ খন (IMDT) আদালতে কাম কৰি আছে। ইয়াৰোপৰি এখন Appellate Tribunal আছে।

দফা ৬ ঃ অসম চুক্তিৰ ৬ নং দফা অনুসৰি সাংস্কৃতিক সুৰক্ষাৰ বাবে কাম চলি আছে।

দফা ৭ ঃ এই দফা মতে অর্থনৈতিক উন্নয়নৰ কাম হাতত লোৱা হৈছে। লগতে বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ প্ৰতিও মনোযোগ দিয়া হৈছে।

দফা ৮ ঃ এই দফা অনুসৰি নাগৰিকত্ব প্ৰদানৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ হাতত ন্যস্ত কৰা হৈছে।

দফা ৯ ঃ সীমান্ত পথ আৰু কাটা তাঁৰৰ কাম চলি আছে। সীমান্তত সীমান্ত ৰক্ষী বাহিনীয়ে কাম কৰি আছে।

দফা ১০ ঃ চৰকাৰী মাটি যাতে বেদখল কৰিব নোৱাৰে তাৰ ব্যৱস্থা চলি আছে।

দফা ১১ ঃ মাটি বিদেশীৰ অনুপ্ৰৱেশকাৰীৰ পৰা মুক্ত কৰি থকা হৈছে।

দফা ১২ ঃ জন্ম-মৃত্যুৰ পঞ্জীয়নৰ কাম চলি আছে।

দফা ১৩ ঃ এই দফা অনুসৰি অসম আন্দোলনৰ সমাপ্ত।

দফা ১৪ ঃ এই দফা অনুসৰি আন্দোলনত জড়িত থকা কৰ্মচাৰীৰ বিৰুদ্ধে থকা অনুশাসনৰ ব্যৱস্থা উঠাই লোৱা হৈছে আৰু আন্দোলনত মৃতলোকৰ পৰিয়ালক এককালীন সাহায্য দিয়া হৈছে আৰু চাকৰিৰ বাবে থকা উৰ্দ্ধ সীমা বঢ়াই দিয়া হৈছিল। আন্দোলনত জড়িত অপৰাধীৰ গোচৰ সমূহৰ কামো নিষ্পত্তি কৰা হৈছে।

খ) বৰ্তমান চৰকাৰ গঠন হোৱাৰ পৰা অৰ্থাৎ ১-৭-৯১ তাৰিখৰ পৰা ৩১-১-৯৫ তাৰিখলৈ চিনাক্ত হোৱা আৰু বহিষ্কাৰ কৰা বিদেশীৰ হিচাপ তলত দিয়া হ'ল।

(১)	বিদেশী আইনৰ অধীনত (Foreigner's Act, 1989)	(১) চিনাক্ত হোৱা ২৬০৪ জন বহিষ্কাৰ হোৱা নাই
(২)	আই, এম, ডি, টি আইনৰ অধীনত (IMDT Act 1983)	(১) চিনাক্ত হোৱা ১২৮১ জন (২) বহিষ্কাৰ হোৱা ৫৫৩ জন
(৩)	পুনঃ নতুন বাংলাদেশী অনুপ্ৰৱেশকাৰী	(১) চিনাক্ত হোৱা ৬৮৬৪ জন (২) বহিষ্কাৰ হোৱা ৬৮৬৪ জন
(৪)	নেপালী অনুপ্ৰৱেশকাৰী	(১) চিনাক্ত হোৱা ৪৭৪৩২ জন (২) বহিষ্কাৰ হোৱা ৪৭৪৩২ জন

গ) আই, এম, ডি, টি আইন মতে অসম বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণ হৈ আছে। বৰ্ত্তমান আইনখনৰ সংশোধন বা বাতিলৰ কোনো ব্যৱস্থা হোৱা নাই।

ঘ) অসম চুক্তিৰ ৬ নং দফা অনুসৰি অসমীয়া ৰাইজৰ সাংস্কৃতিক সুৰক্ষাৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ আৰু জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ উন্নয়নৰ আঁচনি লোৱা হৈছে আৰু সেই মৰ্মে কেন্দ্ৰীয় চৰকাৰে কলাক্ষেত্ৰ সমাজৰ বাবে ১০ কোটি টকা মঞ্জুৰ কৰিছে। তাৰে ৩.১৫ কোটি টকা ইতিমধ্যে মোকলাই দিছে। জ্যোতি চিত্ৰবন

ফিল্ম ষ্টুডিঅৰ উন্নয়নৰ বাবে ১০.৭৯ কোটি টকাৰ আঁচনিত কেন্দ্ৰীয় চৰকাৰে আশ্বাস দিছে।

ইয়াৰ উপৰিও ৬ নং দফাৰ আধাৰত অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ সাংবিধানিক ৰক্ষা কবচৰ বাবে চৰকাৰে সংবিধানৰ কেতবোৰ অনুচ্ছেদ সংশোধনৰ নিমিত্তে ১৪ টা প্ৰস্তাব কেন্দ্ৰলৈ প্ৰেৰণ কৰা হৈছে।

ঙ) অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে অসম চুক্তিৰ ৭ নং দফাৰ আধাৰত বৰ্ত্তমান চৰকাৰে নিম্নলিখিত প্ৰকল্প সমূহ হাতত লৈছে।

(১) চতুৰ্থ তেল শোধানাগাৰ স্থাপন।

(২) গেছ ক্ৰেকাৰ প্ৰকল্প স্থাপন।

(৩) অশোক কাগজ কল পুনৰ জীৱিতকৰণ।

(৪) পৰিবহন উন্নয়ন।

(৫) দূৰ সংযোগ সেৱাৰ উন্নতি সাধন।

(৬) বহুমুখী নদী উপত্যকা প্ৰকল্প।

(৭) বৰাক নদী উপত্যকা প্ৰকল্প।

(৮) গুৱাহাটীত নিঃশুল্ক বন্দৰ স্থাপন।

(৯) পৰ্য্যটনৰ উন্নতি সাধন।

(১০) বৈদেশিক সাহায্য প্ৰাপ্ত প্ৰকল্প

(১১) কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন।

(১২) ভাৰতীয় কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান স্থাপন।

বিষয় ঃ অবৈধভাবে গাছ কাটা বন্ধ কৰাৰ জন্য ব্যৱস্থা।

শ্ৰীমধুসুদন তেওয়ারী জিজ্ঞাসা কৰছেন ঃ

১৭৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ঃ

ক) পাথাৰকান্দি সমষ্টিৰ বনাঞ্চল অবৈধ ভাবে গাছ কাটাৰ কাৰনে নিঃশেষ হয়ে গেছে, তাই নূতন ভাবে গাছ লাগানোৰ কি ব্যৱস্থা গ্ৰহণ কৰিয়াছেন জানাবেন কি?

খ) ১৯৯৩-৯৪, ৯৪-৯৫ ইং বৎসৰে মোট কত হেক্টৰ জমিতে গাছ লাগানো হয়েছে এবং কোন কোন জায়গায় জানাবেন কি?

গ) অবৈধ ভাবে গাছ কাটা বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰবেন কি?

Shri Hiteswar Saikia (Chief Minister, In-charge of Forest) replied :

(Ka) It is not true that Forest under Patharkandi Constituency has been cleared by illegal fellinf of trees. Creation of plantation in degraded

Forest land is a regular phenomenon as per plantation schemes under plan budget.

(Kha) The area of plantation created during the years under Question with location are as follows :

1993-94 .... 65 Hect. Covering Lakhimpur (Sonatola) Ankappi, Dhelonerra and Fulandi.

1994-95 .... 54 Hect. Covering Mohongoot, Lakhimpur, Pecharpar and Ankappi.

(Ga) To control illegal felling of trees intensive patrolling in R.F. areas has been done regularly. The B.S.F. personels posted in Border areas are kept in touch to get their assistance in patrolling duties by the Forest Staff by deploying Additional Staff to different Beats and Camps.

বিষয় ঃ ধন মঞ্জুৰী।

শ্রীজিউৰাম বড়োই সুধিছে ঃ

১৭৫। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) অসম চৰকাৰে গড়কাপ্তানী (ভৈয়াম বিভাগৰ পৰা দৰং জিলাৰ কালাই গাওঁ সমষ্টিৰ কোন কোন পথত কি কি শিতানৰ পৰা কিমান কিমান পৰিমাণে ইং ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ ধন মঞ্জুৰী কৰা হৈছিল ?

খ) যিবোৰ ধন মঞ্জুৰী কৰা হৈছিল সেই সমূহ ধনেৰে কাম কৰা হ'ল নে ? যদি হোৱা নাই সেই ধন কত জমা আছে আৰু এই জমা ধন সমূহেৰে কেতিয়াৰ পৰা কাম আৰম্ভ কৰিবলৈ বিচৰা হৈছে ?

গ) লগতে কালাই গাওঁ খৈৰাবাৰী গড়কাপ্তানী পথত নদীৰ ওপৰত এখন দলং নিৰ্মাণ নকৰাত কালাই সমষ্টি সম্পূৰ্ণ দুভাগত বিচ্ছিন্ন থকাৰ বিষয় অবগতনে, যদি অৱগত তেতিয়া হ'লে বাইজৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত ইতিমধ্যে মহোদয়ৰ যোগে প্রশ্নকর্ত্তা সমষ্টিৰ বাবে যি ধন মঞ্জুৰী কৰিছে তাৰ লগত দলংখন নির্মাণ হ'ব পৰাকৈ আৰু কিছু ধন মঞ্জুৰী কৰি উক্ত দলংখন নির্মাণ কৰি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্রীশৰৎ ৰৱকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) বছৰ ও আঁচনি অনুযায়ী মঞ্জুৰ কৰা আঁচনিসমূহৰ নাম আৰু ধনৰ পৰিমাণ

Commissioner and Special Secy. to the Government of Assam, Public works Department, Dispur 31.1.95 dt.-ৰ Memo No. R.P.B.C. 1/95/4.-

পতাকা ক'ত দেখুৱাই ইয়াৰ লগত সংলগ্ন কৰা হ'ল। (See Annexure-XI)

খ) আংশিকভাবে কৰা হেছে। আই, টি, ডি, পি আঁচনিৰ বাহিৰে অন্য আঁচনিৰ মঞ্জুৰীকৃত মূল্য ক'তো জমা হৈ নাথাকে। যিহেতু তেনে আঁচনি এবাৰ অনুমোদিত, সেয়েহে আগন্তুক বছৰত পুঁজিৰ ওপৰত নিভৰ কৰি বাকী থকা কামসমূহ সম্পূৰ্ণ কৰা হয়।

গ) অৱগত যদিও চলিত বছৰত পুঁজিৰ নাটনিৰ বাবে আৰু অতিৰিক্ত ধন দলংখনৰ বাবে অনুমোদন কৰিব পৰা নাযাব।

Re : Naharkatia Moran Road Bridges

Shri Saha Kamal Handique, asked :

176. Will the Minister of P.W.D. (Plains) be pleased to state :

(a) When the bridges in the Naharkatia Moran Road will be completed?

(b) How many payment were made to the contractor as advance?

(c) What is the reason for non completion of the Bridges?

(d) When the construction portion of the road is 28 K.M. to 32 K.M. of Moran Naharkatia Road will be completed?

Shri Sarat Barkataky (State P.W.D. Minister (Plains) replied :

(a) The Bridges are expected to be completed during the financial year 1996-97 subject to approval of the schemes by n.E.C

(b) Advance payment to the contractor M/S. AGCC amounting for Rs. 38,46,600.00 for 4 nos. of Bridges as follows-

Br. No. 17/1 – Rs. 9,78,750/-

Br. No. 20/1 – Rs. 9,78,750/-

Br. No. 35/2 – Rs. 7,58,700/-

Br. No. 49/1 – Rs. 11,30,400/-

(c) Reasons for non completion of the works of the bridges can be attributed to the financial crisis cucurrently being faced by A.G.C.C. Ltd.

(d) Steps are being taken to complete the works of the scheme during financial year 1995-96.

বিষয় ঃ চহৰ আৰু গ্ৰাম্য পৰিকল্পনাৰ আঁচনি।

শ্ৰীমুনিন মহন্তই সুধিছে ঃ

১৭৭। মাননীয় নগৰ আৰু গ্ৰাম্য পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমৰ চৰকাৰৰ নগৰ আৰু গ্ৰাম্য পৰিকল্পনা বিভাগৰ জৰিয়তে গাওঁ আৰু চহৰৰ কি কি কামৰ আঁচনি, কেনেভাবে কৰা হয় এই বিভাগে কি কি কাম কৰি আছে?

খ) বৰ্তমান চৰকাৰৰ সময়ছোৱাত অসমৰ কিমানখন চহৰ উন্নয়নৰ বাবে পৰিকল্পনা কৰা হৈছে আৰু চহৰবিলাকৰ নাম কি কি?

গ) গাওঁসমূহৰ বাবে কি কি পৰিকল্পনা গ্ৰহণ কৰিছে?

ঘ) উন্নয়নৰ বাবে চহৰ নিৰ্বাচন কৰোতে কি নীতিৰ ভিত্তিত নিৰ্বাচিত কৰি উন্নয়নৰ ব্যৱস্থা কৰা হৈছে?

ঙ) অসমৰ এখন নতুন জিলাকেন্দ্ৰ মৰিগাওঁ পিছপৰা, বজাৰ, নলা ব্যৱস্থা নথকা ৰাস্তা-ঘাটৰ দুৰৱস্থাৰ বিষয়ে চৰকাৰ অৱগতনে? আৰু চহৰ পৰিকল্পনা বিভাগে ইয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীঅঞ্জন দত্ত (নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগে প্ৰধানকৈ সৰ্বতোমুখী পৰিকল্পনা (মাষ্টাৰ প্লেন) প্ৰস্তুত কৰাৰ কাম কৰে। ইয়াৰোপৰি নগৰ অঞ্চলত বজাৰ, বাছ আস্থান, আবাসিক স্থানৰ আবণ্টন, ৰাস্তা-ঘাটৰ উন্নয়ন আৰু বস্তি অঞ্চলৰ উন্নয়ন, নিৰনুৱা যুৱকৰ কৰ্ম্ম সংস্থানৰ বাবে ঋণ আদি দিয়াৰ ব্যৱস্থা কৰা হয়। এই বিভাগৰ জৰিয়তে মুখ্যতঃ প্ৰস্তুত কৰা আঁচনিসমূহ চৰকাৰী বিভাগ, প্ৰাধিকৰণ আৰু স্থানীয়নিকায় সমূহৰ দ্বাৰা ৰূপায়ণ কৰাৰ উপৰিও সমন্বয় স্থাপন কৰা হয়। উপৰোক্ত কামসমূহ তলত উল্লেখ কৰা আঁচনি সমূহৰ জৰিয়তে ৰূপায়ণ কৰা হয়।

(১) ক্ষুদ্ৰ আৰু মজলীয়া নগৰৰ একীভূত উন্নয়নৰ আঁছনি (আই, ডি, এছ, এম, টি)।

(২) বস্তি অঞ্চলৰ পাৰিপাৰ্শ্বিকতাৰ উন্নয়ন।

(৩) নেহেৰু ৰোজগাৰ যোজনা।

(৪) নগৰৰ উন্নয়মূলক বিভিন্ন আঁচনি।

খ) বৰ্ত্তমান চৰকাৰৰ সময়ত তলত দিয়া চহৰসমূহত "সৰ্বতোমুখী পৰিকল্পনা"ৰ কাম হাতত লোৱা হৈছে।

(১) ডিফু (২) তিনিচুকীয়া (৩) উত্তৰ লক্ষীমপুৰ (৪) নামৰূপ (৫) মঙ্গলদৈ (৬) কোকৰাঝাৰ (৭) কৰিমগঞ্জ (৮) নলবাৰী (৯) বৰপেটা (১০) ধেমাজী।

গ) চহৰ এখনৰ "সৰ্বতোমুখী পৰিকল্পনা" (মাষ্টাৰ প্লেন) লওঁতে অন্তৰ্ভুক্ত হোৱা গাওঁসমূহৰ বাবেও পৰিকল্পনা কৰা হয়।

ঘ) প্রধানকৈ জিলা আৰু মহকুমাৰ সদৰসমূহ নগৰৰ জন গাঁঠনি আৰু নগৰৰ উন্নয়নৰ দিশৰ ভিত্তিত নিৰ্ব্বাচন কৰা হয়।

ঙ) নেহেৰু ৰোজগাৰ যোজনাৰ আঁচনিসমূহৰ ৰূপায়ণৰ বাবে মৰিগাওঁ নগৰ সমিতিক বিত্তীয় সাহায্য প্রদান কৰি থকা হৈছে। নেহেৰু ৰোজগাৰ যোজনাৰ অধীনত (১) নগৰীয় আৰু লঘু উদ্যোগ যোজনা, (২) নগৰীয় পাৰিশ্রমিক যোজনা, (৩) নগৰীয় আবাস উন্নয়ন যোজনা অন্তর্ভুক্ত হৈ আছে। এই আঁচনিৰ জৰিয়তে সার্ব্বজনীন সম্পত্তি নির্মাণৰ বাবে পাৰিশ্রমিক ৰোজগাৰ যোজনাৰ ব্যৱস্থা আছে। এই যোজনাত নগৰ সমিতিৰ জৰিয়তে কম মূলধনৰ পানী যোগান আঁচনি, নলা-নর্দ্দমা আদি সামূহিক সা-সুবিধাবোৰ গ্রহণ কৰা হয়।

বিষয় ঃ Purchasing of goods

শ্রীরামপ্যারে রবিদাস জিজ্ঞাসা করছেন ঃ

১৭৮। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

ক) বরাক উপত্যকার কাচার করিমগঞ্জ ও হাইলাকান্দি জিলায় অবস্থিত বিভিন্ন জনস্বাস্থ্য ও কারিকরী (PHE) বিভাগের Divisional Office গুলিতে বিগত ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ এবং ১৯৯৪-৯৫ আর্থিক বছর গুলিতে কি কি আসবাব পত্র furniture) ও stationery goods ক্রয় করা হয়েছে (প্রতিটি সামগ্রীর দাম সহ তালিকা দেবেন)

খ) যোগানকারীদের (suppliers) নাম, ঠিকানা ও যোগানের তারিখ ও মূল্য জানাবেন কি?

শ্রীদিনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী)য়ে উত্তর দিয়েছে ঃ

ক) এবং (খ)

বরাক উপত্যকার কাছার করিমগঞ্জ ও হাইলাকান্দি জিলায় অবস্থিত বিভিন্ন জনস্বাস্থ্য ও কারিকরী বিভাগের সংমণ্ডলে ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ এবং ১৯৯৪-৯৫ আর্থিক বছর গুলিতে ভিন্ন আসবাব পত্র এবং আদি stationery goods ক্রয়ের খতিয়ান এবং যোগান দারের বিবরণ দেওয়া হ'ল। (See Annexure-XII)

বিষয় ঃ দৈনিক বজাৰ অত্যাধুনিকীকৰণ।

শ্রীৰূপম কুর্ম্মীয়ে সুধিছে ঃ

১৭৯। মাননীয় নগৰ আৰু গ্রাম্য পৰিকল্পনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) যোৰহাট জিলাৰ মৰিয়ণী সমষ্টিৰ মৰিয়ণী চহৰত অৱস্থিত দৈনিক বজাৰটি অত্যাধুনিক কৰাৰ বাবে চৰকাৰে কিবা আঁচনি লোৱাৰ চিন্তা কৰিছেনে?

খ) যদি কৰিছে ইয়াৰ কার্য্যকৰী ব্যৱস্থা কেতিয়া কৰিব?

শ্রীঅঞ্জন দত্ত (নগৰ আৰু গ্রাম্য পৰিকল্পনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) কৰা নাই।

খ) প্রশ্ন নুঠে।

Re : Development of Water supply Scheme.

Shri Suren Swargiari asked :

180. Will the Minister of Public Health Engineering be pleased to state :

a) What are the latest development of the following Drinking Water Supply Schemes under E.E. P.H.E., Barpeta on the basis of the reply of my unstarred Q. No. 82 (E) given by the Hon'ble Minister concerned in the Budget Session on 17th March, 1993?

1. Anchali Drinking Water Supply Scheme.
2. Karhana Drinking Water Supply Scheme.
3. Takurakuchi Drinking Water Supply Scheme.
4. Gadhuligaon Drinking Water Supply Scheme.
5. Kaklabari Drinking Water Suply Scheme.

b) If those are not devloped, the reason thereof, and the what steps are being made for the development of those Schemes?

Shri Dinesh Prasad Goala (Minister, P.H.E.) replied :

(a) 1. All works except the accomodation of Staff have been completed and the Scheme has been commissioned.

2. All works except the accomodation of Staff have been completed and the Scheme has been commissioned.

3. The Scheme completed in all respect.

4. Except the Treatment Plant, all other works of the Scheme have been completed and the Scheme has been commissioned.

5. The Scheme is completed in all respect. However during disturbances the Scheme was badly damaged and the Supply has been disrupted.

b) All the Schemes have since been commissioned. Construction of Staff Quarters for Sl. & 2 and Treatment Plant for Sl. 4 and the damaged units of Sl. 5 are being taken up subject to availability of fund.

বিষয় ঃ দলঙৰ মেৰামতি।

শ্রীযতীন মালীয়ে সুধিছে ঃ

১৮১। মাননীয় ৰাজ্যিক গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) যোৱা ১৬-৩-৯৪ তাৰিখে প্রশ্নকর্ত্তাৰ তথাবিহিন প্রশ্নৰ (১৭ঃ) উত্তৰত বিধান সভাৰ মজিয়াত মন্ত্রী মহোদয়ে কৈছিল যে পলাশবাৰী সমষ্টিৰ ৫৩ খন দলঙৰ ভিতৰত ভঙা মেৰামতি কৰিবলগীয়া দলং মুঠ ৫০ খন। ৬ আৰু পুনৰ নির্মাণ কৰিবলগীয়া দলং ৩ খন, যদি সেয়ে হয় উক্তবোৰৰ মেৰামতি আৰু পুনৰ নির্মাণৰ ব্যৱস্থা কিবা লৈছেনে?

খ) যদি লৈছে বর্ত্তমানলৈকে কিমানখনৰ মেৰামতি আৰু পুনৰ নির্মাণ হ'ল জনাবনে?

গ) যদি হোৱা নাই নোহোৱাৰ কাৰণ ব্যাখ্যা কৰিবনে?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) দলঙ সমূহৰ মেৰামত পুনৰ নির্মাণৰ কাম বর্ত্তমান চলি আছে।

খ) মেৰামতি কৰিবলগীয়া মুঠ ৫০ খন দলঙৰ ভিতৰত ২২ খন দলঙৰ বর্ত্তমানলৈকে মেৰামতি সম্পূর্ণ কৰা হৈছে। ৮৬ খন দলঙৰ মেৰামতি মার্চ ৯৫ মাহৰ ভিতৰতে সম্পূর্ণ কৰিবলৈ হাতত লোৱা হৈছে। আৰু ৯ খন দলঙৰ মেৰামতিৰ কাম জুন/৯৫ মাহত সম্পূর্ণ কৰিবলৈ লোৱা হৈছে।

পুনৰ নির্মাণ কৰিবলগীয়া ৩ খন দলঙৰ ভিতৰত ১ খন দলঙ সম্পূর্ণ কৰা হৈছে।

গ) মেৰামতিৰ কাম পর্যায়ক্রমে হাতত লোৱা হৈছে।

বিষয় ঃ ৰাস্তা পকীকৰণ।

শ্রীধ্রুৱ কুমাৰ সেনে সুধিছে ঃ

১৮২। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ধুবুৰী Executive Engineer P.W.D. বিভাগৰ অধীনত অধীনত থকা বালাজানৰ পৰা ঢেপঢেপী লৈ যি ৰাস্তা আছে সেই ৰাস্তা পকা কৰাৰ কোনো ব্যৱস্থা চৰকাৰে লৈছে নেকি?

খ) যদি লোৱা নাই, নোলোৱাৰ কাৰণ জনাবনে?

গ) চৰকাৰে উক্ত ৰাস্তা পকা কৰা ব্যৱস্থা অতি সোনকালে ল'বনে?

শ্রীশৰৎ ৰৰকটকী (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) উক্ত ৰাস্তা পকীকৰণৰ বাবে চৰকাৰে ব্যৱস্থা লোৱা নাই।

খ) আৱশ্যকীয় পুঁজিৰ অভাৱৰ বাবে।

গ) উক্ত ৰাস্তা "বিশ্ব ব্যক্তি"ৰ আঁচনিৰ অন্তর্ভূক্ত কৰাৰ বাবে বিবেচনাধীন হৈ আছে।

বিষয় ঃ অবৈধভাবে কটা গছ।

শ্রীৰামেশ্বৰ ধানোৱায়ে সুধিছে ঃ

১৮৩। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ডিগবৈ বন সংমণ্ডলৰ অধীন লক্ষী পথাৰ বনাঞ্চলৰ ডিচেম্বৰ ১৯৯৪ আৰু জানুৱাৰী ১৯৯৫ এই দুই মাহত কিমান ঠিয় গছ অবৈধভাবে কটা হৈছিল জনাবনে?

খ) লক্ষী পথাৰ বনাঞ্চলৰ পৰা অবৈধভাব কুন্দা বোজাই কৰা গাড়ীৰ তালাচি লোৱাৰ তালাচি চকীৰ ব্যৱস্থা আচেনে নাই?

গ) যদি আছে সেই বাটে অবৈধ কুন্দা গাড়ী কেনেকৈ পাৰ হ'ব পাৰিলে জনাবনে?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ৫২ জোপা।

খ) আছে।

গ) দুষ্কৃতিকাৰীয়ে এই তালাচি চকী নথকা পথেৰে স্থানীয় ৰাইজৰ সহযোগত গছ কাটি নিয়ে।

বিষয় ঃ লাওখোৱা অভয়াৰণ্য।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১৮৪। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

ক) অসমৰ নগাওঁ জিলাত "লাওখোৱা অভয়াৰণ্য" বুলি এখন অভয়াৰণ্য আছে বুলি চৰকাৰে জানেনে?

খ) যদি জানে উক্ত অভয়াৰণ্যৰ প্রকৃত মাটি কালি কিমান আৰু এই অৰণ্যত কিমান গড়, বাঘ, হাতী, পহু, ভালুক আছে?

গ) উক্ত অভয়াৰণ্যৰ পৰা বহুমূলীয়া গছ-গছনি চোৰাং কাঠৰ ব্যৱসায়ীয়ে কাটি নিয়াৰ কথা চৰকাৰে জানেনে?

ঘ) কোন কোন বন বিষয়া ১৯৯১ চনৰ পৰা অভয়াৰণ্যৰ দায়িত্বত আছে জনাবনে?

শ্রীচামচুল হুদা (বন্যপ্রাণী বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হয়, জানে।

খ) প্রকৃত মাটিকালি ৭০১৩.৭৯ হেক্টৰ। ১৯৯৩ চনত হোৱা গণনা মতে পোৱা জন্তুৰ

হিচাপ এনে ধৰণৰ—

বনৰীয়া হাতী —	১১ টা
হগ ডিয়াৰ —	৪ টা
বাঘ —	২ টা
বনৰীয়া ম'হ —	১৬ টা
বনৰীয়া গাহৰি —	২১ টা
বান্দৰ —	২৪ টা

গ) হয়, দৃষ্টিগোচৰ হৈছে।

ঘ) অভয়াৰণ্যৰ দায়িত্বত থকা বন বিষয়াৰ নাম আৰু তেওঁলোকৰ কার্য্যকাল তলত দিয়া ধৰণৰ—

(১) শ্রী চি, আৰ, ভোবৰা (বন সংমণ্ডল বিষয়া) ২০-৫-৯০ ৰ পৰা ১৯-৮-৯৩ লৈ

(২) শ্রীচাহাবুল ইছলাম (বন সংমণ্ডল বিষয়া) ২০-৮-৯৩ ৰ পৰা বর্ত্তমানলৈ

(৩) শ্রীপঙ্কজ শর্ম্মা (বন সংপালক) ৫-১২-৮৯ৰ পৰা ৩০-৪-৯১ লৈ

(৪) শ্রীগোলক চন্দ্র শর্মা (উপ বন সংপালক) ৩০-৪-৯১ ৰ পৰা ২৪-২-৯২ লৈ

(৫) শ্রীৰফিকুল ইছলাম আহমেদ (বন সংপালক) ২৪-২-৯২ ৰ পৰা ১৩-২-৯৫ লৈ

(৬) শ্রীনিত্যানন্দ ওজা (বন সংপালক) ১৩-২-৯৫-ৰ পৰা বর্ত্তমানলৈ।

বিষয় ঃ আন্তঃ ৰাজ্যিক পথৰ প্রস্তাৱ।

শ্রীশশ কমল সন্দিকৈয়ে সুধিছে ঃ

১৮৫। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) লাহোৱালৰ (তিনিচুকীয়া জিলা) পৰা অৰুণাচল প্রদেশৰ ৰোচা পর্য্যন্ত আৰু লিডুৰ (তিনিচুকীয়া জিলা) পৰা অৰুণাচল প্রদেশৰ মিয়াও পর্য্যন্ত পথছোৱা আন্তঃ ৰাজ্যিক পথ হিচাপে ল'ৰৰ বাবে কেন্দ্রীয় চৰকাৰৰ কেন্দ্রীয় পৰিবহন মন্ত্রণালয়ৰ ওচৰত ৰাজ্যিক চৰকাৰে কিবা প্রস্তাৱাদি প্রেৰণ কাৰছে নে?

খ) যদি কৰা নাই কিয় কৰা নাই?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) নাই কৰা।

খ) লাহোৱালৰ পৰা ৰোচালৈ আৰু জাগৰণৰ পৰা মিয়াওলৈ থকা পথছোৱাত যানবাহনৰ ঘনত্ব ৰাষ্ট্রীয় ঘাই পথৰ বাবে আৱশ্যকীয় ঘনত্বৰ সমপর্য্যায়ৰ

নোহোৱাৰ বাবে বৰ্ত্তমানে কেন্দ্রীয় পৰিবহন মন্ত্রণালয়ৰ ওচৰলৈ কোনো প্রস্তাৱ প্রেৰণ কৰা হোৱা নাই।

বিষয় ঃ ক্ষতিপূৰণ।

মৌলানা আব্দুল জলিল ৰাগিৰীয়ে সুধিছে ঃ

১৮৬। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) যমুনামুখ সমষ্টিৰ মাদাৰ গাওঁৰ নিবাসী মৌলবী ইলিয়াছ আলী নামৰ এজন মানুহৰ নিজ ঘৰত বনৰীয়া হাতীয়ে আক্রমণ কৰি নিহত কৰা ঘটনাটো সঁচানে? যদি সঁচা হয় তেন্তে উক্ত ঘটনা কেতিয়া কিমান তাৰিখত কোন চনত ঘটিছিল? মৃতকৰ পৰিয়ালে চৰকাৰী নিয়ম অনুযায়ী ক্ষতিপূৰণ পাইছেনে? যদি পোৱা নাই তাৰ কাৰণ কি?

খ) উক্ত মৃতকৰ ক্ষতিপূৰণ দাবী কৰি স্থানীয় বিধায়কে বিভাগীয় মন্ত্রী মহোদয়ৰ ওচৰত ঘটনা সম্পর্কীয় সকলো নথি-পত্র দাখিল কৰিছিলনে? যদি হয় তেন্তে কেতিয়া কৰিছিল? উক্ত পৰিয়ালটোৱে ক্ষতিপূৰণ কেতিয়া পাব?

শ্রীছামছুল হুদা (বন্য প্রাণী বিভাগৰ ৰাজ্যিক মন্ত্রী (স্বতন্ত্র)য়ে উত্তৰ দিছে ঃ

ক) মদাৰতলি গাওঁৰ মৌলবী ইলিয়াছ আলী নামৰ কোনো ব্যক্তিক বনৰীয়া হাতীয়ে নিহত কৰা নাই। গতিকে ঘটনাৰ সময় ও ক্ষতিপূৰণ দিয়াৰ প্রশ্ন নুঠে।

খ) প্রশ্নত উল্লেখিত ব্যক্তিৰ হৈ ক্ষতিপূৰণৰ আবেদন কৰাৰ প্রশ্নও নুঠে।

বিষয় ঃ VFA School-ত স্থাপন।

শ্রীনগেন শর্মাই সুধিছে ঃ

১৮৮। মাননীয় পশুপালন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰিব জনাবনে ঃ

ক) নলবাৰী সৰিয়হতলীত স্থাপন VFA School-ত কোন তাৰিখৰ পৰা পাঠদানৰ কাম আৰম্ভ কৰা হ'ব?

খ) VFA School-ত নিযুক্তি দিয়া Principal গৰাকীয়ে উক্ত স্কুলত যোগদান কৰিছেনে?

শ্রীজগন্নাথ সিংহ (পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ১৯৯৫-৯৬ চনৰ ভিতৰত পাঠদানৰ কাম আৰম্ভ কৰাৰ বাবে প্রচেষ্টা চলোৱা হৈছে।

খ) নিযুক্তি দিয়া হোৱা নাই।

(Unstarred Question No. 188 was deferred)

বিষয় ঃ অসম চুক্তি।

শ্রীচন্দন কুমাৰ চৰকাৰে সুধিছে ঃ

১৮৯: মাননীয় অসম চুক্তি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) অসম চুক্তিৰ কিমানটা দফা এতিয়ালৈকে কার্য্যকৰী আৰু বাস্তৱত পৰিণত হৈছে জনাব নেকি?

খ) অসম চুক্তি কার্য্যকৰী ৰূপায়ণ কৰিবলৈ এতিয়ালৈকে কিমান টকা কেন্দ্রীয় চৰকাৰে অসম চৰকাৰক দিছে অনুগ্রহ কৰি জনাব নেকি?

গ) অসম চুক্তিৰ দফাবোৰ সম্পূর্ণ কার্য্যকৰী ৰূপায়ণ চৰকাৰে কিমান দিনৰ ভিতৰত কৰিব পাৰিব তাৰ সঠিক সময় জনাব নেকি?

ডাঃ ভূমিধৰ বর্মণ (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) অসম চুক্তি কার্য্যকৰী কৰিবলগীয়া দফাসমূহৰ (দফা ৫-ৰ পৰা ১৪ লৈ) কার্য্যকৰীকৰণ যথাবিহীত ভাবে চলি আছে।

খ) এই বিভাগত পোৱা তথ্য অনুসৰি অসম চুক্তিৰ দফাবোৰ ৰূপায়ণ কৰিবলৈ কেন্দ্রীয় চৰকাৰে অসম চৰকাৰক নিম্নলিখিত শিতানসমূহৰ এতিয়ালৈকে মুঠ ১০০৯৫৬০,৪৯.০০ টা মুকলি কৰি দিছে।

(১) আই, আই, টিৰ বাবদ মাটি অধিগ্রহণৰ বাবে— ৫,১৯,১৮,৪৯০.০০ টকা

(২) অশোক কাগজ কল পুনৰ মুকলি কৰাৰ সম্পর্কত — ১০,৬৯,০০,০০০.০০ টকা

(৩) শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্রৰ বাবে — ৩,১৫,০০,০০০.০০ টকা

(৪) সীমান্ত পথ আৰু কাইটীয়া তাৰৰ বেৰ নির্মাণত বাবদ — ৭৩,০০,০০,০০০.০০ টকা

(৫) অসম সমবায় মৰাপাট কলৰ বাবে — ২,৪০,০০,০০০.০০ টকা

(৬) বি, বৰুৱা কেঞ্চাৰ ইনষ্টিটিউটৰ বাবদ — ৪,২৫,০০,০০০.০০ টকা

(৭) কার্ডিও আৰু কর্ডিও থেৰাপিক চার্জাৰিৰ ডায়েগ্নষ্টিক ফেচিলিটিজ, কেঞ্চাৰ ট্রিটমেণ্ট

(৮) নুমলীগড় শোধানাগাৰৰ বাবে পৰিবর্তিতা ৰাষ্ট্রীয় পথ। ২,৪২,০০০.০০ টকা

(৯) যোগীঘোপাৰ ব্রহ্মপুত্রৰ দলংৰ সংলগ্ন পথৰ বাবে — ২,২৫,০০,০০০.০০ টকা

গ) ৯ নং দফাৰ (সীমান্ত আৰু কাইটীয়া বেৰ দিয়া) কার্য্যকৰীকৰণ ৩১-৩-৯৮ তাৰিখৰ ভিতৰত সম্পূর্ণ হ'ব বুলি আশা কৰা হৈছে।

৬ নং দফা অনুসৰি শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্র নির্মাণৰ কার্য্য কেন্দ্রীয় চৰকাৰে আগবঢ়োৱা চর্ত অনুসৰি দুবছৰৰ ভিতৰত সম্পূর্ণ হ'ব বুলি আশা কৰা হৈছে।

নুমলীগড় শোধানাগাৰ ১৯৯৭ ৰ জুলাই মাহত কার্য্যক্ষম হোৱাৰ আশা আছে। অশোক কাগজ কল ১৯৯৫ চনৰ শেষৰ ফালে কার্য্যক্ষম হৈ উটাৰ সম্ভাৱনা আছে। বাকী দফাসমূহৰ কাম চলি আছে।

বিষয় ঃ পথ পকীকৰণ।

ডাঃ কমলা কলিতাই সুধিছে ঃ

১৯০। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ইংৰাজী ১৯৯২-৯৩, ১৯৯৩-৯৪, ১৯৯৪-৯৫ বছৰকেইটাত ছয়গাওঁ সমষ্টিৰ অন্তর্গত গড়কাপ্তানী বিভাগৰ কিমান কিঃ মিঃ পথ পকীকৰণ কৰা হৈছে?

খ) পকীকৰণ যদি হোৱা নাই, কিয় হোৱা নাই জনাব?

গ) যদি হৈছে, তেন্তে কোন পথত কিমান কিঃ মিঃ পকীকৰণ হৈছে জনাব?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) প্রশ্নত উল্লেখিত বছৰকেইটাত ছয়গাওঁ সমষ্টিৰ অন্তর্গত কোনো গড়কাপ্তানী পথৰ কাম সম্পূর্ণ কৰিব পৰা হোৱা নাই।

খ) বিত্তীয় নাটনি আৰু ঠিকাদাৰসকলৰ অসহযোগৰ কাৰণে পকীকৰণ কাম কৰিব পৰা হোৱা নাই।

গ) পকীকৰণৰ কাম হোৱা নাই।

বিষয় ঃ গোৱালপাৰা জিলাৰ গ্রাম্য উন্নয়ন বিভাগৰ টকা।

শ্রীনজমুল হকে সুধিছে ঃ

১৯১। মাননীয় গ্রাম্য উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) গোৱালপাৰা জিলাৰ লক্ষীপুৰ ৰাজহ চক্রৰ অধীনত শোৱাৰী পৈতাৰী গাওঁত নৰ প্রবাসী নামৰ এটি ভুৱা আঁচনিত M.W.S. আৰু সাংসদ সদস্য অঞ্চল উন্নয়ন আঁচনিৰ পৰা মুঠ কিমান টকা ধার্য্য কৰা হৈছে সদনক জনাবনে?

খ) উক্ত নৰ প্রবাসী ফার্মিং চেণ্টাৰৰ Managing partner সকলৰ নাম সদনত দাখিল কৰিবনে?

গ) গোৱালপাৰা জিলাৰ গ্রাম্য উন্নয়ন বিভাগৰ বর্ত্তমান ১৯৯৪-৯৫ চনৰ ৩১ মার্চৰ ভিতৰত ধার্য্য কৰা সমুদায় টকা খৰচ কৰা সম্ভব হ'বনে?

শ্রীগৌতম ৰয় (ৰাজ্যিক পঞ্চায়ত আৰু গ্রাম্য উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) কোনো ধন ধার্য্য কৰা নাই।

খ) উক্ত নামৰ কোনো প্রতিস্থান উল্লেখিত গাওঁত থকা বুলি জনা নাযায়।

গ) ৩১-৩-৯৫ তাৰিখৰ ভিতৰত খৰচ হ'বলগীয়া ধন খৰচ কৰাৰ উদ্দেশ্যে সকলোবোৰ আঁচনিৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে।

বিষয় ঃ পবিদর্শনব বঙলা

শ্রীমুজিবুর রহমান ঃ

১৯২ মাননীয় গড়কাপ্তানী (ভেটারিনারী) বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাইবেন কি ঃ

ক) মবিগাওঁ আৰু নগাওঁ জিলাৰ প্রতি সমষ্টিত গড়কাপ্তানী বিভাগৰ পবিদর্শন বঙলা আছে নেকি

খ) নগাওঁৰ ধিং সমষ্টিত গড়কাপ্তানী বিভাগৰ পবিদর্শন বঙলা আছে নেকি

আৰু যদি আছে তেতিয়া কিমান আছে

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ মন্ত্রী) ঃ

ক) মবিগাওঁ আৰু নগাওঁ জিলাৰ প্রতি সমষ্টিত পবিদর্শন বঙলা আছে

খ) নগাওঁৰ ধিং সমষ্টিত গড়কাপ্তানী বিভাগৰ পবিদর্শন বঙলা আছে

১) বৰহমপুৰ বিধানসভা সমষ্টিত পবিদর্শন বঙলা ২ টা

২) লাহৰিঘাট " " " ১ টা

৩) কলিয়াবৰ " " " ১ টা

৪) ৰূপহীঘাট " " " ১ টা

৫) যমুনামুখ " " " ১ টা

৬) হাওলী " " " ১ টা

৭) বহা " " " ১ টা

৮) বটদৰা " " " ১ টা

৯) লামডিং " " " ১ টা

১০) নগাওঁ সদৰ " " " ১ টা

গ) নগাওঁ জিলাৰ অধিক সমষ্টিত কোনোটো গড়কাপ্তানী পবিদর্শন বঙলা নাই।

এইটো সম্পর্কে কোনো প্রশ্ন নুঠে।

Re: Enquiry Report of the Rao Committee.

Shri Kali Ranjan Deb asked

193. Will the Minister Veterinary be pleased to state:

a) What is the finding of Enquiry report of the Rao Committee on

L.O.C. scandal of Veterinary and Animal Husbandary Department.

b) Will the Govt. be pleased to place the enquiry report of the Rao Committee about L.O.C. scandal before the house.

c) If, any action has been taken against the officers/persons found at fault by the Rao Committee.

d) What is the total amount of money involved in L.O.C. scandal.

Shri Jagannath Sinha (Minister, A.H. & Veterinary) replied :

(a&b) The matter is confidential and under enquiry of C.B.I. In the interest of the confidentiality of the matter, it cannot be made public at this stage.

e) Yes, altogether 16 Officers of the A.H.& Vety. Deptt., 5 Officers of Finance Department and 2 Officers of the ACS cadre have been compulsorily retired.

Moreever, 2 Gazetted officers and 20 non-gazetted staff of Veterinary Department, 6 Treasury Officers under Finance Department and one Officer of ACS cadre have been placed under suspension.

d) The matter is under enquiry of C.B.I. and the total amount involved has not yet been determined.

বিষয় ঃ সুৰাৰ দোকানৰ সংখ্যা।

শ্রীহিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে ঃ

১৯৪। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) অসমত বিদেশী সুৰা বিক্রীৰ অনুজ্ঞাপত্র থকা দোকানৰ সংখ্যা কিমান আৰু দেশী সুৰা বিক্রীৰ বাবে অনুমতি প্রাপ্ত মহলৰ সংখ্যা কিমনা (জিলা ভিত্তিত ঠাইসমূহ উল্লেখ কৰি বিতং তথ্য সদনত দাখিল কৰিব)?

খ) হিংসাৰ পথ ত্যাগ কৰি মূল সুঁতিলৈ ঘুৰি অহা যুৱকক অনুমতি দিয়া এনে দোকান আৰু মহলৰ সংখ্যা কিমান?

গ) দেশী আৰু বিদেশী এই দুইবিধ সুৰা বিক্রীৰ পৰা কৰা হিচাপে বা অন্য ধৰণে চৰকাৰৰ ৰাজকোষলৈ অহা টকাৰ পৰিমাণ ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত কিমান? (দুয়োটা সুকীয়াকৈ দেখুৱাব)।

ঘ) ৰাজ্যখনত সুৰা বিক্রী সম্পূর্ণ বা আংশিক ভাবে বন্ধ (Prohibition) কৰাৰ বাবে চৰকাৰে চিন্তা কৰিলে, যদি নকৰে কিয়?

শ্রীহিতেশ্বৰ শইকীয়া (আবকাৰী বিভাগৰ মন্ত্রী (মুক্তমন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) অসমত বর্তমানলৈ বিদেশী সুৰা বিক্রী অনুজ্ঞাপত্র থকা দোকান আৰু দেশী সুৰাৰ বিক্রীৰ বাবে থকা মহলৰ সংখ্যা এনে ধৰণৰ ঃ

১। বিদেশী সুৰাৰ খুচুৰা অফ (off) দোকান	৩০১ খন
২। বিদেশী সুৰাৰ হোটেল অন (on) দোকান	৫৫ খন
৩। বিয়েৰ বাৰ (Bar) দোকান	৫৩ খন
৪। বিয়েৰ (off) দোকান	২৮ খন
৫। দেশীয় সুৰাৰ মহল	১৫৯ খন

(জিলাভিত্তিত তালিকা লগত গাঠি দিয়া হ'ল)

(See Annexure– XIII)

খ) হিংসাৰ পথ ত্যাগ কৰি মূল সুঁতিলৈ ঘুৰি অহা যুৱকক এই ভিত্তিত বিশেষ ভাবে বিবেচনা কৰি কোনো দোকান অথবা মহলৰ অনুমতি দিয়া হোৱা নাই। অৱশ্যে অনুজ্ঞাপত্র পোৱা ব্যক্তিৰ ভিতৰত এনেকুৱা যুৱকক নথকা নহয়।

গ) দেশী আৰু বিদেশী সুৰাৰ পৰা কৰ হিচাপে বা অন্য ধৰণে ৰাজকোষলৈ অহা ধনৰ পৰিমাণ তলত দিয়া হ'ল ঃ

<u>১৯৯১-৯২ চনত</u>	
১। দেশীয় সুৰা	৫,২২,০১,৭৪৭.২০ টকা
২। বিদেশী সুৰা	৯,৫৭,৯৩,৩৫৪.০৯ টকা
৩। অন্যান্য	১২,৬২,৫২৭.৭১ টকা
	মুঠ ১৪,৯২,৫৭,৬২৯.০০ টকা
<u>১৯৯২-৯৩ চনত</u>	
১। দেশীয় সুৰা	৫,১২,৫১,৪৪২.০০
২। বিদেশী সুৰা	১৩,৯৩,৩২,৩০৮.০০
৩। অন্যান্য	৪,৮২,১৬৭.০০
	মুঠ ১৯,২০,৬৫,৯১৭.০০
১৯৯৩-৯৪ চনত	
১। দেশীয় সুৰা	৫,৬৫,৩৯,২৮৪.৪২ টকা
২। বিদেশী সুৰা	১৬,৯৬,৩০১.৩৪ টকা
৩। অন্যান্য	১০,৮০,৪৫৫.২০ টকা
	মুঠ ২২,৭২,৬৫,০৪০.৯৬ টকা

ঘ) বর্ত্তমানে এনেকুৰা চিন্তা কৰা নাই। (নাকাম) (No) প্রশ্নটো।

চুবুলীয়া ৰাজ্যসমূহৰ শিঠিল সুৰা নীতিৰ পৰোক্ষ প্রত্যাঘাতস্বৰূপে প্রতিবেশী ৰাজ্যৰ গ্রাহকৰ চাহিদা আৰু চৰকাৰৰ ৰাজহ উপার্জনৰ স্বার্থত সম্পূর্ণ ভাবে সুৰা বন্ধ কৰাটো সম্ভব হোৱা নাই।

Mr. Speaker: Now Question Hour is over. I have received as many as 14 Zero Hour notices for 22.5.95 in the name of the following Hon'ble Members:

1. Shri Pani Ram Rabha.
   Shri Dilip Kumar Saikia.
2. Shri Derhaga Mushahary,
   Shri Dilip Kumar Saikia.
   Shri Karendra Basumatary.
3. Shri Dilip Kumar Saikia.
4. Shri Chandra Mohan Patowary.
   Dr. Zoli Nath Sarma.
   Shri Ramendra Narayan Kalita.
5. Shri Munin Mahanta.
6. Shri Munin Mahanta.
7. Shri Dhruba Kumar Sen.
8. Shri Dhruba Kr. Sen.
9. Smti. Renupoma Rajkhowa.
10. Shri Missin Ranjan Das.
    Shri Parimal Sukla Baishya.
11. Shri Dhruba Kumar Sen.
12. Shri Mati Renupoma Rajkhowa.
13. Shri Nazmul Haque.

14. Shri Dewan Joynal Abedin.

As per Rules, I have selected only 3 zero Hour notices for raising before the House today.

I now, call upon the Hon'ble Member, Shri Dhruba Kumar Sen to raise his zero Hour Motion which was published in the "Dainik Asom" dated 20.3.95 under the caption "মেনকা, ৫০ বছৰীয়া দখলকাৰীও উচ্ছেদ।"

শ্রীধ্রুব কুমাৰ সেন ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০ মাৰ্চ তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত মেনকা, ৫০ বছৰীয়া দখলকাৰী ও উচ্ছেদ শীৰ্ষক বাতৰিটো মাননীয় মুখ্যমন্ত্ৰী আৰু ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি ক'ব বিচাৰিছো যে নলবাৰী জিলাৰ তামুলপুৰ থানাৰ অন্তৰ্গত মেনকা চাহ বাগিছা সংলগ্ন আঙৰাকাটা গাঁৱৰ বাংলাভাষী প্ৰায় ৬০ টা দুখীয়া কৃষক পৰিয়ালক স্থানীয় প্ৰশাসনে উচ্ছেদ কৰে। বাগিছাৰ সংলগ্ন উক্ত গাঁৱৰ বাসিন্দাসকলে যোৱা প্ৰায় ৫০ বছৰ কাল ধৰি প্ৰায় ৫০ বিঘা খেতিৰ মাটি নিজৰ দখলত ৰাখি খেতি-বাতি কৰি আহিছে। কিন্তু বাগিছাৰ মালিকে স্থানীয় প্ৰশাসন সঞ্চানীয় কংগ্ৰেছী নেতা আৰু জনেকে কংগ্ৰেছী মন্ত্ৰীৰ মাজত হোৱা গোপন বুজাবুজিৰ ফলশ্ৰুতিত উক্ত মাটিৰ পৰা কৃষকসকলক উচ্ছেদ কৰে। কৃষকসকলৰ ওপৰত চৰকাৰী নিৰ্য্যাতন চলোৱাৰ উদ্দেশ্যে আৰু উক্ত অঞ্চলত এটা সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত কৰোৱাৰ বাবে বাগিছাৰ কৰ্ত্তৃপক্ষৰ সুপৰিকল্পিত ষড়যন্ত্ৰ যোৱা ২৩ ফেব্ৰুৱাৰী তাৰিখে ৰাতি এজন নেপালী সম্প্ৰদায়ৰ কৰ্ম্মীক হত্যা কৰা হয়। সদৌ অসম বঙালী যুৱ-চাত্ৰ ফেডাৰেশ্যনে এই সম্পৰ্কত যোৱা ২৩ তাৰিখৰ পৰা বহুবাৰ অসমৰ মুখ্যমন্ত্ৰী বিধান সভাৰ অধ্যক্ষ ৰাজহ মন্ত্ৰী জিলা উপায়ুক্ত আৰু স্থানীয় প্ৰশাসনক জনোৱা স্বত্বেও কোনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। সেয়েহে মই আজি এই সনদত জিৰো আওৱাৰ নটিচৰ যোগে মাননীয় ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো যে এই সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা কি তদন্ত কৰিছে আৰু কেনে ধৰণৰ ব্যৱস্থা হাতত লৈছে সেই বিষয়ে জনাব লাগে যাতে এই ঘটনাৰ পৰা কোনো ধৰণৰ সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টি নহয়।

☆ শ্রীমুকুট শর্ম্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সেন ডাঙৰীয়াই জিৰো আওৱাৰচত যিটো বিষয়ে উত্থাপন কৰিছে সেই বিষয়ে মই কোনো জিৰো আওৱাৰচৰ নটিচ পোৱা নাই, গতিকে এতিয়াই এই সম্পৰ্কত

স্পষ্টীকৰণ দিয়াতো অসুবিধা হ'ব তথাপিতো এই বিষয়ে মই চাই-চিতি ব্যৱস্থা লওঁ।

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী ডাঙৰীয়াই আন এটা দিনত এই বিষয়ে উত্তৰ দিব।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৰহাট বিজ্ঞান মহাবিদ্যালয় কিদৰে বৰ্তমান জৰাজীৰ্ণ হৈ পৰিছে, এই বিষয়ে মই মাননীয় উচ্চ শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বহুল ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰাৰ পৰিকল্পনা থকা ১৯৭১ চনতে স্থাপিত হোৱা যোৰহাট বিজ্ঞান মহাবিদ্যালয়খনৰ প্ৰতি চৰকাৰে ধাৰাবাহিক ভাবে দেখুৱাই অহা অবজ্ঞাৰ ফলত সম্প্ৰতি মহাবিদ্যালয়খন হৈ পৰিছে জৰাজীৰ্ণ। জানিব পৰা মতে উক্ত মহাবিদ্যালয়খনৰ উল্লিখিতকৰণৰ অৰ্থে ১৯৭১ চনৰে পৰা এতিয়ালৈকে ৩০ খনকৈ উচ্চ পৰ্য্যায়ৰ বৈঠক হৈ গ'ল কিন্তু এতিয়াও উন্নতিৰ নামত একো নহ'ল। তাৰোপৰি শেহতীয়াকৈ বিজ্ঞান মহাবিদ্যালয়ৰ ২০০ বিঘা মাটি বন গৱেষণা প্ৰতিষ্ঠানক অৰ্পণ কৰা হৈছে। তাত বন গৱেষণা কেন্দ্ৰ স্থাপন হ'লে ছাত্ৰ একতা সভৰ কোনো আপত্তি নাথাকিব বুলি জনাইছে যদিহে প্ৰকৃতাৰ্থত যোৰহাট বিজ্ঞান মহাবিদ্যালয়খনৰ বৰ্ত্তমানৰ অৱস্থা সলনি কৰা হয়। সম্প্ৰতি মহাবিদ্যালয়খনৰ চাত্ৰাবাস নাই, আজি কেবামাহো ধৰি তাত পানীৰ যোগান নাই, বিদ্যুতৰ যোগান বন্ধ হৈ আছে, লাইন কাটি দিছে। শ্ৰেণী কোঠা আৰু গৱেষণাৰ সুবিধা নাই। গতিকে মই মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো এই বিজ্ঞান মহাবিদ্যালয়খনক এখন পূৰ্ণ পৰ্য্যায়ৰ বিজ্ঞান মহাবিদ্যালয়লৈ উল্লিখিত কৰাৰ কি ব্যৱস্থা লৈছে সেইটো জনাব লাগে আৰু বন বিভাগৰ যিটো প্ৰতিষ্ঠানৰ কথা কোৱা হৈছে সেই বিষয়ে চৰকাৰৰ শেহতীয়া স্থিতি কি জনাব লাগে আৰু ছাত্ৰ একতা সভাৰ চৰকাৰৰ দৃষ্টিভংগী মহাবিদ্যালয়খন প্ৰযুক্তি মহাবিদ্যালয় হিচাপে পূৰ্ণাঙ্গ ৰূপ দিয়া যি দাবী সেই বিষয়টোৰ ওপৰত মন্ত্ৰী মহোদয়ে চৰকাৰৰ দৃষ্টিভংগী জনাব লাগে। বাৰটোৰ প্ৰকাশ হোৱা মতে— অসম চৰকাৰে পূৰ্ণাঙ্গ ৰূপত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰতিষ্ঠান গঢ়াৰ মানসেৰে ১৯৭১ চনতে যোৰহাটত উৎকৃষ্ট কেমিজানতত বিজ্ঞান মহাবিদ্যালয় প্ৰতিষ্ঠান কৰি অত বছৰে সাধাৰণ বিজ্ঞানৰ তিনিটা বিষয়ৰে শতক পৰ্য্যায়ত ৰাখি পুতলা কলেজ হিচাপে ৰাজনীতিৰ পাখা খেল খেলিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়বৰীয়া সকলে। তাৰোপৰি মহাবিদ্যালয়খনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰতিষ্ঠানলৈ পৰিণত কৰাৰ উদ্দেশ্যেৰে ইতিমধ্যে ৰাজীৱ গান্ধী বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰতিষ্টান নামাকৰণ

কৰিম বুলি চৰকাৰে ঘোষণা কৰা বিজ্ঞান মহাবিদ্যালয়খন হৈ পৰিছে এখন পুতলা কলেজ। উল্লেখযোগ্য যে অসমত থকা তিনিখন চৰকাৰী মহাবিদ্যালয়ৰ ভিতৰত বিজ্ঞান মহাবিদ্যালয় এখন যদিও ৰহস্যজনক ভাৱে চৰকাৰে গোৱহাটৰ বিজ্ঞান মহাবিদ্যালয়খনলৈ অবজ্ঞাৰ মনোভাৱ দেখুৱাই আহিছে। সম্প্ৰতি স্নাতক পৰ্য্যায়ত মাত্ৰ তিনিটা বিষয়ক লৈ বিজ্ঞান মহাবিদ্যালয়খন চলি আছে। অথচ তাত শ্ৰেণীকোঠা নাই, বিজ্ঞান মহাবিদ্যালয়ৰ গৱেষণাগাৰ নাই, তাৰোপৰি মহাবিদ্যালয়খনত পানীৰ অভাৱ আৰু ভালেমান দিনৰ ৰাবে বিদ্যুতৰ যোগান নাই। গতিকেই মোৰা ১৯৭১ চনতে প্ৰতিষ্ঠা হোৱা এই বিজ্ঞান মহাবিদ্যালয়খন কিয় ইমান অৱহেলিত অৱস্থাত আছে আৰু মহাবিদ্যালয় উত্তিকৰণ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে সেই বিষয়ে মাননীয় বিভাগীয় উচ্চ শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু অনুৰোধ জনালো যাতে এই মহাবিদ্যালয়খনৰ উন্নতিকল্পে ততালিকে ব্যৱস্থা লয়।

শ্ৰীগোলোক ৰাজবংশী (শিক্ষামন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই নটিচখন হাউচলৈ সোমোৱাৰ পিচতহে পাইছো। এই বিদ্যালয় সম্পৰ্কে কেনেকৈ উন্নত কৰিব পাৰি তাৰ ৰাবে ব্যৱস্থা লোৱা হৈছে।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ অধ্যক্ষ মহোদয় যোৱাবাৰৰ বিধান সভাৰ মজিয়াত এই বিজ্ঞান মহাবিদ্যালয়ৰ সম্পৰ্কত এটা প্ৰশ্ন দিয়া হৈছিল। এতিয়া ১৯৯৫ চনলৈকে এই বিষয়টোৰ ওপৰত কেইবাৰো নটিচো দিয়া হৈছে কিন্তু আজিলৈকে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে অতি সোনকালে এই বিত্তীয় বছৰতে এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

শ্ৰীগোলোক ৰাজবংশী (শিক্ষা মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় আমি অলপ বেছি ব্যৱস্থা লৈছো। আজি নটিচ মই ৯ বজাৰ পিচতহে পাইছো। কি কি ব্যৱস্থা লোৱা হৈছে মই লিখি চাৰ্কুলেট কৰি দিম।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, শূন্য কালৰ আলোচনাৰ ৰাবে আমি নটিচ দিয়াৰ ৰাবে বেছি সময় নাপাওঁ। গতিকে যিবিলাক বিষয় চৰকাৰৰ জ্ঞাত সেই বিষয়বিলাকৰ এটা থুলমুল আভাষ দিলে ভাল হয়। মন্ত্ৰী মহোদয়ৰ ওপৰত মই আক্ষেপ কৰা নাই। অসমত মাত্ৰ ৩ খন চৰকাৰী কলেজ আছে। কটন কলেজ, ডিফু কলেজ আৰু চাইঞ্চ কলেজ। এই বিষয়টোৰ লগত যোৱা ২৫ বছৰৰ ইতিহাস জৰিত হৈ আছে। গতিকে আশা কৰিছো মন্ত্ৰী মহোদয়ে কালিলৈ ভাল উত্তৰ দিব।

শ্রীগোলোক ৰাজবংশী (শিক্ষা মন্ত্রী) ঃ ভুল এটা উত্তৰ দিবলে গৈ বিচৰা নাই কালিলে একুৰেট উত্তৰ দিম।

Mr. Speaker : I now call upon the Hon'ble Member Shri Dewan Joynal Abedin to raise his zero Hour Motion which was published in "Natun Dainik" dated 21.3.95 under the caption "ৰেগিঙৰ অত্যাচাৰত ধৰাশায়ী গগৈ বাছি ল'লে মৃত্যুকেই।"

★ **দেৱান জয়নাল আবেদিন ঃ** মাননীয় অধ্যক্ষ মহোদয় মই যোৱা "নতুন দৈনিক" বাতৰি কাকতত প্ৰকাশিত এটা অতি শোকাবহ ঘটনাৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ। ঘটনাটো বাতৰি কাকতত যি ধৰণে প্ৰকাশ কৰা হৈছে মই তাৰ পৰা অলপ পাঁচ দিব বিচাৰিছোঁ।

শেষ হে'ল এগৰাকী উদীয়মান কৃতিয়ানৰ ৰঙীণ স্বপ্ন" ৰেগিঙৰ অত্যাচাৰত ধৰাশায়ী গগৈ বাছি ল'লে মৃত্যুকেই। দেশৰ আগশাৰীৰ মহাবিদ্যালয় কটন কলেজত পঢ়িবলৈ পোৱাটো পৰম সৌভাগ্য বুলিয়েই ধৰি লৈছিল কাকপথাৰ নামৰ পিচপৰা এই সৰু অঞ্চলটোৰ মেধাবী ছাত্ৰ গগৈৰামে। মনত পহি ৰাখিছিল সীমাহীন ৰঙীণ স্বপ্ন। গভীৰ আত্ম বিশ্বাস। ভৱিষতে নিজকে গঢ় দিব দেশৰ আগশাৰীৰ নাগৰিকৰূপে। পৰিয়ালটোও হে পৰিছিল আনন্দত আত্মহাৰা। কিন্তু পৰিয়ালৰ, গগৰ পৰিয়ালৰ, গগৰ ৰঙীণ স্বপ্ন, আশা আকাংক্ষাবোৰ চূড়মাৰ হ'বলৈ বেছিদিন নালাগিল। কটনৰ হোষ্টেলৰ পাশৰিক অত্যাচাৰত ধৰাশায়ী গগৈ ক্ৰমে হেঁচুৰাই পেলাইছিল মানসিক ভাৰসাম্য। অৱশেষত যোৱা ৮ মাৰ্চত ডিঙিত চিপজৰী লৈ আত্মহত্যা কৰিলে গগৈ। পলকতে ধূলিসাৎ হৈ গ'ল সকলো। কাকপথাৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ষ্টাৰ নম্বৰ সহ উত্তীৰ্ণ হৈছিল। সৰুৰে পৰা গগৈ মনত পুহি ৰাখিছিল কটন কলেজত বিজ্ঞান শাখাত পঢ়াৰ প্ৰবল বাসনা। পিতৃ ৰমাকান্ত গগৈয়েও পুত্ৰৰ সেই বাসনা পূৰ হওক বুলিয়েই তাক নাম ভৰ্ত্তি কৰাই দিছিল কটনত। ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ ১৩ নম্বৰ কোঠাত থকাৰ বাবে আসনো লাভ কৰিছিল গগৈ। ১৯৯৩ চনৰ ২৩ আগষ্টত পিতৃ ৰমাকান্তই গগৈক লৈ গ'ল গুৱাহাটীলৈ। অধ্যক্ষ মহোদয়, মই গোটেইখিনি কথা নাপাটো, পিচৰখিনি পঢ়ি দিছোঁ। ২৫ আগষ্ট তাৰিখে সন্ধ্যা হোঠেললৈ গৈ বিস্ময়াভূত হৈ পৰিল পিতৃ ৰমাকান্ত। পুত্ৰৰ ম্ৰিয়মান হে'ৰ গগৈক কৈ গ'ল দেউতাকক "কিছুমান ল'ৰাই এনেদৰে চুলি কটাৰ বাবে মোক নিৰ্দ্দেশ দিছে। আৰু নিৰ্দ্দেশ দিছে ডিঙিত গামোছা লোৱাৰ, নৱাগত আদৰণি সভা পৰ্য্যন্ত। দেউতাকেও কথাবোৰ সহজভাবে ল'বলৈ বুজনি দিলে গগৈক। ২৭ আগষ্টত

*** Speech not corrected**

দেউতাকে প্রত্যাৱর্তন কৰিলে কাকপথাৰলৈ। সেইদিনাই নিশা গৰ্গৰ জীৱনলৈ নামি আহিল সেই দুৰ্যোগপূৰ্ণ মুহূৰ্ত্তটো। গৰ্গৰ লগতে আন ৩ জন ছাত্রক ২ নং কোঠালৈ লৈ যোৱা হ'ল। প্রথমতে দাদা সকলে সুধিলে চাৰিওজনৰে নাম আৰু ঠিকনা। তাৰ পিচত অশ্লীল বাক্য পঢ়িবলৈ নিৰ্দ্দেশ দিয়া হ'ল। পিছৰ পৰ্য্যায়ত পেট পেলাই বিচনাৰ তলত সোমাবলৈ দিয়া হ'ল। ইয়াৰ পিচত কোঠাৰ মজিয়া এঘণ্টাৰ বাবে চেলেকি থাকিবলৈ গৰ্গক নিৰ্দ্দেশ দিলে দাদাইঁতে। এটা সময়ত তেজেৰে ৰাঙলী হৈ পৰিছিল গৰ্গৰ জিভা। এই কৰ্মৰ পৰা পৰিত্রাণৰ বাবে হাতযোৰ কৰি বাৰম্বাৰ কাতৰ অনুৰোধ জনালে গৰ্গই। মাস্তি নহ'ল সুৰামত্ত সেই দাদাসকল। তাৰ বিপৰীতে গৰ্গৰ মুৰত এটা বাল্টি ওভটাই ৰাখি লাঠীৰে প্রচণ্ড আঘাট কৰা হ'ল বাল্টিটোত। মূৰ্চা প্রায় গৰ্গই কান্দি কান্দি ভাগৰি পৰিল। কিন্তু অবিচলিত হৈ ৰ'ল মদমত্ত সেই দাদাসকল। তেওঁলোকৰ অট্টহাস্যত জিনি গ'ল হোষ্টেলৰ কেউদিশ। পুনৰ নিৰ্দ্দেশ আহিল জিভা আৰু নাক কাষৰ বেৰত এঘণ্টাৰ বাবে ঘঁহনি খুওৱাৰ। এনেদৰেই গোটেই নিশা গৰ্গৰ ওপৰত চলিল অমানুশিক অত্যাচাৰ। এই বিষয়ে কাৰোবাৰ আগত ব্যক্ত কৰিলে মৃত্যুৰো ভাবুকি দিলে সিহঁতে। গৰ্গই কিন্তু হোষ্টেলৰ চুপাৰ, আগষ্টত নিজা নিজ ঘৰলৈ ঘুৰি আহিল গৰ্গ। গৰ্গৰ এই ভগ্ন অস্থাত সচকিত পৰিয়াল বৰ্গই ২৯ আগষ্টত তাক চিকিৎসকৰ ওচৰলৈ লৈ গ'ল। চিকিৎসকে নিৰ্ণয় কৰিলে গৰ্গই মগজুত প্রচণ্ড আঘাট পাইছে। ক্রমান্বয়ে জিভাৰ ঘাবোৰ ভাল হৈ আহিল যদিও মগজুৰ বিকৃতি ঘটিল গৰ্গৰ। প্রায় এক সপ্তাহৰ পিছত দেউতাক ৰমাকান্তই গুৱাহাটীলৈ গৈ হোষ্টেলৰ চুপাৰ আৰু কলেজৰ অধ্যক্ষক এই গোটেই বিষয়টো লিখিতভাবে জনায়। কিন্তু আশ্চর্য্যজনকভাৱে চুপাৰ আৰু অধ্যক্ষই বিষয়টোত কোনো গুৰুত্বই নিদিলে। গুৰুতভ অভিযোগ তুলি পিতৃ ৰমাকান্তই কয়। পিছত তিনিচুকীয়াৰ চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দেউতাকে নাম ভর্ত্তিও কৰাই দিলে গৰ্গক। কিন্তু কোনো লাভ নহ'ল। দিনে দিনে গৰ্গৰ অৱস্থা বেয়াৰ ফালে ঢাল খালে। এটা সময়ত পিতৃ-মাতৃকো চিনিব নোৱাৰা হৈ পৰিল সি। অৱশেষত যোৱা ৮ মার্চত বিয়লি প্রায় ডেৰ বজাত ডিঙিত চীপজৰী লৈ আত্মহত্যা কৰিলে প্রতিভাৱান ছাত্রজনে। লগে লগে অৱসান ঘটিল ভৱিষ্যতৰ এটি সম্ভাৱনাপূৰ্ণ জীৱনৰ।

অধ্যক্ষ মহোদয়, এই যে ঘটনা ঘটিল এইটো এঝন গৰ্গৰামৰ ঘটনাই নহয়। আজি আমাৰ দেশৰ শিক্ষা ব্যৱস্থাত কি হৈছে আজি এজন প্রতিভাৱান চাত্রৰ আশা আকাংক্ষা শেষ হৈ গ'ল। ভিতৰুৱা গাঁৱৰ পৰা আহি এই চৰকাৰী কলেজখনত

বিজ্ঞান শাখাত পঢ়িবলৈ তেওঁ সুবিধা পাইছিল। কিন্তু সেই সুযোগৰ সদ্ ব্যৱহাৰ কৰিব নোৱাৰিলে। অকস্মাতে তেওঁৰ জীৱনৰ অৱসান ঘটিল। এইটো অতি অত্যন্ত সৰ্মান্তিক ঘটনা। আজি অসমৰ বিভিন্ন শিক্ষা প্ৰতিষ্ঠানত এনে ধৰণৰ ৰেগিঙৰ নামত অসভ্যালি, বৰ্বৰতা চলোৱা হৈছে। এই অৱক্ষয়ী দিশটো পুজিপতি সমাজ ব্যৱস্থাৰ এটা জঘণ্য প্ৰকাশ। অধ্যক্ষ মহোদয় এই ব্যৱস্থাৰ এটা প্ৰতিকাৰ কৰিব নোৱাৰিলে পৰিণতি বেয়া হ'ব। আমি দেখিছো আমাৰ শাসক দলৰ কৰ্মকৰ্ত্তাসকল আজি নিৰ্বিকাৰ হৈ বহি আছে। এই ধৰণে আমি যুৱকসকলক এটা ভয়াবহ পৰিস্থিতিৰ পালে যাবলৈ দিয়াটো বন্ধ কৰিব লাগে। যদিহে বন্ধ কৰিব পৰা নহয়, কোনো ব্যৱস্থা লোৱা নহয় তেনেহ'লে অদূৰ ভৱিষ্যতে কি হ'ব এইটো সকলোৱে উপলব্ধি কৰিব পাৰিব। আজি অকল ল'ৰাৰ হোষ্টেলতে নহয় ছোৱালীৰ হোষ্টেল বিলাকতো এইবিলাক ঘটনা ঘটি আছে। এই নৈতিক অৱক্ষয় ৰোধ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে? গৰ্গৰামৰ দেউতাকে অধ্যক্ষ আৰু হোষ্টেল চুপাৰক কোৱা স্বত্বেও কিয় কোনো গুৰুত্ব নিদিলে এই সম্পৰ্কে তদন্ত কৰিব লাগে আৰু জনাব লাগে। কোনো ধৰণৰ প্ৰতিকাৰ কৰা নহ'ল কিয় জনাব লাগে?

মাননীয় অধ্যক্ষ মহোদয় ঃ এই জঘণ্য কামটো যি সকলে কৰিলে তেওঁলোকক বিচাৰি উলিয়াই শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। গৰ্গৰামৰ দৰে আজি হেজাৰ বিজাৰ ছাত্ৰ বিভিন্ন শিক্ষানুষ্ঠানত এনে অত্যাচাৰৰ বলি হৈ আহিছে। ইয়াক যদি কঠোৰ ব্যৱস্থাৰে ৰোধ কৰা নেযায় তেন্তে ই বাঢ়ি গৈ থাকিব। অধ্যক্ষ মহোদয়, আপুনিও এজন শিক্ষক আছিল আৰু ময়ো শিক্ষক আছিলো, মই আপোনাৰ জৰিয়তে শিক্ষা বিভাগৰ কৰ্ণধাৰসকলক, শিক্ষা মন্ত্ৰী, মুখ্যমন্ত্ৰী, লগতে সমাজৰ সৰ্বসাধাৰণ ৰাইজক আজি অনুৰোধ কৰিছো — এই গৰ্গৰামৰ ঘটনাটো যাতে তদন্ত কৰা হওক, এই ঘটনাত জৰিত সকলো লোককে বিচাৰি উলিয়াই কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থা কৰক। আমি জানো এনে কৰিলে গৰ্গৰাম ঘূৰি নাহে কিন্তু এই সমাজখনৰ অধঃপাতে যোৱা এই লোকসকলে জানিব পাৰিব, বুজিব যে আমাৰ দেশত শাসন ব্যৱস্থা আছে, চৰকাৰে আছে আৰু এনে ঘটনাৰ প্ৰতিকাৰ কৰাৰ কাৰণে কিছু মানুহো আছে। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো চৰকাৰে যাতে এই ঘটনাৰ অনুসন্ধান অতি সোনকালে কৰে আৰু দোষীক শাস্তি দিয়ে। এই ঘটনাৰ কাৰণে কটন কলেজৰ অধ্যক্ষ হোষ্টেল চুপাৰ আদিৰ কৈফিয়ৎ তলব কৰিব লাগে। কিয়নো তেওঁলোকে এনে ধৰণৰ এটা ঘটনাক সাধাৰণ ঘটনা বুলি উলাই কৰিছে, অভিযোগ পোৱাৰ পাচতো

তেওঁলোকে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। আমাৰ উঠি অহা এচাম উদণ্ড চাত্ৰ-যুৱকে, এই দাদাসকলে বুজিব পাৰিব লাগে যাতে ৰেগিঙৰ নামত তেওঁলোকে যি খুচি তাকে কৰিব নোৱাৰে। এনে ঘটনাবোৰে আমাৰ উঠি অহা চামক অধঃপাতে লৈ গৈছে— ইয়াৰ প্ৰতিকাৰ কৰিব লাগে, এই ব্যৱস্থা বন্ধ কৰিব লাগে। এই ঘটনাটোৰ সোনকালে তদন্ত কৰি দোষীক বিচাৰি উলিয়াই শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

Mr. Speaker : Hon'ble Member Shri Dilip Kumar Saikia to Speak.

শ্ৰীদিলীপ কুমাৰ শইকীয়াই ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীআবেদিন ডাঙৰীয়া, যিটো কথা উত্থাপন কৰিছে যে গৰ্গৰাম নামৰ এজন ল'ৰা কটন কলেজত পঢ়িবলৈ আহি ৰেগিঙৰ বলি হৈ মৃত্যুক আকোৱালি ল'লে, ই সঁচাকৈয়ে এক হৃদয় বিদাৰক ঘটনা। গাঁৱৰ পৰা অহা এই মেধা উদীয়মান যুৱকজনে বুকুত বহুত আশা লৈ অসমৰ নামি কলেজ কটন কলেজত পঢ়িবলৈ আহিছিল কিন্তু তেওঁ পালে কি? অধ্যক্ষ মহোদয়, এই বিধান সভাতে ৰেগিঙৰ সম্পৰ্কে আগতেও আলোচনা-বিলোচনা কৰা হৈছিল, মন্ত্ৰীয়েও উত্তৰ দিছিল ব্যৱস্থা গ্ৰহণৰ কথাৰে। কিন্তু ৰেগিং চলিয়েই আছে। অধ্যক্ষ মহোদয়, এই ৰেগিং নামৰ ব্যাধিটো বন্ধ কৰাৰ কাৰণে এখন আইন প্ৰণয়ন কৰিব লাগে। এই ব্যাধিটোৰ কাৰণে আমাৰ কিছুমান ৰাজনৈতিক নেতাও কম বেছি পৰিমাণে দায়ী বুলি মই ভাবো। মই নিজেও এজন ৰাজনৈতিক নেতা। আমি স্কুল কলেজবোৰত ৰাজনৈতিক প্ৰভাব পেলাবলৈ চেষ্টা কৰিছো নেকি। এই গৰ্গৰামৰ ঘটনাটো অতি সোনকালে চৰকাৰে তদন্ত কৰিব লাগে আৰু ইয়াৰ লগত জড়িত ছাত্ৰসকলক বহিষ্কাৰ কৰিব লাগে। কলেজৰ অধ্যক্ষ আৰু হোষ্টেল চুপাৰৰ ওপৰত কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিব লাগে কৰ্ত্তৃপক্ষই, কিন্তু একো ব্যৱস্থা নল'লে, অথচ তেওঁলোকে ঘটনাটোৰ বিষয়ে জানিছিল। অসমৰ গাঁৱৰ পৰা যি সকল দুখীয়া মেধা ছাত্ৰ-ছাত্ৰী কটন কলেজত পঢ়িবলৈ আহিম বুলি আশা পালি আছে তেওঁলোকে এনে ঘটনা শুনাৰ পিচত ইয়াত পঢ়িবলৈ আহিবলৈ ভয় কৰিব। অকল কটন কলেজতেই ৰেগিং চলা নাই, অন্যান্য শিক্ষানুষ্ঠান সমূহতো চলি আছে। যোৱা বছৰ নলবাৰীৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক এগৰাকীৰ ছোৱালী শৰাইঘাট দলঙৰ পৰা জপিয়াই নদীত পৰি আত্মহত্যা কৰিলে— তেওঁ কিয় এনে কৰিলে তাৰ কোনো বিচাৰ নহ'ল। যোৰহাট ইঞ্জিনিয়াৰিং কলেজৰ ভিতৰতো ৰেগিঙৰ বহুত অভিযোগ পোৱা হয়— কিন্তু সঠিক বিচাৰ নহয়। আজিৰ এচাম কলেজৰ যুৱকে যি আচাৰ-ব্যৱহাৰ দেখুৱাবলৈ ধৰিছে, ইয়াক যদি কঠোৰ

হাতেৰে দমন কৰা নেযায়, তেন্তে এনে অৱস্থাই আমাক ভৱিষ্যতৰ অন্ধকাৰলৈ লৈ যাব। বিধান সভাত আইন প্ৰণয়ন কৰি এই উশৃংখল যুৱকসকলক দমন কৰিব লাগিব। কেৱল ল'ৰাৰ কলেজতে বা ল'ৰাৰ মাজতে যে ৰেগিং চলে এনে নহয় ছোৱালী কলেজ আৰু ছোৱালী হোষ্টেলবোৰতো এই ৰেগিং জঘণ্য ৰূপত চলে। আজি গুৱাহাটীৰ নামি নামি কলেজবোৰত এচাম ল'ৰা-ছোৱালীৰ মাজত দ্ৰাগ সেৱন বৃদ্ধি পাই আহিছে, মদ প্ৰচলন বৃদ্ধি পাইছে। সন্দিগৈ গার্লচ কলেজ আৰু কটন কলেজৰ ল'ৰা-ছোৱালীৰ মাজত এনে দ্ৰাগ বেছি চলে বুলি শুনা যায়। মদ খাই ল'ৰা ক'ৰবাত পৰি থকা, কাৰোবাক অসৎ আচৰণ কৰা, অসৎ কামত লিপ্ত হোৱা এনে ঘটনাও ঘটিছে। পুলিচৰ ডায়েৰি চালে এইবোৰ তথ্য ওলাই পৰিব। ইয়াৰ পৰিণাম কিন্তু অতি ভয়াবহ আমাৰ সমাজৰ কাৰণে— ইয়াত আমি চকু দিব লাগিব। বিশ্ববিদ্যালয়তো উশৃংখলতা বৃদ্ধি পাই আহিছে ছাত্ৰৰ মাজত— এইবোৰ আমি আইন প্ৰণয়ন কৰি হ'লেও কঠোৰ ভাবে দমন কৰিব লাগিব। পাকিস্তানত এনে লোকক বেট্টাঘাট কৰাৰ ব্যৱস্থা আছে, আমাৰ ইয়াতো এনে ব্যৱস্থা কৰিব পৰা যায়। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিব খুজিছো যে এই গৰ্গৰামৰ ঘটনাটো অতি সোনকালে অনুসন্ধানৰ ব্যৱস্থা কৰি, তদন্তৰ ব্যৱস্থা কৰি দোষী লোকক কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে — তেওঁলোকে যাতে যিমান ডাঙৰ মানুহেই নহওক সাৰি যাবলৈ দিব নালাগে।

Mr. Speaker : Hon'ble Dr. Zoii Nath Sarma.

★ **ডঃ জয়নাথ শর্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভাৰ মজিয়াতে ৰেগিং সম্পৰ্কে আগতে আলোচনা হওতে তেতিয়াৰ শিক্ষা মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মণে, মোৰ এটা প্ৰশ্নৰ উত্তৰ দান কৰোতে ৰেগিং সম্পৰ্কে এখন বিল অনা হ'ব বুলি সদনত এচুৰেঞ্চ দিছিল। কিন্তু এচুৰেঞ্চ দিয়া আজি ২ বছৰ হৈ গ'ল। তেতিয়া দিয়া এচুৰেঞ্চ মতে সদনত বিল অনা হ'লে আজি গৰ্গৰামৰ দৰে ছাত্ৰৰ শোকাবহ মৃত্যু নহ'লহেঁতেন। এতিয়া কথাটো হৈছে সদনত মন্ত্ৰীয়ে এচুৰেঞ্চ দিয়াৰ পিচতো, দুবছৰ পাৰ হৈ যোৱাৰ পিচততো শিক্ষা বিভাগে কোনো কার্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাই কিয়? ৰেগিং বন্ধ কৰা সম্পৰ্কে বিল আনিম বুলি কৈ কিয় ইমান দিনে অনা নাই কিয় মন্ত্ৰীয়ে প্ৰতিশ্ৰুতি ৰক্ষা কৰা নাই, মন্ত্ৰী মহোদয়ে জনালে ভাল হয়।

Mr. Speaker : Hon'ble Shri Muzibur Rahman.

★ **শ্ৰীমুজিবুৰ ৰহমান ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰেগিং সম্পৰ্কে যিটো আলোচনা

---

* Speech not corrected

কৰা হৈছে এই বিষয়টো অতি গুৰুত্বপূৰ্ণ। প্ৰত্যেকে শিক্ষা বছৰ আৰম্ভ হোৱাৰ লগে লগে এনে কিছুমান পোহৰলৈ নাহে। প্ৰতি বছৰে আমাৰ মেডিকেল কলেজ, ভেটেনেৰি কলেজ, ইঞ্জিনিয়াৰিং কলে আৰু আন মহাবিদ্যালয় বিলাকত ৰেগিঙৰ নামত তাত কেনে ধৰণৰ অৱস্থাৰ সন্মুখীন হ'বলগীয়া হয় সেইটো জ্ঞাতসকলেহে উপলব্ধি কৰিব পাৰিছে। এইবিলাক ৰেগিঙৰ নামত অত্যাচাৰ নবাগত আদৰণি সভা নোহোৱালৈকে জ্যেষ্ঠ ছাত্ৰসকলে নবাগত ছাত্ৰসকলৰ ওপৰত চলাই থাকে। জ্যেষ্ঠ ছাত্ৰসকলে এনে বিকৃত মানসিকতাৰে এই কাৰ্য্যত লিপ্ত হয় যে কোনো কোনো নতুন ছাত্ৰ শিক্ষানুষ্ঠান এৰি যাবলৈ বাধ্য হয়। আমাৰ নগাওঁ জিলাত এনে ধৰণৰ এটা ঘটনা ঘটিছিল য'ত এটা ল'ৰাই এই অত্যাচাৰত অতিষ্ঠ হৈ মৃত্যুবৰণ কৰিবলগীয়া হৈছিল আৰু সেই ল'ৰাজন বাপেকৰ এখমাত্ৰ ল'ৰা আছিল। গতিকে এই ৰেগিং বন্ধ কৰাৰ বাবে তৎকালীন ব্যৱস্থা ল'ব লাগে, মই বিৰোধী পক্ষৰ লগতো একমত যে দৰকাৰ হ'লে এই বিষয়ত এই বিধান সভাত এখন বিল আনিব লাগে। এই ক্ষেত্ৰত শিক্ষানুষ্ঠানৰ মুৰব্বী সকলেও আওপকীয়া মনোভাৰ লোৱা দেখা যায়। তেওঁলোকে দায়িত্ব এৰাই চলিব বিচাৰে। যোৱাবাৰ ডিব্ৰুগড়ৰ ফাৰ্মেচি ইন্সটিটিউটত এনে ধৰণৰ এটা ঘটনা ঘটিছিল। গতিকে এই ধৰণৰ ঘটনাৰ আৰু যাতে পুনৰাবৃত্তি হ'ব নোৱাৰে। আমাৰ ফুলকুমলীয়া ছাত্ৰ-ছাত্ৰী সকলৰ জীৱনৰ সপোন যাতে ধ্বংস হৈ যাবলগীয়া নহয় তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এইটো ৰোধ কৰিবলৈ দৰকাৰ হ'লে এখন বিল অনাৰো ব্যৱস্থা কৰিব লাগে। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Hon'ble Member Moulana Abdul Jalil Ragibi

★ **মৌলনা আব্দুল জলিল ৰাগিবী ঃ** মাননীয় অধ্যক্ষ মহোদয় আজি ৰেগিং সম্পৰ্কে যি আলোচনা হৈছে, সেই বিষয়ত ঘটি থকা ঘটনাবিলাক কিমান মৰ্ম্মান্তিক, কিমান কৰুণ আৰু কিমান লজ্জাজনক তাক ভাষাৰে বৰ্ণাব নোৱাৰি। আমাৰ অসমত নাম কৰা মহাবিদ্যালয় হৈছে কটন মহাবিদ্যালয় আৰু এই কটন মহাবিদ্যালয়ৰ পৰা বহুত মেধাবী ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা লাভ কৰিছে আৰু জন্মগত বা স্বাভাৱিকতে সেই ছাত্ৰ-ছাত্ৰীসকলৰ মেধা শক্তি বিকশিত হয় এই শিক্ষানুষ্ঠানৰ পৰিবেশত। এই শিক্ষানুষ্ঠানৰ কিছুমান ক্ষেত্ৰত ৰিজাৰ্ভেচন আছে আমাৰ অসম চৰকাৰে কিছুমান বিভাগত নিযুক্তি দিবলৈ।

কিছুমান চাকৰি পাবলৈ হ'লে এই কলেজত শিক্ষা লাভ কৰা হ'ব লাগে এনে ধৰণৰ কিছুমান নিয়ম আছে। শিক্ষানুষ্ঠানত নতুন ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত কৰা

পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ অত্যাচাৰ আমাৰ অসমতেই নতুন কথা নহয় সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰতিখন শিক্ষানুষ্ঠানতে এই ধৰণৰ জঘণ্য অপৰাধ জটিল সমস্যাত পৰিণত হৈছে। নতুন ছাত্ৰ-ছাত্ৰী সকলেই শিক্ষানুষ্ঠানলৈ যায় তাত আগৰ পুৰণা ছাত্ৰসকলে তেওঁলোকৰ ওপৰত ভাষাৰে বৰ্ণনা কৰিব নোৱাৰা ধৰণৰ চৰম নিৰ্ম্মম অত্যাচাৰ আৰু নিৰ্লজ্জ ব্যৱহাৰ কৰা এটা মাৰাত্মক অপৰাধ আৰু এনে অপৰাধে শৈক্ষিক পৰিবেশ নষ্ট কৰি পেলাইছে। এই ধৰণৰ অমানুষিক জঘণ্য অপৰাধ চলি থাকিবলৈ দিয়াতো এখন শিক্ষানুষ্ঠানৰ কাৰণে, এখন সমাজৰ কাৰণে ; এটা জাতিৰ কাৰণে তথা এখন দেশৰ কাৰমে চৰম লজ্জাজনক। এনে ধৰণৰ পুৰণি ছাত্ৰসকলে নতুন ছাত্ৰসকলৰ ওপৰত ৰেগিঙৰ নামত চলোৱা অত্যাচাৰৰ কথা আমি বিভিন্ন পত্ৰিকাত বা বাতৰি কাকতত পঢ়িবলৈ পাওঁ। আজি-কালি আনকি ছাত্ৰীসকলেওঁ এই ৰেগিং কার্য্যত লিপ্ত হৈ পৰিছে আৰু তেওঁলোকে আনকি "চেক্স" সম্পৰ্কীয় অত্যাচাৰো কৰিবলৈ লৈছে, যিবোৰ কথা ক'বলৈ লাজ লাজে। গতিকে অধ্যক্ষ মহোদয়ে, এইবিলাক ৰোধ কৰিবৰ কাৰণে এনে ধৰণৰ ব্যৱস্থা কৰিব লাগে যাতে এই ৰেগিঙক এটা চৰম অপৰাধ হিচাপে গণ্য কৰা হয় আৰু এই অপৰাধত লিপ্ত হোৱা ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত যাতে চৰম শাস্তিমূলক ব্যৱস্থা আনকি শিক্ষা জীৱনৰ পৰা 'ৰাষ্টিকেট' পর্য্যন্ত কৰা হয় আৰু শিক্ষানুষ্ঠানৰ মূৰব্বী সকলৰ ওপৰতো শাস্তিমূলক ব্যৱস্থা লোৱা হয়। মই আজি এই সদনত আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে তেখেতে ভাৰতৰ ভিতৰতে প্ৰথম এনে এটা উদাহৰণ দেখুৱাওঁক যাতে এখন বিল উত্থাপন কৰি হ'লেও এই চৰম অপৰাধ ৰোধ কৰাৰ ব্যৱস্থা কৰা হয়। এইটো যাতে গোটেই ভাৰতৰ বাবে এটা উদাহৰণস্বৰূপ হয়। নহ'লে আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ বহুত বহুমূলীয়া জীৱন ধ্বংস হ'ব। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Mr. Speaker : Hon'ble Member Shri Lakhi Prasad Borgohain

★ **শ্ৰীলক্ষীপ্ৰসাদ বৰগোহাঁই ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰেগিং বুলিলে আজি শব্দটোৱে যুৱ মানসিকতা কথাকে সূচায়। কিন্তু ৰেগিং সত্য যুগৰ পৰাই চলি আহিছে। আমাৰ মহাভাৰত, ৰামায়ণতো ৰেগিং বোলা বস্তুটো আছে। ৰেগিং বেয়া বস্তু নহয়। আমাৰ বিয়া পাতিলে তাত দৰা-কইনাৰ লজ্জা ভাৱ গুচাবলৈ কড়ি খেলোৱা, চাউলত আঙুঠি লুকোৱা আৰু বিচৰা-বিচাৰি কৰোতে চুপতি মৰা ইত্যাদি বহুত কথা (সদনত হাঁহিৰ ৰোল)। আমাৰ পুৰোহিতেও কয় আপুনি কইনাক কি বুলি মাতিব বুলি ভাবিছে। আকৌ কইনাকো সোধে আপুনি দৰাক কি বুলি মাতিব বুলি ভাবিছে। এইবিলাকো এক প্ৰকাৰ ৰেগিং। কিন্তু ৰেগিংৰ

উদ্দেশ্য সৎ। চাত্রসকল নতুনকৈ আহিছে। পুৰণি চামে চা-চিনাকি ধেমালিৰ জৰিয়তে হৈছে। লজ্জা ভাৱ ভাঙিছে। ইত্যাদি কথা। আজি ৰেগিঙে যিটো অৱস্থা পাইছে সেই অৱস্থাটোৰ বিষয়ে আমাৰ প্ৰত্যেকজন সচেতন নাগৰিকে, ৰাজনীতিবিদ, শিক্ষাবিদ, সমাজবিদ প্ৰত্যেকৰে উদ্ধীগ্নতাৰ বিষয় হৈ পৰিছে। আজি আমি আমাৰ ছাত্ৰ-ছাত্ৰীসকলক খোলোচা মনেৰে হোষ্টেললৈ বাঁ শিক্ষা লাভ কৰিবলৈ পঠিয়াি শান্তিত থাকিব নোৱাৰো পিতৃ-মাতৃসকলে। আমিওতো কলেজত পঢ়িচিলো। আমিও বিভিন্ন শিক্ষানুষ্ঠানলৈ গৈছিলো। কিন্তু আমাৰ পিতৃ-মাতৃয়ে এই ধৰণৰ চিন্তা কৰিবলগীয়া অৱস্থা হোৱা নাছিল। (ভইচ-সত্য যুগত ৰেগিং কেনে ধৰণৰ আছিল) এইবিলাক জানিবলৈ হ'লে আপোনালোকে অতীতৰ বিষয়ে ধ্যয়ন কৰিব। তেতিয়া জানিব। আজি ৰেগিং যিটো জঘণ্য অৱস্থা পাইছে সেইটো বৰ বেছি দিনৰ কথা নহয়। আজি বৰ বেছি ১৪/১৫ বছৰ বা এটা যুগৰ কথা। আমি প্ৰত্যেকেই একোজন সচেতন ব্যক্তি। প্ৰত্যেকৰে সমাজখনৰ প্ৰতি দায়বদ্ধতা আছে (ভইচ অসম আন্দোলনৰ সময়ৰ পৰা) আপোনালোকে যদি ভাবিছে অসম আন্দোলনৰ পৰা বুলি হ'ব পাৰো। মইও শিক্ষক আছিলো এতিয়াও নিজকে শিক্ষক বুলিয়ে ভাবো। প্ৰকৃতাৰ্থত কিমান আমি নাজানো। এই বিচাৰ কৰিব ৰাইজে (ভইচ এতিয়া এম, এ, এ) এম এল এ যদিও আমি এতিয়াও সেই নীলা পানীত থকা শিয়াল হৈয়ে আছো। শিক্ষক দেখিলে এতিয়াও এম এল এ ভাব গুচি যায়। আজি এটা মান যুগৰ পৰা যুৱ মানসিকতাৰ অৱক্ষয় হৈছে। এই অৱক্ষয়ৰ কাৰণে আমি বিধায়কসকল, মন্ত্ৰীসকল, যিসকলে ৰাজনীতি কৰে সেইসকল কম দায়ী নহয় (ভইচ আমাকো আপুনি দায়ী কৰিছে) নিশ্চয়। চাত্ৰক লৈ আমি ৰাজনীতি কৰাৰ দিনাৰে পৰা আমাৰ এই অৱস্থা আহি পৰিছে। আগতেও বিয়া-বাৰু আদিত ৰেগিং হৈছিল। মই কৈছোৱেই। কিন্তু বৰ্ত্তমানৰ অৱস্থা হোৱা নাছিল। বৰ্ত্তমানৰ অৱস্থাৰ বাবে আমাৰ কিছুমান ৰাজনৈতিক দলেই দায়ী। যেতিয়াৰ পৰা আমি ছাত্ৰৰ নামত দেশ শাসন কৰাৰ সপোন দেখিছো তেতিয়াৰ পৰা বোধ হয় এই অৱস্থা আহি পৰিছে। আমি ৰেগিঙৰ কথাটো অলপ গভীৰ ভাৱে চিন্তা কৰা ভাল। আজি গৰ্গৰাম গগৈৰ যিদৰে জীৱনৰ অৱসান ঘটিল এইটোত আমি সঁচাকৈ বৰ দুখিত, লজ্জিত হৈছো। এইটো এটা মৰ্মান্তিক ঘটনা। তেওঁৰ মৃত্যু হোৱাটো বৰ ডাঙৰ কথা নহয়। তেওঁৰ মৃত্যু হয়তো সাৰ্থক হ'ব পাৰে যদিহে ভৱিষ্যতৰ দিনৰ যুৱক-যুৱতীসকলক আমি বচাব পাৰো। পুত্ৰ হাৰা মাতৃ, পুত্ৰ হাৰা পিতৃ যাতে আৰু সৃষ্টি নহয় তাৰ কাৰণে আমি গভীৰ ভাৱে চিন্তা কৰিব লাগিব। হয়তো আমাৰ বিধায়কৰ মাজত, মন্ত্ৰীৰ

মাজতো অনেকে পিতৃ-মাতৃ নোহোৱা নহয়।

আমাৰ বিধায়ক, মন্ত্রীৰ মাজত এনেকুৱা পিতৃ-মাতৃ নোহোৱা নহয় হয়তো চৰম অৱস্থালৈ নাযাব পাৰে। ময়ো এনে ধৰণৰ এজন পিতৃ। মোৰ এজন পুত্রক কলেজ এৰুৱাই ঘৰত বহুৱাই ৰাখিব লগা হৈছে আৰু শিক্ষা জীৱনৰ সিমানতে সামৰণি মাৰিব লগা হ'ল। মই নির্ব্বাচিত হৈ অহাৰ পিচত মোৰ পুত্রক কলেজৰ পৰা অপহৰণ কৰাৰ চেষ্টা চলিল। চৰকাৰৰ অকল নিজৰ পুত্র-পুত্রীৰ দায়িত্বত নাথাকে আৰু থাকিব নোৱাৰে। গোটেই সমাজখনৰ সকলো ৰাজনৈতিক দলৰ চৰকাৰৰ প্রতি সহানুভূতিশীল নহয় তেন্তে সমস্যা সমাধান নহয়। চৰকাৰে সিমানেই ভাল কৰিবলৈ চেষ্টা নকৰক কিয় বিৰোধী দলৰ সদস্যসকলে ভালটো ভাল বুলি স্বীকাৰ কৰিবলৈ অস্বীকাৰ কৰে তেন্তে দেশৰ কোনো সমস্যাৰ সমাধান নহয়।

মাননীয় অধ্যক্ষ ঃ বিষয়টোৰ গুৰুত্ব আছে।

★ **শ্রীলক্ষী প্রসাদ বৰগোহাঁই ঃ** চৰকাৰে এনে ধৰণৰ এটা ব্যৱস্থা ল'ব লাগিব যাতে ভৱিষ্যতে ছাত্র-ছাত্রীসকলে ৰেগিং শব্দটো উচ্চাৰণ কৰিবলৈ, চিন্তা কৰিবলৈ ভয় খায়। যি সকল নিৰৱ দর্শক হৈ থাকে, একচন নলয় তেওঁলোকৰ ওপৰতো এনেকুৱা ধৰণৰ ব্যৱস্থা ল'ব লাগিব। দুষ্কৃতিকাৰী সকলৰ ওপৰত এনে আইনৰ ব্যৱস্থা কৰিব লাগিব যাৰ দ্বাৰা চৰম শাস্তি বিহিবলৈ কুণ্ঠাবোধ নকৰিব। আৱশ্যক হ'লে চীন দেশৰ ছাত্র-ছাত্রীৰ ওপৰত ৰুলাৰ চলোৱাৰ দৰে তেনেকুৱা অৱস্থা কৰিব লাগিব। অৱশ্যে সকলো ছাত্র-ছাত্রীৰ ওপৰত নহয়। এনেকুৱা শাস্তি বিহোতে যদি ৰাজনৈতিক দলে চিঞৰ-বাখৰ কৰে সেই বিলাকৰে আইন প্রণয়ন কৰিব লাগিব। কটন কলেজত বচা বচা শিক্ষকক নিযুক্তি দিয়া হয়। ভাল নম্বৰ পোৱা ছাত্র-ছাত্রীসকলে নাম ভর্ত্তি কৰে। কটন কলেজত যি সকলে নিৰৱ দর্শকৰ ভূমিকা গ্রহণ কৰে আৱশ্যক হ'লে কঠোৰ ব্যৱস্থা কৰিব লাগিব। এনেকুৱা ব্যৱস্থা অকল কটন কলেজত নহয় সমগ্র অসমত চৰম শাস্তি বিহিব লাগিব যাতে বেয়া কার্য্য কৰিবলৈ সাহস নকৰে। তেনে শিক্ষকক শিক্ষক পদৰ পৰা বিদায় দিব লাগিব। আলিত চলোৱা ৰুলাৰটো কথা নাভাবিব। শিক্ষকে যদি শিক্ষানুষ্ঠানত সোমাই ৰাজনৈতিক হেতালি খেলিবলৈ যায় তেন্তে তেনে শিক্ষকৰ ওপৰত যথাযথ ব্যৱস্থা, ৰুলাৰ চলাব লাগে। আজিৰ সদনৰ বিৰোধী বা চৰকাৰ পক্ষৰ সকলো সদস্যৰ ওপৰত কাতৰ প্রার্থনা জনাইছো যাতে এনেকুৱা অৱস্থাৰ সৃষ্টি নহয়, সকলোৱে যাতে অখণ্ড প্রহৰীৰ দৰে এইবিলাক নিৰীক্ষণ কৰে। চৰকাৰ বা কর্তৃপক্ষৰ ওচৰত দাবী জনাও সেইসকলৰ ওপৰত ব্যৱস্থা লওতে সকলো খোলা

অন্তৰেৰে সহযোগ আগবঢ়ায়। ৰাজনৈতিক মেৰপেচ লগাবলৈ নাযায়। এইখিনিকে অনুৰোধ জনাই বক্তব্যৰ সামৰণি মাৰিলো।

শ্রীহিতেশ্বৰ ডেকা ঃ অধ্যক্ষ মহোদয়, আজি সদনত কটন মহাবিদ্যালয়ত ৰেগিঙৰ নামত আত্মহত্যা কৰিলে, এই বিষয়ত আলোচনা হৈছে। সদনৰ পৰম্পৰাৰ পৰা ফালৰি কাটি গৈ এই বিষয়টো আলোচনা কৰিবলৈ দিয়া কথাটোৱে প্রমাণ কৰিলে যে বিষয়টোৰ গুৰুত্ব কিমান। অৱশ্যে উপৰোক্ত বক্তাই এই সম্পর্কত কৈছে। আচলতে বিষয়টোৰ গুৰুত্ব কমাবলৈ চেষ্টা কৰিব নালাগে। ই অত্যন্ত স্পর্শকাতৰ, মর্মান্তিক ঘটনা। এজন বর্গৰ মৃত্যু হৈছে কব লগা নাছিল। এনেদৰে ফুলকুমলীয়া সম্ভাৱনা পূর্ণ ছাত্রই অকালতে মৃত্যুক সাৱটি লৈছে, পঢ়া-শুনা বাদ দিব লগা হৈছে। বিধায়কৰ পুত্রই পঢ়া-শুনা বাদ দিব লগা হৈছে। ৰেগিং এঠা সামাজিক ব্যাধি। চৰকাৰক, শিক্ষকক মন্ত্রীক গালি পাৰিলে সমস্যাটোৰ সমাধান নহয়। ইয়াক সামাজিক ব্যাধি বুলি গুৰুত্ব সহকাৰে ল'ব লাগে। ক্ষয়িষ্ণু শিক্ষা ব্যৱস্থা ৰোধ কৰাৰ কাৰণে আইন প্রণয়নৰ দ্বাৰা ৰেগিঙৰ নিচিনা সামাজিক ব্যাধি দূৰ কৰিব পৰা হ'ব বুলি মই বিশ্বাস নকৰো।

মাননীয় অধ্যক্ষ মহোদয়, মই তেখেতৰ মূল কথাৰ লগত একমত। আমি সকলোৱে জানো যে ছাত্র-ছাত্রীসকলে কম সময়ত বিদ্যালয়ত থাকে, দিনটোৰ ২৪ ঘণ্টাৰ ভিতৰত ৬/৮ ঘণ্টা স্কুলত কটায় বাকী সময়খিনি কটায় নিজৰ পৰিয়ালৰ লগত। নিজৰ পৰিয়ালৰ লগত ল'ৰা-ছোৱালীবিলাক বেছি সময় কটায় মই নিজে এজন প্রাথমিক বিদ্যালয়ৰ শিক্ষকৰ ল'ৰা। আমি কেতিয়াবা ৰিক্সাৱালা এটাক এই বুলি ক'লে চৰ মাৰি দিছিল। কিন্তু এনেকুৱা ধৰণৰ পৰিয়াল আছে যাৰ ল'ৰাক হোষ্টেলৰ খৰচ দিব লাগে ৩৪ হেজাৰ টকা, ঘৈণীয়েকৰ শাৰী দিব লাগে ২ হেজাৰ টকা আৰু অন্যান্য পৰিয়ালৰ খৰচ আছে কিন্তু সেইজন ব্যক্তিয়েও দৰমহা পাই মাত্র ৩ হেজাৰ টকা। এইটো এটা গুৰুত্বপূর্ণ কথা। এইটো সামাজিক ব্যাধি। এনেকুৱা পৰিয়ালবিলাকে এই ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা আছে। আজি ৰেগিং সম্পর্কে মাননীয় সদস্যসকলে গুৰুত্বপূর্ণ আলোচনা কৰিছে আৰু এনে ধৰণৰ ঘটনাৰ কাৰণ দুখ প্রকাশ কৰিছে। মই অনুৰোধ কৰিছো আজি সদনৰ কার্য্যসূচীত এই প্রসঙ্গত ১ মিনিট মৌনতা অৱলম্বন কৰি দুখ প্রকাশ কৰিবলৈ বুলি আশা প্রকাশ কৰিছো।

(Mr. Speaker vaeated the Chair and Mr. Dy Speaker Occupied the Chair)

Mr. Dy Speaker : Now Shri Mohibul Haque.

শ্রীমহিবুল হক ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি শূন্য কালৰ আলোচনাত বিৰোধী

পক্ষৰ সদস্য সকলে হওক বা শাসক দলৰ সদস্যসকলে হওঁক যিবোৰ আলোচনা সমালোচনা কৰিছে তাত সকলোৱে দুখ প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত মই দীঘলীয়া বক্তব্য ৰাখিব খোজা নাই। মাত্ৰ এনে ধৰণৰ এই সামাজি ব্যাধি প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত কিছু পৰামৰ্শ আগবঢ়াবলৈ বিচাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, ৰেগিঙৰ ফলত বৰ্গৰাম গগৈৰ মৃত্যু হৈছে। ৰেগিঙৰ ঘটনা আজি নতুন নহয়। তাহানি কালৰ পৰা ৰেগিং চলি আছে। আগৰ দিনৰ ৰেগিং আৰু বৰ্ত্তমান দিনৰ ৰেগিঙৰ যিটো প্ৰক্ৰিয়া অৱস্থা ই চৰম অৱস্থাত পৰিণত হৈছে। আজিৰ এই ৰেগিঙৰ বিষয়ে বিভিন্ন জনে বক্তব্য ৰাখিছে। আৰু এই ৰেগিঙৰ ফলতে ছাত্ৰই মৃত্যুক আকোৱালি ল'ব লগা হৈছে। আজিৰ এই ৰেগিং চৰম পৰ্য্যায়ত অহাৰ মূল কাৰণটো কি তাৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়োজন হৈ পৰিছে। মই বাবো ৰেগিং চৰম পৰ্য্যায়ত উপনীত হোৱাৰ বাবে আজি ছাত্ৰ-ছাত্ৰীয়ে মৃত্যুক আকোৱালি ল'ব লগা হৈছে। মই ভাবো এই পৰ্য্যায়ত উপনীত হোৱাৰ মূল কাৰণ হ'ল যিটো প্ৰচেষ্টা আজি বম্বেৰ ফিল্ম বিলাক আহিছে এই ফিল্ম বিলাকে ইয়াৰ কাৰণ। কলেজৰ ল'ৰা-ছোৱালীবিলাকে এই ফিল্ম বিলাক দেখাৰ পিচত তাত দেখুৱা কিছুমান ঘটনাই বা সেই ঘটনাৰ লগত জড়িত এক্টৰ-এক্ট্ৰেছ বিলাক কৰা ৰেগিং দেখি সেইবিলাক অনুকৰণ কৰে। তাৰ ফলতে আমাৰ ইয়াত এনেধৰণৰ ঘটনাবিলাক ঘটিবলৈ পাইছে। এনে ধৰণৰ ঘটনা কেৱল আমাৰ অসমত হৈছে এনে নহয়। সমগ্ৰ ভাৰতবৰ্ষতে এনে ধৰণৰ ঘটনা বিলাক হৈ আছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্যসকলৰ নিজৰ ল'ৰা-চোৱালী আছে কিন্তু আজি দেখা গৈছে ৰমাকান্তৰ পুত্ৰ গৰ্গৰাম ৰেগিঙৰ ফলত মৃত্যুবৰণ কৰিব লগা হৈছে। এনে ধৰণৰ ঘটনা যাতে আগলৈ কেতিয়াও হ'ব নোৱাৰে তাৰ বাবে আইন প্ৰণয়ন কৰা হওঁক। এনে ধৰণৰ ঘটনাৰ বাবে 'হোষ্টেল মেনেজমেণ্ট' দায়ী। কিন্তু মোৰ পৰামৰ্শ হ'ল কলেজবিলাকৰ যিবিলাক হোষ্টেল আছে সেই হোষ্টেল বিলাক চলাবৰ কাৰণে কোনো এজন এ ডি চি বা মেজিষ্ট্ৰেটৰ দায়িত্ব দিব লাগে। তেওঁ চুপাৰি। টেণ্ডেল হিচাপে হোষ্টেল বিলাক চোৱাৰ উপৰিও সেই হোষ্টেলৰ ওপৰত থকা থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনক মেম্বাৰ কৰি ৰাখিব লাগে। যাতে সেই হোষ্টেলত ৰেগিং সম্পৰ্কীয় কিবা ঘটনা ঘটিলে লগে লগে থানাত খবৰ দিব পাৰে বা তেওঁলোকে একশ্যন লোৱাৰ সুবিধা হয়। ইয়াত কলেজৰ ২/৪ জন 'লেকচাৰাৰক সকল অন্তৰ্ভুক্ত কৰিব লাগে। তেতিয়াহে ৰেগিং বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব।

উপাধ্যক্ষ মহোদয়, মই আজি এই সদনৰ জৰিয়তে অসমৰ সমূহ ছাত্ৰ সংগঠক

আহ্বান জনাব খুজিছো যে ভৱিষ্যতে যাতে আমাৰ কোনো মহাবিদ্যালয় বা বিশ্ববিদ্যালয়তে এনে ধৰণে অসামাজিক আৰু অবৈধ ৰেগিঙৰ পুনৰাবৃত্তি নহয়। আমাৰ ছাত্রসকলে বৃহত্তৰ স্বার্থত আন্দোলন কৰিলেও ৰেগিঙৰ নিচিনা ব্যাধি আজিও মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহত চলি আছে। সেই কাৰণে ছাত্র সমাজে তেওঁলোকৰ বৃহত্তৰ স্বার্থ অক্ষুণ্ণ ৰাখিব লাগে আৰু ৰেগিঙৰ জৰিয়তে যাতে অমানুসিক ঘটনা সংঘটিত নহয় তাৰ কাৰণে মই পুনৰ আহ্বান জনাইছো।

উপাধ্যক্ষ মহোদয়, মই মোৰ বক্তব্য বক্তব্য শেষ কৰাৰ আগতে গর্গৰামৰ ঘটনাৰ লগত জড়িত থকা লোকসকলক শাস্তি বিহাৰ কাৰণে আমাৰ চৰকাৰৰ ওচৰত টানি অনুৰোধ জনাইছো। এই ঘটনাৰ বাবে গর্গৰামৰ দেউতাকে অভিযোগ কৰিছে যে এই ঘটনা হোষ্টেল চুপাৰ আৰু অধ্যক্ষক জনোৱাৰ পিচতো তেওঁলোকে কোনো গুৰুত্ব নিদিলে বুলি কৈছে। এইটো বৰ পৰিতাপৰ কথা। সেই কাৰণে মই চৰকাৰক টানি অনুৰোধ জনাইছো যাতে এই বিষয়টো অনতিপলমে অনুসন্ধান কৰাৰ ব্যৱস্থা কৰে আৰু এই ঘটনাৰ লগত জড়িত থকা যিকোনো ব্যক্তিৰে উপযুক্ত ভাবে শাস্তি বিহাৰ ব্যৱস্থা কৰে আৰু এই ঘটনাৰ ক্ষেত্রত এনকুৱেৰি কৰা হয় সেই বিষয়ে চলিত অধিবেশনতে এটা প্রতিবেদন দাখিল কৰিবলৈ মই মাননীয় মুখ্য মন্ত্রী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ **শ্রীপ্রমোদ গগৈ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত ৰেগিংৰ বিষয়টোক লৈ যথেষ্ট আলোচনা হৈছে আৰু এই বিষয়টোৰ গুৰুত্বৰ প্রতি লক্ষ্য ৰাখি সদনত যে আলোচনা হ'ব লাগিব তাত কাৰো দ্বিমত নাই। কিন্তু ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কৰাৰ বাবে সময় আজি আৰু কাইলৈ মাথো আছো। গতিকে আজি ৰেগিংৰ বিষয়টো আলোচনা কৰোতে ইতিমধ্যে আমাৰ যথেষ্ট সময় পাৰ হৈ গ'ল আৰু ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কৰাৰ বাবে সময় কমি আহিছে। গতিকে ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কৰাৰ বাবে সময় বঢ়াই দিয়াৰ ব্যৱস্থাটো ঠিক কৰি লওক। ৰেগিংৰ বিষয়টো আলোচনা কৰোতে যিমান সময় যাব তাৰ সম পৰিমাণ সময় ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কৰাৰ কাৰণে বঢ়াই দিয়াৰ বাবে মই আপোনাক অনুৰোধ জনালো।

★ **শ্রীযতীন মালি ঃ** উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জ্ঞাতার্থে এটা কথা কব খুজিছো যে চৰকাৰ পক্ষৰ পৰা শ্রীলক্ষী প্রসাদ বৰগোহাঁই ডাঙৰীয়াই আলোচনাত ভাগ লৈ এটা কথা কৈছে চীনৰ লেখীয়াকৈ ৰ'লাৰ চলাই শাস্তি দিয়াৰ বাবে। এই কথাটোত মোৰ আপত্তি আছে আৰু এনেধৰণৰ কথাত আমাৰ সদায় আপত্তি থাকিব।

(Mr. Speaker occupied the Chair)

★ **মাননীয় অধ্যক্ষ ঃ** এই বিষয়টো এটা অতি মর্মান্তিক, বেদনাদায়ক ঘটনা। আজি এই বিষয়টো আলোচনা কৰাৰ কাৰণে যথেষ্ট সময় লৈছে। সেই কাৰণে মই আপোনালোকৰ লগত বহি কাইলৈ দুই বেলা চেচন বহাৰ বিষয়ে আলোচনা কৰি সিদ্ধান্ত লম।

ইয়াৰ লগতে ৰ'লাৰ চলোৱা কথাটো চেভিংচৰ পৰা এক্সপজড্ কৰা হ'ব।

★ **শ্রীবদন বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰেগিং সম্পর্কত সম্পর্কত আজি সদনত যথেষ্ট আলোচনা হৈছে আৰু ইয়াৰ ফলস্বৰূপে গৰ্গৰ ক্ষেত্রত যি মর্মান্তিক ঘটনা ঘটিল সেইটো বৰ পৰিতাপৰ কথা। এই সামাজিক ব্যাধি বুলি ক'ব খুজিছে। কিন্তু প্রকৃততে এইটো সামাজিক ব্যাধি নহয়। ইয়াৰ অপব্যৱহাৰৰ কাৰণেহে ই সামাজিক ব্যাধিত পৰিণত হোৱা যেন লাগে। আমি এখন দাৰে ভাল কামো কৰিব পাৰো আৰু মানুহ কাটিব পাৰো। তাৰ কাৰণে দা খন জগৰীয়া নহয়। ৰেগিং শব্দটোৰ অসমীয়া অভিধানত অর্থ নাই যদিও ই জীৱৰ স্বাভাৱিক অনুভূতিহে। এইটোৰ প্রকৃত অর্থ হ'ল— পুৰণিয়ে নতুনক আকোৱালি লোৱা। কিন্তু আমি এটা কথা লক্ষ্য কৰিব লাগিব যে পুৰণিয়ে নতুনক সদায় আকোৱালি নলয়। উদাহৰণ স্বৰূপে আমি লক্ষ্য কৰো যে ঘৰৰ পুৰণি হাঁহ কেইটামানৰ লগত নতুন হাঁহ কেইটামান আনি দিলে পুৰণি কেইটাই নতুন কেইটাক সোনকালে আদৰি নলয়। সেইদৰে পুৰণি হালোৱা গৰু এটাৰ লগত নতুন হালোৱা গৰু এটা লগ লগাই দিলেও নতুনটোক পুৰণিটোৱে সোনকালে আদৰি নলয়। আনকি মানুহৰ ক্ষেত্রতো তেনে ঘটনা হোৱাতো পৰিলক্ষিত হয়। আজি যদি বৰপেটাৰ পৰা কিছুমান মানুহ আহি মোৰ নিজা গাওঁত বসবাস কৰিবলৈ লয় তেনেহ'লে তাতো পুৰণি মানুহখিনিয়ে নতুন মানুহখিনিক ২/৩ পুৰুষলৈ আকোৱালি ল'ব নোৱাৰে। কিন্তু এইটো যেতিয়া আতিশয্যত পৰিণত হয় তেতিয়া এইটো ব্যাধিত পৰিণত হয়। মই জনাত চিকিৎসা মহাবিদ্যালয় সমূহতো ৰেগিং হয়। তেওঁলোকে ধেমালিৰ মাজেৰে পুৰণিখিনিয়ে নতুনক আদৰি লয় কিন্তু আজি কালি এইটো আতিশয্যত পৰিণত হৈছে। আতিশয্যৰ মাজেৰে দুই এজনক খেদিব পাৰিলে কাৰোবাৰ লাভ হোৱা মনোভাবেৰে এনে কৰা যেন অনুমান হয়। গতিকে কোনো ক্ষেত্রতে অতিমাত্রা হ'ব নালাগে। গৰ্গৰামৰ মৃত্যুত শোক প্রকাশ কৰিছো আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Shri. Parameswar Brahma : Mr. Speaker Sir, Yes it is a serious matter

---

* Speech not corrected

and we should discuss. Similar incident was occured in the year 1992 in the Guwahati Engineering College where one Mintu Boro was murdered int he hostel. I raised the matter in the House and I requested Government to take necessary action so that such incident never occur. But it is not stopped, it is going on now. We are discussing in this House about this incident. I think that unless an effective measure is taken by the Government we cannot stop such occurrence. So from my end let there be social approach also as well as from the department concerned to correct it so that such incidents do not take place especially in institutional hostels where boys and girls stay. This reflects again deterioration of the educational health condition of the State. So I request through your honour that let there be al Bill and let the Education Minister be requested to introduce a Bill so that we can stop such ragging and other undersirable activities taking place in the hostels of different institutions. From the effective. Unless we have a law to deal with this, we cannot stop this.

Thanking you.

★ শ্রীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো বিতর্ক হোৱা নাই, বিতর্ক হোৱাৰ পিচত হাউচত সকলোৰে এটা সিদ্ধান্তত উপনীত হ'ব। শ্রীগগৈ ডাঙৰীয়াই যিটো কৈছে আমি সকলোৰে কম।

মাননীয় উপাধ্যক্ষ ঃ এই বিষয়টোত বহুতো মাননীয় সদস্যই পার্টিচিপেট কৰিছে। গতিকে আৰু আলোচনা নকৰাই ভাল হ'ব।

★ শ্রীনিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো লৈ মই আলোচনা কৰিবলৈ নাযাও, মাত্র এটা পৰামর্শ দিব বিচাৰিছো। আইন প্রণয়ন কৰাৰ লগতে আইন প্রত্যক্ষ কৰিম বুলি আশা কৰিব পৰা যায়। আজি অনুষ্ঠান প্রতিষ্ঠানৰ কর্ত্তৃপক্ষ আৰু সেই কর্ত্তৃপক্ষৰ লগতে ছাত্র সমাজে যদি পৰিবেশ গঢ়ি তোলাৰ চেষ্টা নকৰে তেতিয়া হ'লে আইন ৰূপায়ণ কৰা সম্ভৰ নহয়। আইনখন গঢ়ি উঠাৰ লগে লগে কর্ত্তৃপক্ষ আৰু ছাত্র সমাজে যাতে এনেকুৱা কামত লিপ্ত নহয় তাৰ প্রতি সচেতনতা গঢ়ি তোলাৰ, শিক্ষাৰ পৰিবেশ গঢ়ি তোলাৰ কাৰণে চেষ্টা কৰিব লাগিব। এই ক্ষেত্রত বিভিন্ন ছাত্র সমাজৰ লগত আলোচনা যাতে কৰা হয়

তাৰ কাৰণে মই আশা ৰাখিছো।

শ্ৰীমুনীন মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি শূন্য কালৰ সময়ত ৰেগিঙত ছাত্ৰৰ মৃত্যু সম্পৰ্কে উত্থাপিত হৈছে আৰু মাননীয় সদস্যসকলে আলোচনা কৰিছে। আজিয়ে নহয় যোৱা বছৰো বিধান সভাত এই বিষয়ে উত্থাপিত হৈছিল। এই সামাজিক ব্যাধিৰ পৰা সকলোকে ৰক্ষা কৰিবৰ কাৰণে আমি যাতে বাস্তৱ কার্য্যসূচী গ্ৰহণ কৰিব পাৰো তাৰ উপায় উদ্ভাৱন কৰিবৰ কাৰমে আমি সকলোৱে আলোচনাত অংশ লৈছো।

অধ্যক্ষ মহোদয়, আজি এখন এই বিষয়ৰ আইন অনাৰ কথা কোৱা হৈছে। এই ব্যাধিটো এখন আইনৰ জৰিয়তে নির্মূল কৰিব পৰা হ'বনে নাই এই সম্পৰ্কে বিস্তৃত ভাবে বিশ্লেষণ কৰা ভাল বা চিন্তা কৰিব লাগিব। সমাজ পৰিচালনাত আইন আছে। মহাবিদ্যালয়ৰ হোষ্টেলত কিচুমান ছাত্ৰই উদ্ভাণ্ডলি কৰি এনেকুৱা ধৰণে পাশৰিক অত্যাচাৰ কৰাটো উচিত হোৱা নাই। প্ৰচলিত আইনমতে শাস্তি হ'ব পাৰে? কলেজৰ অধ্যক্ষ আছে, হোষ্টেল চুপাৰিনটেনডেনক জনোৱাৰ পিচতো তেখেতসকলে অনিহা প্ৰকাশ কৰিলে। তেখেতসকলৰ দূৰ্ব্বলতাৰ কাৰণে সেইবিলাক চলি আছে। আজি শিক্ষানুষ্ঠান সমূহত ৰাজনৈতিক উদ্দেশ্য এনেকুৱা কাম হৈ আছে, বিভিন্ন ঠাইত অধ্যক্ষ ৰাজনীতিত জৰিত আছে। তেওঁলোকে ছাত্ৰসকলক ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ কাৰণে ব্যৱহাৰ কৰে।

অধ্যক্ষ মহোদয় এখন ৰাজ্যত এনেকুৱা এটা কলেজ দেখিছো যে কলেজৰ অধ্যক্ষই ঘৰৰ বাৰাণ্ডাত ঘূৰি থাকে কোনো ছাত্ৰ ৰেগিংত টু শব্দ এটা ক'বলৈও সাহস নকৰে। কটন কলেজৰ অধ্যক্ষৰ দুর্বলতাৰ বিষয়ে নানা কথা ওলাইছে। ৰাজনৈতিক উদ্দেশ্যত অনা ছাত্ৰসকলক ৰক্ষণাবেক্ষণ দি আছে, এই কথাটো মই নিজে বিশ্বাস কৰো।

অধ্যক্ষ মহোদয়, এই ঘটনাটো হোষ্টেল চুপাৰিনটেনডেনৰ দূৰ্ব্বলতাৰ কাৰণে হৈছে, গতিকে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। সেই চুপাৰিনটেনডেনক মাতি আনি হ'লেও তেখেতক ক'ব পৰা যায়। মই ভাবো যি খন আইন অনা হৈছে তাৰ বিৰোধিতা কৰা নাই কিন্তু ছাত্ৰ সমাজৰ মাজত যি পৰিৱেশ গঢ়ি উঠিছে, সেই পৰিৱেশটো নির্মূল কৰিবৰ কাৰণে কলেজসমূহৰ কর্ত্তৃপক্ষই দায়িত্ব লয় তেতিয়া হ'লেহে নির্মূল কৰিব পৰা হ'ব।

★ **শ্ৰীনগেন শর্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু মাননীয় সদস্যসকল, এই বিষয়টো লৈ ইতিমধ্যে বহুতো আলোচনা হৈছে। অসমত যি ৰেগিং প্ৰথা চলি আছে এইটো সমাজৰ ব্যাধি ৰূপ লৈছে। অসমৰ শিক্ষানুষ্ঠানত কি ৰেগিং হয়, ৰেগিং

হয় হোষ্টেলসমূহত। তাত যিবিলাক ছাত্র থাকে সাধাৰণতে সেইবিলাকে ঘটনা ঘটায়। এজন ছাত্রই ৫/৬/৭ বছৰ ধৰি হোষ্টেলত থাকে, ঘটনা ঘটায়। গতিকে এই ক্ষেত্রত ইয়াক নিঃশেষ কৰিবৰ কাৰণে এখন বিল আনিব লাগিব। যিহেতু শিক্ষানুষ্ঠানত এনেকুৱা ঘটনা ঘটিছে সেয়ে শিক্ষানুষ্ঠানৰ মূৰব্বীৰ দায়িত্ব হ'ব। যদি এনেকুৱা বিল অনা যায় তেতিয়া হ'লে সহায়ক হ'ব। কিছুদিন আগতে গুৱাহাটীত কলেজ চেমিনাৰ হৈছিল। তাত সাতশতকৈ অধিক মদৰ বটল পোৱা গৈছিল।

☆ **শ্রীদিলীপ শইকীয়া** ঃ অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক আবাস গৃহত সাত হেজাৰতকৈ অধিক মদৰ বটল পোৱা যাব।

☆ **শ্রীনগেন শর্মা** ঃ অধ্যক্ষ মহোদয়, শিক্ষানুষ্ঠানত যদি এনেকুৱা হয় দ্রাগচৰ প্রচলন হয় এইটো হ'বলৈ কেনেকৈ পালে, এইটো বিবেচনা কৰিব লাগিব। গতিকে এনেকুৱা সমাজৰ ব্যাধি আঁতৰ কৰিবলৈ আইন উত্থাপন কৰিব লাগিব।

☆ **শ্রীমতী বেণুপমা বাজখোৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সদনৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো এই কথাটোও এই কাৰণেই যে এইটো এটা অত্যন্ত জৰুৰী বিষয়। কথাটো হৈছে যোৰহাট অভিযান্ত্রিক মহাবিদ্যালয়ৰ এগৰাকী ছাত্রী মধুস্মিতা বৰুৱা। তৃতীয় বার্ষিকৰ ছাত্রী। ছাত্রীগৰাকীক এনেধৰণে অত্যাচাৰ কৰা হৈছিল যে তেওঁ ৰক্ষণাবেক্ষণ দিব নোৱাৰিলে। মাননীয় অধ্যক্ষ মহোদয়, সেই কাৰণে মই সদনৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো যে আইন বা আইন যিকোনো উপায়েৰে ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে।

☆ **শ্রীকৰেন্দ্র বসুমতাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোক অলপ ক'বলৈ দিয়ক।

মাননীয় অধ্যক্ষ ঃ এই বিষয়ে আগতে কোৱা হৈছে। এতিয়া আৰু ক'ব নালাগে।

★ **শ্রীকৰেন্দ্র বসুমতাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোক অলপ ক'বলৈ দিবই লাগিব। মোৰ গৰ্গৰাম গঁগৈৰ বিষয়ে কোৱাৰ অধিকাৰ নাই নেকি, মোক ক'বলৈ দিয়ক।

মাননীয় অধ্যক্ষ ঃ আপুনি ক'ব নোৱাৰে।

(মাননীয় অধ্যক্ষৰ কথাৰ সজোৰে প্রতিবাদ কৰি মাননীয় সদস্য শ্রীকৰেন্দ্র বসুমতাৰী সদন ত্যাগ কৰে)

★ **শ্রীগোলোক চন্দ্র বাজবংশী (মন্ত্রী)** ঃ মাননীয় তথ্য মহোদয়, মই ভাল পাইছো যে এই ঘটনাটোৰ কাৰণে আজি সদনত আলোচনা হৈছে। জিৰো জাৱাৰত এই বিষয়ত আধা ঘণ্টাৰ কাৰণে সময় ঠিক কৰিছিল সদনত আলোচনা কৰাৰ কাৰণে। মাননীয় সদস্যসকলে তাতকৈ বেছি সময় কৈ তেখেতসকলে যি উদ্বীগ্নতা প্রকাশ কৰিলে তাৰ বাবে তেখেতসকলক ধন্যবাদ দিছো। কালি ৰাতিপুৱা যেতিয়া

বাতৰি কাগজত পঢ়িলো তেতিয়া লগে লগে মই কমিচনাৰক মাতি আনিলো আৰু কলো যে ইনকুৱাৰী কৰি মোক এই বিষয়ে জনাব লাগে। এনকুৱাৰী কৰি মোক ৰিপোৰ্ট দিয়ক আৰু ৰিপোৰ্ট পালে মই ব্যৱস্থা লম। মাননীয় সদস্যসকলে ৰেগিঙৰ কথা কৈছে। ৰেগিঙ অকল কটন কলেজতে হোৱা নাই। গোটেই সমাজখনতেই ৰেগিঙ হৈছে। ই আজি এটা সামাজিক ব্যাধিত পৰিণত হৈছে। এইটো কেনেকৈ নাইকীয়া কৰিব পাৰি সেইটোহে আচল কথা। মই নিজৰ কথাকেই কও। ১৮৮৪-৮৫ চনত মোৰ ডাঙৰ ল'ৰা গুৱাহাটী বিশ্ববিদ্যালয়ত ফাইনেল ইয়েৰৰ ছাত্ৰ আছিল। কোনোবাই হত্যাৰ চেষ্টা চলোৱা বুলি জনাত তাৰ পৰা ওলাই আহিল। ফাইনেলৰ সময়ত কলেজিয়েটত চেণ্ডাৰ দিলে। চি, আই, এ খবৰ দিলে যে তাতো হত্যা কৰা হয়। তাৰ পৰাও ওলাই আহিবলগীয়া হ'ল পিচত তাৰ পৰা লৈ আহিলো। মোৰ দ্বিতী ল'ৰাটো যোৰহাটৰ অভিযান্ত্রিক মহাবিদ্যালয়ত আছিল। তেতিয়া প্রিন্সিপাল আছিল শর্মা (এতিয়া অৱশ্যে নাই) তেখেতে মোক খবৰ দিলে যে ল'ৰাজনক লৈ যাওক। কাৰণ ইয়াত এজন ল'ৰাক হত্যা কৰা হৈছে। তেখেতে ক'লে যে মই ৰাতি চেফগার্ড দিব পাৰিম কিন্তু দিনত কি কৰিম। গতিকে উপায় নাই মই ল'ৰাটো আনিবলৈ বাধ্য হ'লো। লৈ আহিলো। মোৰ ছোৱালীজনীয়ে চেণ্ট মেৰীজৰ পৰা পাচ কৰিছিল। পিচত কোনো কলেজতে এডমিচন দিব নোৱাৰিলো। গোৱালিয়ৰলৈ পঠাই দিলো। তাতে পঢ়িলে। কাৰণ মই কংগ্রেছৰ মানুহ আছিলো। এই সামাজিক ব্যাধি ৰেগিঙৰ পৰ্ৰা কোনো সাৰি যাব পৰা নাই। ইয়াৰ কাৰণে আমি সকলোৱে দায়ী। তাৰ বাবে আমি বিশেষ ভাৱে কোনো মন্তব্য নিদিও। ইঞ্জিনিয়াৰিং কলেজত ৰেগিং হোৱা বাবে কলেজ বন্ধ কৰি দিবলগীয়া হৈছিল। কটন কলেজত কোন কোন ল'ৰাই ৰেগিং কৰিছিল তাৰ নাম লৈ এৰেষ্টো কৰিব দিয়া হৈছিল। দূর্ভাগ্যবশতঃ যিখিনি হ'ব লাগিছিল সেইখিনি হোৱা নাই। ১৯৯৩ চনৰ আগষ্ট মাহতে ঘটনাটো ঘটিছিল। কালিৰ কাগজত নোলালে কোনেও ক'ব নোৱাৰিলেহেঁতেন। আজি ১৯৯৪-৯৫ চনত আলোচনা কিৰছো। এই খবৰটো কলেজৰ অধ্যক্ষও নিদিলে আৰু গার্জেনেও নিদিলে। অধ্যক্ষ মহোদয়, কটন কলেজত যেতিয়া মই প্রিফেক্ট হৈ আছিলো তেতিয়া এজন ল'ৰাই মদ খাই আহিছিল মই গতিয়াই বাহিৰ কৰি দিছিলো। যেতিয়া মই ল' কলেজৰ প্রিফেক্ট হৈ আছিলো তেতিয়া এজন ল'ৰা নামটো নকও, কলিতা হোষ্টেলৰ পৰা বাহিৰ কৰি দিছিলো। কিন্তু আজি কৈছে যে এম, এল, এ হোষ্টেলত ৭০০ মদৰ বটল ওলাইছে। কিন্তু এইবিলাক কোনে খালে কোনোবা বিধায়কেই খাব লাগিব।

আজি শান্তিৰ অধিকাৰ হেৰুৱাই পেলাইছে। আজি বাটত যদি দুজন ল'ৰাই কাজিয়া কৰে তেতিয়া মানুহ আঁতৰি যায়, যাবলগীয়া হয়। বেয়া কথা দেখিলে আমাৰ প্ৰতিবাদ কৰাৰ অধিকাৰ নাইকীয়া হৈ গৈছে। এইটো কিয় হ'বলৈ পাইছে সেইটো আত্মসমালোচনা কৰক। সেই কাৰণে কৈছো যে ৰেগিং আইন কৰি বন্ধ কৰিব নোৱাৰি। আজি নিজৰ ল'ৰা-ছোৱালীৰ ওপৰতে কাৰো কৰ্ত্তৃত্ব নোহোৱা হৈছে। নিজৰ তিৰোতাৰ ওপৰতো কৰ্ত্তৃত্ব নোহোৱা হৈছে। সেই কাৰণে আমি ৰাজহুৱা ভাৱে আগবাঢ়িব লাগিব। আমি সকলোৱে সমাজৰ অংশীদাৰ।

মাননীয় অধ্যক্ষ মহোদয়, আমি সকলো সমাজৰ ভাল-বেয়া কামৰ একোজন অংশীদাৰ। গতিকে আমি সকলোৱে লগ লাগি এই কেৰুণ দূৰ কৰিব লাগিব। আজি-কালি সামান্য মৰামৰি কৰিলেই ৰিভলভাৰেহে তুলি লয়। মই প্ৰকাশ্যে ঘোষণা কৰোঁ যে প্ৰকৃত দোষীক শাস্তি দিবলৈ মই কুণ্টাবোধ নকৰোঁ। মই কাকো স্পেয়াৰ নকৰোঁ প্ৰফেচাৰেই হওক বা ষ্টুডেণ্টেই হওক। মই কলেজ পৰিদৰ্শন কৰিম।

মাননীয় অধ্যক্ষ মহোদয়, আজি-কালি ছাত্ৰবিলাক সদায়েই ছাত্ৰ হৈয়ে থাকে। ইউনিভাৰচিটি বিলাকত আজি-কালি হোষ্টেলত নতুন ছাত্ৰ-ছাত্ৰীৰ কাৰণে চিট পোৱা নাযায়। কাৰণ, একেজন ছাত্ৰই এম, এ, পাছ কৰি, আইন কলেজত নাম লগাই লয়, তাৰ পিছত অন্যান্য ভাষাৰ শিক্ষা লয়, এনেকৈয়ে তেওঁলোকে হোষ্টেলত চিট দখল কৰি থাকি যায়। ছাত্ৰ-ছাত্ৰীয়ে কাৰোবাৰ পৰা উৎসাহ পাই যে তেওঁলোকে ইউনিয়ন কৰিব লাগিব। গতিকে হোষ্টেল এৰি দিব নেলাগে। এইবিলাক আইন কেতিয়াৰ পৰা হ'ল আমি নাজানোঁ। ভাইচ চেন্সেলৰে কি কৰিব পাৰে যদি তেওঁক অৱমান নকৰে? ছাত্ৰই আজি অনুশাসনে নেমানে। কোনো ফালে উপায় নাই। অধ্যক্ষ মহোদয়, এইবাৰ পৰীক্ষাৰ সময়ত মই নিজেই নগৈ, মোৰ প্ৰাইভেট চেক্ৰেটৰীক পঠাইছিলোঁ পৰীক্ষা হ'লগৈ। তেখেতে গৈ কি দেখিলে বুলি সোধাত ক'লে— "চাৰ, সকলোৱে কিতাপ মেলি লৈছে— কোনো গার্ডে বাধা দিয়া নাই।" মই কলেজৰ প্ৰিন্সিপালক মাতি আনি সোধাত ক'লে "চাৰ, কি কৰিম, নিজৰ প্ৰাণ ৰক্ষা কৰি আছোঁ। নহ'লে ডেগাৰ মাৰি দিব।" আজি এনে অৱস্থাত কি কৰা যায়, বিচাৰ্য্যৰ বিষয়। আজি আমি চিক্‌বেদতো ডিগ্ৰী লৈছোঁ। ৰেগিং এটা ভ্ৰষ্টাচাৰৰ চৰম নিদৰ্শন মাত্ৰ। তাক শেষ কৰিবই লাগিব।

★ **শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছোঁ যে আইন— শৃংখলাৰ ক্ষেত্ৰত আমি নীতি লৈছোঁ সেয়া সময়োচিত হোৱা নাই। চি, আৰ, পি, চি, আই, পি চি থকাৰ কাৰণে

পুলিচে চোৰ-ডকাইত ধৰাৰ কাৰণে সুবিধা হৈছে। সেই কাৰণে এই ৰেগিঙৰ আইনখন কৰিব লাগে। গতিকে এই চলিত অধিবেশনতে যাতে আইনখন পাছ হৈ যায়, তাৰ বাবে অধ্যক্ষৰ যোগেদি মাননীয় মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ জনালোঁ আৰু আশা ৰাখিলোঁ মাননীয় মুখ্যমন্ত্রী মহোদয়ে এই অধিবেশনতেই সিদ্ধান্ত গ্রহণ কৰিব।

★ **শ্রীজয়নাল আবেদিন** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্রী ডাঙৰীয়াই ৰেগিঙৰ সম্পর্কত যিটো সৰল আৰু আশাপ্রদ সিদ্ধান্ত গ্রহণ কৰিলে তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছোঁ। এইক্ষেত্রত যি দিটাৰমিনেশ্বন লৈছে তাক প্রতিপন্ন কৰি তদন্ত কৰি যথা সময়ত আমাক সদনত জনালে ভাল পাম।

মাননীয় অধ্যক্ষ ঃ মাননীয় শিক্ষামন্ত্রী মহোদয়ে যিখিনি কথা আজি সদনত প্রকাশ কৰিলে মোৰ মনত ভালকৈয়ে লাগিছে আৰু অতিশয় দুখ প্রকাশ কৰিছোঁ। এই বিষয়ে চিন্তা কৰি চৰকাৰৰ ফালৰ পৰা যাতে ৰেগিং বন্ধ কৰিব পাৰি তাৰ ব্যৱস্থা কৰা হ'ব।

Item No. 2. Hon'ble Member Shri Nizam Uddin Khan to raise his call attention.

Call Attention Notice

Shri Nizamudding Khan : Sir, I call the attention of the Minister, Tourism under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, to the newsitem appearing in 'Ajir Asom' dated 18th December. 1994 under the caption." মানস পৰিত্যক্ত অভয়াৰণ্যত পৰিণত।

আইটেম নং ২ ঃ

শ্রীমুকুট শর্ম্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয় "অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নম্বৰ নিয়মৰ অধীনত ১৯৯৪ চনৰ ১৮ ডিচেম্বৰ তাৰিখৰ 'আজিৰ অসম' কাকতত প্রকাশিত "মানস পৰিত্যক্ত অভয়াৰণ্যত পৰিণত" শীর্ষক বাতৰিটোৰ প্রতি দৃষ্টি মনোযোগ আকর্ষণ কৰি ক'ব খোজোঁ যে — (পঢ়ি দিয়া বিবৃত্তি গাঠি দিয়া হ'ল)

মানস অভয়াৰণ্যৰ বিষয়ে ঃ

সাধাৰণতে বন উদ্যান অভয়াৰণ্য, সংৰক্ষিত আৰু ৰক্ষণাবেক্ষণৰ দায়িত্ব বন বিভাগৰ ওপৰত ন্যস্ত। মানস প্রকল্পৰ বহু দিনৰ পৰা বন বিভাগৰ এটা নিবাস আছে। সাধাৰণতে তাতেই থাকে। কিন্তু বর্দ্ধিত পর্য্যটকৰ সা-সুবিধাৰ প্রতি লক্ষ্য

ৰাখি পর্য্যটন বিভাগে কেন্দ্রীয় চৰকাৰৰ সাহায্যত মানস অভয়াৰণ্যৰ সমীপত আৰু অভয়াৰণ্যৰ ঠিক সীমাৰ বাহিৰতে এটি আহল-বহল পর্য্যটক নিবাস নির্মাণ কৰা কাম আৰম্ভ কৰে। কিন্তু চৰকাৰৰ নির্দ্দেশ মৰ্ম্মে বন বিভাগে ১৯৯২ চনৰ ফেব্রুৱাৰী মাহত পর্য্যটকৰ প্রবেশ নিষিদ্ধ কৰে। ফলস্বৰূপে সেই সময়ৰ স্থানীয় পৰিস্থিতিৰ পৰিপ্রেক্ষিতত উক্ত নিবাসৰ নির্মাণ কার্য্য স্থগিত ৰখা হয়। যোৱা বছৰত পৰিস্থিতিৰ উন্নতিৰ প্রতি লক্ষ্য ৰাখি উক্ত নিবাসৰ নির্মাণ কার্য্য যোৱা বছৰৰ নবেম্বৰ মাহত সম্পন্ন কৰি তাত পর্য্যটকসকলৰ থকা-মেলাৰ ব্যৱস্থা কৰা হয়। ফলস্বৰূপে মানস অভয়াৰণ্যলৈ সীমিত সংখ্যক পর্য্যটকো আহে। বন বিভাগেও যথা ৰীতি পর্য্যটকসকলক আদৰণী জনায় আৰু পর্য্যটকসকলে যোৱাৰ ব্যৱস্থা কৰি দিয়ে।

অৱশ্যে যোৱা কেইটা বছৰত হয়তো বিভিন্ন কাৰণত পর্য্যটকৰ আগমণ আশানুৰূপ হোৱা নাই। পর্য্যটন বিভাগৰ নথীমতে ১৯৯৪ চনত দুগৰাকী বিদেশী পর্য্যটক মানস অভয়াৰণ্যলৈ যায়। মানস অভয়াৰণ্যৰ প্রকৃত পৰিস্থিতিৰ বিষয়ে ভালদৰে অৱগত নোহোৱা বাবেও হয়তো দেশীয় পর্য্যটকৰ আগমণ আশানুৰূপ নহয়। কিন্তু পর্য্যটকৰ সা-সুবিধাৰ বাবে পর্য্যটন বিভাগে সকলো প্রস্তাৱ সম্পন্ন কৰিছে।

Matter under Rule 301

Mr. Speaker : Now item No. 3 Hon'ble Member Abdul Zalil Ragibi to draw the attention of the Minister, Revenue.

Maulana Abdul Zalil : Sir, I call the attention of the Hon'ble Minister, Revenue under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to "Problems in payment of Khajana by Ijmali Patta holders". আৰু অলপ কথা ক'ব বিচাৰিচো।

মাননীয় অধ্যক্ষ ঃ চমুকৈ ক'ব।

শ্রীআব্দুল জেলিল ৰাগিবী ঃ এই এজামালি পটাবিলাক যিসকলৰ নামত আছে সেইসকলে কোনোবাই যদি ব্যক্তিগত ভাবে নিজৰ অংশৰ খাজনা মৌজাদাৰক দিবলৈ গৈছিল তেতিয়া মৌজাদাৰে নলয় কিন্তু সকলোৱে একেলগে মিলি খাজনা দিব লাগে। ইয়াৰ ফলত এজমালি পট্টাত নাম থকা কোনো কোনোৱে হেমাহিৰ কাৰণে বাকী ইচ্ছা থকাসকলে খাজনা দিব নোৱাৰে আৰু তেনে ক্ষেত্রতো পট্টা নিলামত যোৱাৰ কাৰণে খাজনা দিবলৈ ইচ্ছা কৰাসকলে আন

সকলৰ লগতে দুর্ভোগ ভোগ কৰিবলগীয়া হয়। ইয়াৰ ফলত সাধাৰণ ভাবে কৃষক ৰাইজ অসুবিধাত পৰিছে। গতিকে মন্ত্রী মহোদয়ৰ ওচৰত অনুৰাধ জনাইছো যেন তেনে এজমালি পট্টাবিলাক সোনকালে ফালি দি যি যি লোকৰ নামত আছে সকলোৰে কাৰণে বেলেগে পট্টা দি অকলশৰীয়াকৈ খাজনা দিব পৰা ব্যৱস্থা কৰে।

শ্রীমুকুট শর্ম্মা (ৰাজ মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীআব্দুল জেলিল ৰাগিবী ডাঙৰীয়াই এজমালি পট্টা সম্পর্কত যিটো কথাৰ অৱতাৰণা কৰিছে সেইটো আমাৰ ৰাজহ বিভাগৰ জ্ঞাত আৰু সেই বিষয়ে আমাৰ বিভাগ সচেতন।

মাননীয় বিধান সভাৰ সদস্য ঃ মৌলানা আব্দুল জলিল ৰাগিবীয়ে মাটিৰ পট্টা আৰু এজমালি পট্টাৰ খাজনা আদায়ৰ মস্পর্কত পেলা প্রশ্নটি সঁচাকৈয়ে প্রাথমিক আৰু ময়ো এই বিষয়টো বাৰুকৈয়ে উপলব্ধি কৰিছো।

বর্ত্তমানে মাটি আয়োগে/পট্টা দিয়া আধাৰ হৈছে পৰিয়াল। মাত্র সমবায় সমিতিৰ নামত দিয়া আবণ্টন/পট্টাৰ ক্ষেত্রতহে ই অলপ পৃথক যিহেতু এনে ক্ষেত্রত এনে সমিতিৰ নাম আবণ্টন/পট্টা দিয়া হয়। ব্যক্তিৰ ক্ষেত্রত যিহেতু গিৰীয়েক/ঘৈণীয়েকৰ নামত পট্টা দিয়া হয় গতিকে এনে ক্ষেত্রত যুটীয়া পট্টাৰ প্রশ্ন নুঠে। কিন্তু উত্তৰাধিক্রমে নাইবা বিক্রীৰ ফলত হস্তান্তৰ হোৱাৰ বাবে পুৰণি বন্দবস্তীৰ বাহিৰেও নতুন বন্দবস্তীত জিলাত Record of Rignts-ৰ ভিত্তিত যুটীয়া পট্টা দেখা যায়। অসম ভুমি ৰাজহ ৰেগুলেচনত এইটো পৰিস্কাৰ ভাবে দিয়া আছে যে যদি সঁচাকৈ মাটিৰ গৰাকীয়ে তাৰ প্রকৃত অংশৰ দখলত থাকে তেনেহ'লে তেওঁ তেওঁৰ মাটি-বাৰীৰ সম্পূর্ণ বা আংশিক ভাবে ভাগ ভাগ বিতৰণ কৰাৰ দাবী কৰিব পাৰে জিলাৰ জিলাধিফতিৰ যুটীয়া পট্টাবোৰ ভাগ কৰাৰ সম্পূর্ণ কর্ত্তৃত্ব আছে।

বাহৰক যুটীয়া পট্টাবোৰ উত্তৰাধিকাৰী, বিক্রী আদিৰ দ্বাৰা হস্তান্তৰ হোৱাৰ বাবে যুটীয়া পট্টাবোৰ সম্পূর্ণৰূপে নোহোৱা কৰিব নোৱাৰে। যদি মাটিৰ গৰাকীয়ে এই সম্পর্কত আইনৰ আশ্রয় লৈ পট্টা কৰিব খোজে তেনেহ'লে তেওঁ কৰিব পাৰে। এই সম্পর্ক এইটো উল্লেখ কৰিব পাৰি যে, তেনে ক্ষেত্রত মাটি কিনোতেই প্রথমে তেওঁ নিজৰ নামত নামজাৰি লৈ তাৰ পিচতহে তেওঁ অংশীদাৰ নামত অন্তর্ভূক্ত কৰিব লাগে। তেনে ক্ষেত্রত মাটিৰ গৰাকীয়ে তেওঁৰ অংশ দিয়াত কোনো অংশ উল্লেখ নথকা মানুহৰ নামতো পট্টা দেখা যায় তেনেকুৰা ক্ষেত্রতো যিসকল পট্টাদাৰে তেওঁৰ প্রকৃত অংশৰ বিষয়ে জনা থাকে তেনেহ'লে তেওঁ তেওঁৰ অংশৰ মাটিৰ খাজনা মৌজাদাৰক জমা দিব পাৰে আৰু মৌজাদাৰে

তেনেকুৱা ক্ষেত্রত মাটিৰ খাজনা লোৱাত কোনো অসুবিধা আহিব নালাগে যিহেতু যুটীয়া পট্টাত পট্টাৰ গৰাকীসকলে যুটীয়া ভাবে আৰু ব্যক্তিগত ভাবে চৰকাৰক মাটিৰ খাজনা দিবলৈ বাধ্য। চৰকাৰেও এই বিষয়টো পৰীক্ষা-নিৰীক্ষা কৰি চাব।

শ্রীমদন বৰুৱা ঃ অধ্যক্ষ মহোদয়, এজনে যদি খাজনাৰ টকা জমা নিদিয়ে তথাপিও নিলামত যায়।

শ্রীমতী বেণুপমা ৰাজখোৱা ঃ অধ্যক্ষ মহোদয়, মাননীয় ৰাজহ মন্ত্রীয়ে উল্লেখ কৰা গিৰীয়েক-ঘৈণীয়েকৰ নামত পট্টা যুটীয়া ভাবে থকা কথাখিনিত গিৰীয়েক-ঘৈণীয়েকৰ পৰিৱর্তে স্বামী-স্ত্রী বুলি থাকিলেহে বেছি ভাল হ'ব।

শ্রীমুকুট শর্ম্মা, (ৰাজহ মন্ত্রী) ঃ হয়। সেইটো কৰা হ'ব।

শ্রীগিয়াচুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, এতিয়া আইন মতে ব্যৱস্থা আছে কোনোবাই যদি মাটি কিনি লয় তেতিয়া হ'লে মাটি কিনাৰ লগে লগে চাৰ-ৰেজিষ্ট্রাৰ অফিচৰ পৰা কলেক্টৰ অফিচলৈ বা ৰাজ অফিচলৈ নোটিচ যাব লাগে যে অমুকে অমুক মাটি কিনিলে অমুকৰ পৰা। কিন্তু সেই আইনখন ৰাজহ বিভাগৰ গাফিলতিৰ কাৰণে কার্য্যকৰী হোৱা নাই। আৰু সেই মতে কাম চলি থকা নাই। ৰাজহ বিভাগে মাটি কিনাৰ লগে লগে মূল পট্টা বেলেগ কৰি কিনা মানুহৰ নামত পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। আচলতে প্রশাসনীয় ব্যৱস্থাৰ গাফিলতিৰ কাৰণে এইবিলাক হোৱা নাই। আইনৰ এই ব্যৱস্থা যাতে ঠিক মতে কার্য্যকৰী কৰা হয় তাৰ প্রতি মন্ত্রী মহোদয়ে ব্যৱস্থা ল'বনে?

★ **শ্রীমুকুট শর্ম্মা, (ৰাজহ মন্ত্রী)** ঃ চাৰ, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো সম্পর্কে আমাৰ ৰাজহ বিভাগ সচেতন। এতিয়া বহুত ক্ষেত্রত পট্টা ৰাজহ আদালতৰ যোগেও কৰা হয়। তথাপিও কৈছো এই ব্যৱস্থাৰ কাৰণে আমি বিভাগীয় ভাবে সম্পূর্ণ ব্যৱস্থা গ্রহণ কৰিম।

Mr. Speaker : Now item No. 4 Shri Jiba Kanta Gogoi Minister, Finance to Present the Annual Financial statement (Budget Estimates) of the Government of Assam for the year 1995-96).

(সদনত ১৯৯৪-৯৫ চনৰ কাৰণে বাজেটৰ প্রতিলিপি বিতৰণ হয়।)

★ **শ্রীচন্দ্র মোহন পাটোৱাৰী** ঃ চাৰ, বাতৰি কাকতত ইতিমধ্যে বাজেটৰ বহু কথা ওলাই গৈছে। 'আজিৰ বাতৰি' কাকতত প্রকাশ পোৱা অংক আৰু ইয়াতে আমি এতিয়া পোৱা বাজেটৰ অংকৰ মিল আছে। ইয়াৰ দ্বাৰা সদনৰ মর্য্যদা হানি কৰা হৈছে। আপোনাৰ পৰা এই বিষয়ত ৰুলিং বিচাৰিছো।

(সদনত কেবাজনো মাননীয় সদস্যই একেলগে ক'বলৈ থিয় হয়। কাৰো মাত স্পষ্টকৈ শুনা নাযায়।)

মাননীয় অধ্যক্ষ ঃ আগতে ইয়াতে শেষ কৰক। তাৰ পিচত চাই ক'ব।

★ **শ্রীচন্দ্র মোহন পাটোৱাৰী** ঃ চাৰ সদনৰ মর্য্যদা আৰু সন্মান ভুল কৰা হৈছে। (আকৌ ভালেকেইজন মাননীয় সদস্যই উচ্চ স্বৰত ক'বলৈ আৰম্ভ কৰে কাৰো মাত ভালদৰে শুনা নাযায়।)

মাননীয় অধ্যক্ষ ঃ আগতে শেষ কৰিবলৈ দিয়ক। তাৰ পিচত

I am not going to say that the report has not been published in the news papers. On that basis the Finance Minister will give reply.

(Operation Members again raised objections on that point.)

Till it is placed in the House I shall not go by this Demand.

Presentation of Annual Financial Statement

Now Hon'ble Minister, Fiance to continue his Budget speech.

শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ কথা আমি সন্মান কৰিছো। এই বাজেটখন চাই যদি কিবা থাকে ক'ব তেতিয়া হ'লে বাজেটখন লেচ কৰাৰ পিছত ফিগাৰবিলাক যদি একে হয় বিত্ত মন্ত্রী মহোদয়ে এই বিষয়ে ক'ব লাগিব। যিহেতু আগেয়ে বাতৰি কাকতত ওলাই গৈছে।

